# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

তাৰিখঃ ০৪/০৮/২০২১ বৃহস্পতিবাৰ

ইংৰাজী ০৪-০৮-২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে আৰম্ভ হয়।

মাননীয় অধ্যক্ষ ঃ

**মৃত্যু প্ৰসঙ্গ**

**৪-০৮-২০২১**

চলিত বিধানসভাৰ কালছোৱাতে এক দুৰ্ভাগ্যজনক পৰিস্থিতিত যোৱা ইংৰাজী ২৬ জুলাই, ২০২১ তাৰিখে অসম-মিজোৰাম সীমান্তত মিজোৰাম ৰাজ্যৰ দিশৰ পৰা হোৱা নিৰ্বিচাৰ গুলীচালনাত ৬ গৰাকীকৈ আৰক্ষী বিষয়া তথা জোৱানে প্ৰাণ হেৰুৱাবলগীয়া হয়। জোৱানসকল ক্ৰমে ঃ-

১) স্বপন কুমাৰ ৰয়, উপ-পৰিদৰ্শক, ২১ এ পি (আই আৰ) বি এন
২) শ্যাম সুন্দৰ দুচাদ, হাবিলদাৰ, ষষ্ঠ এ পি বি এন
৩) চামছুজামান বৰভূঞা, কনিষ্টবল, ২১ এ পি (আই আৰ) বি এন
৪) লিটন শুক্লবৈদ্য, কনিষ্টবল, কাছাৰ ডি ই এফ
৫) মজৰুল হক বৰভূঞা, কনিষ্টবল, কাছাৰ ডি ই এফ
৬) নজমূল হুছেইন, কনিষ্টবল, ষষ্ঠ এ পি বি এন

আজিৰ সদনে শ্বহীদসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

লগতে সদনে উক্ত ঘটনাত আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা আৰক্ষী তথা অসামৰিক ব্যক্তিসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰয়াত লোকসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহ আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো।

**তদুপৰি চলিত বিধানসভাৰ কালছোৱাতে ৰাজ্যখনে দুগৰাকীকৈ বৰেণ্য ব্যক্তি ক্ৰমে ঃ-**

১) অনিমা গুহ
২) নিৰু হাজৰিকা ডাঙৰীয়ানীকো হেৰুৱালো।

**১) ড° অনিমা গুহ**

প্ৰগতিশীল চেতনাৰ বাহক, বিশিষ্ট সাহিত্যিক তথা চিন্তাবিদ ড° অনিমা গুহৰ যোৱা ২৯ জুলাই, ২০২১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। তেখেতে ৰাজ্যখনৰ সামাজিক, শৈক্ষিক আৰু

বিদ্যায়তনিক দিশত বিশেষ সেৰা আগবঢ়াই থৈ গৈছে। মহিলা সবলীকৰণৰ ক্ষেত্ৰত অন্যতম ভূমিকা পালন কৰা গুহ ডাঙৰীয়ানীয়ে 'মন মোৰ উৰণীয়া পখি', 'মানুহৰ চিত্ৰশালাত'কে আদি কৰি বহু গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনাৰে অসমৰ সাহিত্য ক্ষেত্ৰখনলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। জীৱন কালত গুহ ডাঙৰীয়ানীয়ে 'সাহিত্যিক পেঞ্চন', 'যুগশংঙ্খ সাহিত্য বঁটা', 'ড° নিৰ্মলপ্ৰভা বৰদলৈ সাহিত্য বঁটা', 'অসম সাহিত্য সন্মিলনীৰ জীৱনজোৰা সাধনা বঁটা'কে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ বহু বঁটা ও সন্মানেৰে সন্মানিত হৈছিল।

এইগৰাকী বিশিষ্ট সাহিত্যিক তথা চিন্তাবিদৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক বৃহৎ শূণ্যতাৰ সৃষ্টি হ'ল।

**২) ড° নিৰু হাজৰিকা**

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন গৱেষক, বিশিষ্ট শিক্ষাবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° নিৰু হাজৰিকাৰ যোৱা ২৫ জুলাই, ২০২১ তাৰিখে দেহাৱসান হয়। তেখেতে ৰাজ্যখনৰ শৈক্ষিক তথা বিদ্যায়তনিক দিশত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। হাজৰিকা ডাঙৰীয়ানী গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা হিচাপে সেৱা আৰম্ভ কৰি একে বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুবাৰকৈ কলাগুৰু পদবীত অধিষ্ঠিত হৈছিল। এগৰাকী গৱেষক তথা সাহিত্যিক হিচাপেও হাজৰিকা ডাঙৰীয়ানীয়ে 'পাব্লিক ছাৰ্ভিচ কমিছন ঃ এ ষ্টাডি' কে আদি কৰি বহু কেইখন মূল্যবান গ্ৰন্থ প্ৰণয়ন কৰি থৈ গৈছে। তদুপৰি তেখেতে প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ কাৰ্যকালত কেবিনেট মৰ্যাদাৰে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

এইগৰাকী বিশিষ্ট শিক্ষাবিদ, গৱেষক তথা চিন্তাবিদৰ মৃত্যুত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

প্ৰয়াত লোকসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহ আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো।

প্ৰথমতে এটা ঘোষণা কৰি থব বিচাৰিছোঁ, আজি আমাৰ অসমৰ সন্তান লাভলীনা বৰগোহাই টকীয় অলিম্পীকত চেমিফাইনেল খেলিব। গতিকে তেওঁৰ সেই খেলৰ সময়ত আমি এটা সাক্ষী হিচাপে আজি থকাৰ বাবে আৰু সম্পূৰ্ণ তেওঁৰ লগত যাতে আমাৰ গোটেই তন মন অন্তৰ তেওঁৰ খেলৰ সময়ত থাকে তাৰ কাৰণে আমি সেইটো সময়ত ৩০ মিনিটৰ বাবে সদন স্থগিত ৰাখিম। এইটো মই জনাই থৈ দিলোঁ।

এতিয়া আছে প্ৰশ্ন নং ১৪১।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মন কৰিব, (হাতত প্লে-কাৰ্ড 'গাঁৱৰ জনতাৰ ওপৰত কৰ বহুওৱা বন্ধ কৰক')।

**মাননীয় অধ্যক্ষ ঃ** এইটো দেখুৱাব নালাগে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** আমাৰ গাঁৱৰ ঘৰ, দোকান, ব্যৱসায় প্ৰতিষ্ঠানৰ ওপৰত যিটো কৰ

লগুৱাব বিচাৰিছে, তাৰ ওপৰত মই জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, আপুনি সেইটো কব নালাগে। এতিয়া প্ৰশ্ন নং ১৪১।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ কৃষি মন্ত্ৰীয়ে যি প্ৰশ্নৰ উত্তৰ দিছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** (হাতত প্লে-কাৰ্ড 'গাঁৱৰ জনতাৰ ওপৰত কৰ বহুওৱা বন্ধ কৰক')।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, তেনেকুৱা কাৰ্ড দেখুৱাব নালাগে। এইটো সকলোৱে জনাবুজা এটা সন্মানীয় সদন হয়। ইয়াত প্ৰতিবাদ নচলে, প্ৰতিবাদ বাহিৰত চলিব। আপুনি এজন প্ৰতিনিধি কৰা ব্যক্তি, ইয়াত প্ৰতিনিধিত্ব দিয়া আছে, আপুনি যদি তেনেকুৱা দেখুৱাই, মই আগৰ পৰা কৈ আছো বাহিৰ আৰু ভিতৰ কি সম্পৰ্ক আছে, আপোনাৰ ইয়াত কোৱাৰ সুযোগ আছে আপুনি পিছত উপস্থাপন কৰিব এই কথা বিলাক। যিকোনো কথা যিকোনো সময়ত কৈ থাকিব নালাগে অখিল গগৈ ডাঙৰীয়া, এতিয়া প্ৰশ্নৰ সময়। আপুনি প্ৰশ্নটো হ'বলৈ দিয়ক।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত ৰাখিছোঁ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ কৃষি মন্ত্ৰীয়ে যি প্ৰশ্নৰ উত্তৰ দিছে, সেই উত্তৰত মই সন্তুষ্ট হোৱা নাই। কাৰণ আমাৰ কৃষি বিভাগটো এতিয়া প্ৰায় বিপদগ্ৰস্থ হৈছে, হাজাৰ হাজাৰ বিঘা মাটিত পতান ওলাইছে, কৃষিত নকল সাৰ ব্যৱহাৰ হৈ আছে। এনেকুৱা এটা বিপদগ্ৰস্থ অৱস্থাত মই প্ৰথম পৰিপূৰকত উল্লেখ কৰিব বিচাৰিছোঁ, সুধিব বিচাৰিছোঁ মন্ত্ৰী মহোদয়ক যে, আমাৰ ৰাজ্য খনত সদ্যহতে যোৱা ফচলৰ সময়ত কিমান হেক্টৰ বিঘা মাটিত নকল বীজ ব্যৱহাৰ কৰাৰ ফলত পতান সৃষ্টি হৈছে আৰু এই পতান সেই সকল কৃষকৰ হৈছে, তেওঁলোক যে সৰ্বশ্বান্ত হৈছে পতান হোৱাৰ ফলত সেই কৃষক সকলক যথাপুযুক্ত ভাৱে ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা এই চৰকাৰৰ আছে নে নাই? মই জনাত এই কৃষক সকলে কোনো ক্ষতিপূৰণ পোৱা নাই। বাৰে বাৰে বিষয়া সকলে খেতি পথাৰ পৰিদৰ্শন কৰে কিন্তু কোনো আশ্বাসো নিদিয়ে আৰু ক্ষতি পূৰণ দিয়াৰ কোনো ব্যৱস্থাও কৰা নাই। এনেধৰণৰ ব্যৱস্থা আছে নেকি? আৰু কিমান হেক্টৰ মাটিত পতান হৈছে এই উত্তৰটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু এই ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজেই কৃষক। যোৱা পাচঁটা বছৰত কৃষি ক্ষেত্ৰখনলৈ এক যুগান্তকাৰী পৰিৱৰ্তন আনিবৰ কাৰণে আমাৰ চৰকাৰে বহুতো চেষ্টা কৰিছে। কৃষি বিভাগটো এটা সময়ত কেৱল ঠিকাদাৰৰ বিভাগ হৈছিল। আমাৰ চৰকাৰে কৃষিৰ ক্ষেত্ৰত পৰিবৰ্তন আনিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ উপৰিও ৰাজ্য চৰকাৰে কেতবোৰ আঁচনি গ্ৰহণ কৰিছিল। মুখ্যমন্ত্ৰীয়ে সমগ্ৰ গ্ৰামোন্নয়নৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাৱঁৰ একো একোটা আত্মসহায়ক গোটলৈ একোখনকৈ ট্ৰেক্টৰ, ঠিক তেনেদৰে মুখ্যমন্ত্ৰী কৃষি সাহায্য বুলি আচঁনিৰ জৰিয়তে কৃষক সকলক পাঁচ হাজাৰকৈ টকা দিছে। এতিয়া মানননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই হাজাৰ হাজাৰ বিঘা মাটিত পতান হোৱাৰ কথা কৈছে। দুই এটা তেনেকুৱা বাতৰি ওলায় । সেই দুই এটা তেনেকুৱা বাতৰি ওলোৱাৰ লগে লগে খা-খবৰ লৈ গম পোৱা যায় যে সেইবোৰ চৰকাৰী ভাৱে যোগান ধৰা বীজ নহয়, কোনোবা বীজ ভাণ্ডাৰ বিলাকৰ পৰা লয়। কিন্তু বীজ ভাণ্ডাৰ বিলাকো আমি সময়ে সময়ে inspection কৰো। মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত জনাবলৈ পাই মই সুখী হ'ম

যে আমি কেতবোৰ অভিযোগ পোৱাৰ পিছত ৰাজ্যখনত যিবিলাক Fertilizer license আছিল Whole seller license, Retailer license আছিল, সেই বিলাক পৰীক্ষা নিৰীক্ষা কৰি **১৫০** খন license holder, Whole seller, Retailer ক ইতিমধ্যে suspend কৰিছো আৰু এটা recommendation আনিবৰ কাৰণে আমি কেইবাটাও পদ্ধতি গ্ৰহণ কৰিছো যাতে কৃষক সকলে সময়মতে সাৰ পাই। আমাৰ অসমৰ মাটি অন্য ৰাজ্যৰ তুলনাত সাৰুৱা হৈ আছে। যেতিয়া দেশত জনসংখ্যা বিস্ফোৰণ হৈছিল, সেই সময়ত পাঞ্জাৱ আৰু হাৰিয়ানাই জনসংখ্যাৰ বিস্ফোৰণৰ লগত ফেৰ মাৰিবলৈ, খাদ্য যোগান বৃদ্ধি কৰিবলৈ অত্যাধিক ৰাসায়নিক দ্ৰব্য, কৃটনাশক দ্ৰব্য ব্যৱহাৰ কৰিছিল। অসমত এতিয়াও তেনেকুৱা ধৰণৰ দ্ৰব্য ব্যৱহাৰ কৰা নাই, অসমৰ মাটি এতিয়াও সাৰুৱা হৈ আছে। মই সকলো সন্মানীয় সদস্যৰে সহযোগিতা বিচাৰিছো কাৰণ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই এক যুগান্তকাৰী পৰিৱৰ্তন আনিবৰ কাৰণে কৃষি ক্ষেত্ৰখনৰ জৰিয়তে আনুসাংগিক খণ্ডৰ জৰিয়তে স্ব-নিয়োজনৰ ব্যৱস্থা কৰিবলৈ বহুতো পৰিকল্পনা কৰিছে । গতিকে মাননীয় সদস্যগৰাকীয়ে নিদিষ্টকৈ আঙুলীয়াই দিয়ে যে এইখন পথাৰত পতান হৈছে, এইখন পথাৰত পতান হোৱাৰ কাৰণে বিভাগটো জগৰীয়া। তেনেকুৱা ধৰণৰ কিবা যদি তথ্য আছে সদনৰ মজিয়াত বা পিছত যদিও মোক দাখিল কৰে, সেইখিনি অতি সোনকালে সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া দ্বিতীয় supplementary।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰী মহোদয়ৰ উত্তৰত মই যথেষ্ট পৰিমানে হতাশ হৈছো। তেওঁৰ এটা বিয়াগোম বিভাগ আছে, এই বিভাগে নিশ্চিতভাৱে জানে, তেওঁলোকৰ সঞ্চালক সেই খেতি পথাৰত গৈছে, কিমান খেতিপথাৰত পতান হৈছে, তাৰ নিম্নতম হিচাপতো এই পৰ্য্যন্ত বিভাগে কৰা নাই। যিটো তেখেতৰ বক্তব্যৰ পৰা ওলাই পৰিল।

মই দ্বিতীয় supplementary কৰিব বিচাৰিছো। মই বিপৰ্য্যস্ত বুলি এনেই কোৱা নাই। আজি মাত্ৰ **১৫ শ** লাইচেন্স তেওঁলোকে বাতিল কৰা বা প্ৰক্ৰিয়াৰ মাজত ৰাখিছে বুলি কৈছে। কিন্তু হাজাৰ এনেকুৱা দোকান আছে য'ৰ পৰা সাৰ,বীজ বিক্ৰী হৈ আছে । বে-চৰকাৰী ভাৱে এখন ৰাজ্যত নকল সাৰৰ ব্যৱসায় চলি থাকে, তাৰ দায়িত্ব কোনে গ্ৰহণ কৰিব? তাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে? এজনো নকল সাৰ দিয়া ব্যৱসায়ীক বিভাগে ধৰিব পৰা নাই, নকল সাৰ ভৰ্তি হৈ গৈছে। প্ৰধানমন্ত্ৰী কৃষি বিকাশ যোজনাত দেখিছো নকল কৃষকে **৮** লাখৰ সংখ্যা অতিক্ৰম কৰি গৈছে। এনেকুৱা ভেজাল সাৰ আৰু বীজ বিক্ৰী কৰা যি এক বিৰাট প্ৰতিষ্ঠান গঢ়ি উঠিছে তাত হস্তক্ষেপ কৰাৰ কাৰণে তেওঁলোকে মাজে মাজে সেই দোকানত পৰিদৰ্শন কৰে। কিন্তু এই ধৰণৰ ৰেকেট যিটো কৃষি বিভাগত চলি আছে প্ৰধানমন্ত্ৰী কৃষি বিকাশ যোজনাৰ অধীনত, তাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে পতান হোৱাৰ তথ্য যদি আমাক জনাই যে ক'ত হৈছে, আমি অনুসন্ধান কৰি ব্যৱস্থা লম। আমাৰ হাতত কোনো পতান হোৱাৰ তথ্য নাই। আমাৰ বিভাগে য'ত AGO, গ্ৰামসেৱক, জিলা কৃষি বিষয়া আছে, তেওঁলোক সকলোৰে কৃষি ক্ষেত্ৰলৈ চকু ৰাখে। তথ্য দিলে আমি ব্যৱস্থা লম।

মাননীয় অধ্যক্ষ মহোদয়, হুFertilizer ৰ কথা যদি চোৱা যায় এতিয়া requirement যিমান আছে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা বহু আগৰ পৰাই পোৱা নাই। Garden বিলাকত 40 MT ইউৰিয়া সাৰ আমাৰ প্ৰয়োজন হয় বাকী অন্য খেতিৰ কথা আছে। এই গোটেইখিনি

ঠিক ঠাক  কৰিবৰ কাৰণে আমি সুপৰিকল্পিত ভাৱে আগবাঢ়িছো পূৰ্বৰ অভিজ্ঞতাৰে। আমি সকলো সদস্যৰ সহযোগিতাৰ কামনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় সদস্য তালুকদাৰ ডাঙৰীয়া আপোনাৰ কিবা তথ্য থাকিলে দি দিব। এতিয়া ইয়াৰ পিছৰ Supplementary, Shri Debabrata Saikia.

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি বীজ নিগমৰ প্ৰশ্নটোত এটা Supplementary কৰিবলৈ সুযোগ দিয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জনাইছো। কৃষি বিভাগলৈ প্ৰতি বিধান সভাৰ অধিবেশনত আমি প্ৰশ্ন সুধিছো। কথাটো হৈছে যে কৃষি বিভাগৰ সঞ্চালক জন Technically qualified নহয়, এই কথাটো কেইবাৰো কৈ থকা হৈছে আৰু এই বিভাগত বহুতো পদ খালী আছে, যাৰ কাৰণে বহুতো দূৰ্নীতি হৈছে। প্ৰধানমন্ত্ৰীয়ে পৰম্পৰাগত কৃষি বিকাশ যোজনাত **৩৪** কোটি টকা দিছিল তিনি বছৰৰ কাৰণে। অসমত মাত্ৰ **২৫** শতাংশ কাম হ'ল। এতিয়া আমাৰ সাৰৰ নাটনি হৈছে। এইক্ষেত্ৰত আমাৰ যেনেকুৱা দূৰ্নীতিৰ অভিযোগ আহি আছে, কেন্দ্ৰীয় মন্ত্ৰী আৰু আমাৰ অসমৰ মাননীয় কৃষি মন্ত্ৰীয়েও কলে যে **৮** লাখ **৩৫** হাজাৰ ভূৱা কৃষক আছে। তেখেতসকলক যি **৫৪৬** কোটি টকা দিয়া হ'ল, এই বিষয়ত CBI তদন্ত বিচাৰিছিলো। মই নিজে পত্ৰ লিখিছিলো, CBI  কলে ৰাজ্য চৰকাৰে ক'ব লাগিব যে CBI তদন্ত হ'ব লাগে, কেন্দ্ৰই হস্তক্ষেপ নকৰে। সেই কাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে CBI তদন্ত হ'ব লাগে। CBI তদন্ত জৰুৰী হৈছে কাৰণ আমাক বিধান সভাত কোৱা হৈছে যে দুটা agency য়ে peddy procure কৰে। ইয়াৰ আগৰ উত্তৰত কোৱা হৈছিল **৬** টা agency। আজিও মোৰ উত্তৰ আহিছে **৬** টা agency, কিন্তু হ'লেও অতি হতাশাজনক পশ্চিম বঙ্গত যোৱা **১০** বছৰত **১৭৪** লাখ মেট্ৰিকটন procurement হৈছে, অসমত **১০** বছৰত হৈছে **১** লাখ **১১** হাজাৰ, এইবাৰ মাত্ৰ **১৬** হাজাৰ মেট্ৰিকটন মাহে হৈছে। আমাৰ ইয়াত বাহিৰৰ পৰা চাউল আহি থাকে। আমাৰ অসমৰ কৃষকে যিখিনি বিক্ৰী কৰিব পাৰে, সেইখিনি চৰকাৰে সুলভ মূল্যত কিয় নিদিয়ে। এই বিষয়ত কি আঁচনি ল'ব মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো আৰু CBI তদন্ত বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত কিষাণ সম্পৰ্কীত কথাত মই আগতেও বক্তব্য ৰাখিছো। মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে, যিটো মই গুৰুত্বসহকাৰে গ্ৰহণ কৰিছো। প্ৰধানমন্ত্ৰী কিষাণ সম্পৰ্কত  যি ভূৱা কৃষকৰ কথা ওলাই আছে, প্ৰথমতে আমাৰ এই বিষয়ত দৃষ্টিগোচৰ হোৱাত, অনিয়ম হোৱা আমি নিজে অনুসন্ধান কৰিছিলো। অনুসন্ধান কৰি সেই সময়ত বৰপেটা  DEO এজনক suspend কৰিছিলো, মৰিগাওঁতো কৰিছিলো, মঙ্গলদৈত বিষয়াৰ ওপৰত এই অনুসন্ধানৰ ৰিপোৰ্ট টো আমাৰ আছে। কিন্তু কথা হ'ল, আমি  দেখিছো যে গাইডলাইন মতে  পৰা নাই। পি এম কিষাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ যি খন গাইডলাইন, সেই গাইডলাইন অনুসৰি ঝাৰখণ্ড, মণিপুৰ এনেকৈ কেইখনমান ষ্টেটৰ ক্ষেত্ৰত relaxation দিছে। এতিয়া ভুৱা অভিযোগৰ  তালিকাত সেইসকল খেতিয়কৰ নাম সোমাইছে, যাৰ নিজৰ মাটি নাই, অথচ তেওঁৰ ককাকৰ নামত মাটি আছে , দেউতাকৰ নামত মাটি আছে, আৰু প্ৰকৃততে খেতিয়ক হয়। সেই কাৰণে বিষয়টো কেবিনেটত threadbare আলোচনা হোৱাৰ পিছত অসম চৰকাৰে এটা সিদ্ধান্ত লৈছে, কোনখিনি মানুহে পাব। কেন্দ্ৰীয় চৰকাৰৰ মাননীয় মন্ত্ৰী গৰাকীক আমি যেতিয়া দিল্লীত গৈ লগ কৰিছিলো,

তেখেতে কলে- চৰকাৰে যদি কয় যে এই সকল খেতিয়ক হয়, তেতিয়া হ'লে আমি নিশ্চিত ভাবে,

(বিৰোধী পক্ষৰ বিধায়ক সকলে চি বি আই ৰ enquiry কেতিয়া হ'ব, এই বিষয়টো লৈ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে)

**মাননীয় অধ্যক্ষ ঃ-** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দি আছে, আপোনালোকে শুনক। সকলোৱে বহক, এইটো প্ৰশ্নকালীন ঘন্টা হয়, ইতিমধ্যে উত্তৰ দিলে। বহক, বহক। ইয়াতে মন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত দিব নোৱাৰে নহয়, তেওঁ উত্তৰটো দি দিলে। বহক, বহক। মই কৈ আছো। এইটো প্ৰশ্নকালীন ঘন্টা। সকলোৱে শুনক। সকলো সন্মানীয় সদস্যকে কৈছো, মই ভাবো আপোনালোকৰ মন, স্বভাৱ-চৰিত্ৰ সকলো ভাল, সেই কাৰণে ৰাইজে আপোনালোকক ভোট দি আনিছে। যদি ইয়াত কাজিয়া কৰে, মাৰা-মাৰি কৰিব বিচাৰে, তেতিয়া হ'লে ৰাইজৰ আশা কেনেকৈ পূৰণ হ'ব ? আজি গুৰুত্বপূৰ্ণ বিষয় কৃষি বিভাগৰ ওপৰত এটা প্ৰশ্ন চলি আছে, প্ৰশ্নকৰ্তাই প্ৰশ্ন কৰিছে, আৰু আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দি আছে, আমাৰ মাননীয় বিৰোধী পক্ষৰ সভাপতি ডাঙৰীয়াই এটা বিষয়ৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰ বিচাৰিছে, আৰু মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ প্ৰশ্নৰ উত্তৰটো দিছে। আমাৰ বিধান সভাৰ যিটো কাৰ্য্যপ্ৰণালী আছে, ইয়াৰ যিবিলাক নিয়ম আছে, এই নিয়মাৱলীৰ ক্ষেত্ৰত প্ৰশ্ন সকলোৱে কৰিব পাৰিব। উত্তৰ দিওঁতাজনে উত্তৰ দিব পাৰিব, কিন্তু প্ৰশ্নকালীন সময়ত কোনো তেনেকুৱা ধৰণৰ, উত্তৰৰ ওপৰত মানিলোৱা নোলোৱাৰ কথা নাথাকে, গতিকে প্ৰশ্ন কৰ্তাই চি বি আই ৰ enquiry কথা কৈছিল। তেওঁ অন্য এটা enquiry ৰ কথাটো আজি কলে, যদি satisfied নহয় সেইটো আপোনালোকৰ কথা । কিন্তু উত্তৰটো দিলে, আৰু সেইটোৱে উত্তৰ। গতিকে ইয়াত আমাৰ correct answer দিব লাগে বুলি কোনো কথা নাই। প্ৰশ্ন আৰু উত্তৰ।

( সদনত হুলস্থুল হয় )

আপোনালোকে এই correct answer টো বেলেগ ধৰণে লৈ ললে। সকলোৱে সকলোকে দোষ ধৰাত ওস্তাদ। সমাধান উলিয়াওকচোন ? সমাধানটো উলিয়াব লাগে। correct answer বুলি যিটো কৈছো, আপুনি যিটো সুধিছে, ইয়াৰ পুংখানু পুংখ উত্তৰ যি বিধান সভাত দিব পাৰিব লাগে বুলি কোনো কথা নাই। গতিকে চি বি আইৰ কথাটো কৈছে, ইয়াত ঠিয় হৈ within the minutes, second কোনো এটা বিভাগে সিদ্ধান্ত ল'ব নোৱাৰে। গতিকে আপোনালোকে শুধিলে আৰু তেখেতে এটা enquiry কথা কলে, ইয়াৰ পিছত বাকী ব্যৱস্থাটো বিধান সভাৰ পিছত ল'ব পাৰে, আৰু অন্য দিনাও এই বিষয়টো আলোচনাত আনিব পাৰে। কিন্তু মই কৈছো যে এই প্ৰশ্নৰ উত্তৰটো লৈ আজিৰ যিটো বিধান সভাৰ প্ৰশ্নকালীন ঘন্টা, সেইটো নষ্ট কৰাৰ কোনো অৱকাশ নাথাকে।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ-** মই কিছু কাগজ দিব বিচাৰিছো যিখিনি কেন্দ্ৰীয় চৰকাৰ আৰু চি বি আই ৰ লগত correspondence হৈছিল যোৱা বছৰ।

(কাগজখিনি মাননীয় অধ্যক্ষ মহোদয়ৰ হাতত অৰ্পণ কৰে।)

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া নিজামুদ্দিন চৌধুৰী।

**শ্ৰী নিজামুদ্দিন চৌধুৰী (আলগাপুৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ আৰু এই বিভাগৰ লগত আমাৰ অসমৰ প্ৰতিটো পৰিয়ালৰ জড়িত। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিছাৰিছো, যে প্ৰতিটো বছৰত চৰকাৰৰ ৬শ কোটি টকা, যিবিলাক বীজ দিয়া হয়, সেই বীজ বিলাক আমি দেখিছো যে আমাৰ বৰাকৰ যিবিলাক কৃষক আছে, কৃষক সকলে ইতিমধ্যে ৫০শতাংশ খেতি কৰাৰ পিছত এই বীজ বিলাক যায়।

এইটো নিৰ্দ্ধাৰিত সময়ত গলে ভাল আছিল। সেয়েহে বীজ বিলাক কিছুমানে কামত লগায় আৰু কিছু এনেয়ে থাকি যায়। অধ্যক্ষ মহোদয়, আৰু এটা কথা, যিবিলাক সাৰ ব্যৱহাৰ হয়, চৰকাৰে শ-শ কোটি টকা খৰচ কৰিছে আৰু লাইঞ্চেন্স প্ৰাপ্ত যিবিলাক ডিলাৰশ্বীপ লৈছে, সিহঁতৰ আমি কিছুমান সাৰৰ দোকানত গৈছো, নিজে ভিজিত কৰিছো, কিন্তু কোনো ন্যায্যমুলক দামৰ বৰ্ড লগা নাই।

**মাননীয় অধ্যক্ষ ঃ-** একে কথা , আপুনি প্ৰশ্নটো কৰক, মন্ত্ৰী ডাঙৰীয়াৰ পৰা কি ধৰণৰ উত্তৰ বিচাৰিছে।

**শ্ৰী নিজামুদ্দিন চৌধুৰী (আলগাপুৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যি ন্যায্য দাম দিয়া নাই, দামো বেছিকৈ লৈছে আৰু এই সাৰৰ আমি দেখিছো কালা বজাৰ চলিছে, কিছুমান সাৰ মিজোৰামটো প্ৰচাৰ হৈছে, অসমৰ প্ৰত্যেক জিলাৰ পৰা। সেই বিষয়ে আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী মহোদয়ৰ

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আচলতে পি এম কিষাণ আঁচনিৰ সম্পৰ্কত অন্য এগৰাকী সন্মানীয় সদস্যই আজি এটা প্ৰশ্ন আনিছিলে, তেখেত ইয়াত উপস্থিত আছে। গতিকে আগৰ যিটো প্ৰশ্ন পিছৰ পৰ্য্যায়ত দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছিলে, সেইটোৰ লগত সৰ্ম্পকীত নহয়। যিকি নহওঁক এতিয়া মাননীয় সদস্য গৰাকীয়ে সাৰৰ কথা কৈছে। এনেকুৱা অভিযোগ সদনৰ মজিয়াটো উত্থাপিত হৈছিল আৰু আমিও তেনে অভিযোগ পাইছিলো। সেই কাৰণে আমি অনুসন্ধান কৰি বহুকেইখন লাইচেঞ্চ ইতিমধ্যে কেঞ্চেল কৰিছো। বহুকেইখন তেনেধৰণৰ সাৰৰ ভাণ্ডাৰ ইতিমধ্যে আমি চিল কৰি দিছো বৰাকভেলিত। মই আগতে কৈ গৈছো, ইয়াৰ এটা সংস্কাৰ আনিব পাৰি, এলানী তেনেধৰণৰ কৰ্মসূচী আমি যুগুতাই উলিয়াইছো। আপোনালোক আটাইৰে সহযোগিতা আমি কামনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** অধ্যক্ষ মহোদয়, প্ৰতি গৰাকী বিধায়কৰ সমষ্টিতে এনেকুৱা ঘটনা ঘটিছে। আমাৰ বহু কৃষকৰ নামত মাটি নাই। বাপেকৰ নামত মাটি আছে কিন্তু ল'ৰা ছোৱালীৰ নামত মাটি হস্তান্তৰ হোৱা নাই। সেই কাৰণে নিজৰ নামত লেগু দেখুৱাৰ পৰা নাই। হস্তান্তৰ প্ৰক্ৰিয়াটো ভালকৈ হোৱা নাই। গতিকে এনে ক্ষেত্ৰত আপোনাৰ জৰিয়তে জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ল'ব?

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এগৰাকী সন্মানীয় সদস্যৰ প্ৰশ্নৰ উত্তৰত কৈছিলো যে পি এম কিষাণৰ সৰ্ম্পকে এনকোৱাৰীটো আমি কৰিয়েই আছো। উপায়ুক্তসকলক দায়িত্ব দিয়া হৈছে আৰু ৰেভিনিউ বিভাগৰ সহযোগিতা লোৱা হৈছে। লেগুলেচ যিবিলাক মানুহ আছিল পাছত তেওঁলোকে খেতিয়ক হয়, একচনীয়া পট্টা, বিভিন্নধৰণৰ এনুৱেল পট্টা যাৰ আছে এই গোটেই কথাখিনি আমাৰ কেবিনেটৰ মজিয়াত আলোচনা হৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু সেইখিনি খুব সোনকালে চাৰ্কুলেট হ'ব। মই ভাবো যিবিলাক অযোগ্য বুলি নাম কৰ্তন হৈছে হয়তো বহুতে সেই তালিকাত অৰ্ন্তভূক্ত হ'ব। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নম্বৰ ১৪২- চাপ্লিমেন্টৰী

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী, আবকাৰী, বন ও পৰিবেশ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীদুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো উত্তৰ দিছে বাৰৰ পৰা বিলাতী সুৰাৰ দোকানলৈ ২০১৬-১৭ চনলৈ কোনো পৰিৱৰ্ত্তন হোৱা নাই। তেখেতৰ এই উত্তৰটো শুদ্ধ। মই শুদ্ধ উত্তৰটো পাম বুলি এই কোৱেশ্চনটো কৰিছিলো।২০১৬-১৭ ৰ আগত বহুত পৰিৱৰ্ত্তন হৈছে। এইখিনিৰ ওপৰত আপুনি এটা এনকোৱাৰী কৰিব নেকি? আপুনি যদি এনকোৱাৰী কৰে তেতিয়া আমি কিছু তথ্য দিম। সেই তথ্যৰ ওপৰত আপুনি ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী, আবকাৰী, বন ও পৰিবেশ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে ২০১৬-১৭ ৰ পৰাই প্ৰশ্নটো কৰিছিল। তাৰ উত্তৰটো ২০১৬-১৭ দিছো। তাৰ আগতে আপুনি কৈছে যে পৰিৱৰ্তন হৈছে, হয় আপুনি এটা এনকোৱাৰী বিচাৰিছে। এই ক্ষেত্ৰত নিসন্দেহে আমি চাম।

**শ্ৰীদুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** বাৰ বা সুৰাৰ দোকানে হওঁক। ইয়াৰ ৰেভিনিউ কালেকশ্যনৰ ওপৰিও এটা লক্ষ্য বা উদ্দেশ্য আছিল নিবনুৱাসকলক সংস্থাপন কৰিব পাৰিনেকি? সময়ে সময়ে পলিচি বদলি আছে। কিন্তু মই এটা কথা ক'ব বিচাৰিছো যিসকলক আপোনালোকে নিবনুৱা সমস্যা সমাধানৰ কাৰণে দিছিলে সেই নিবনুৱাসকলে এজন এজন হোল চেলাৰক বা ব্যৱসায়ীক আত্মসমৰ্পণ কৰি গোটেই দোকানবিলাক লীজত দি দিছে। অগনন দোকান এজন এজন মানুহে লৈছে। আপোনালোকৰ উত্তৰ নিশ্চয় এইটো হ'ব যে আমিতো টেক্স পাই আছো। আমি ইনকাম পাই আছো। কিন্তু ইয়াৰ অন্তৰালত বাৰ বা সুৰাৰ দোকান দিয়াৰ যিটো লক্ষ্য আৰু উদ্দেশ্য আছিল সেইটো পূৰণ হৈছে জানো? নিজে ব্যৱসায় কৰিম বুলি লৈ আকৌ বেলেগ ব্যৱসায়ীক লীজত দিয়া তথ্য যদি আপোনালোকে পায় মই ব্যৱস্থা ল'ব লাগে বুলি ভাবো। গুৱাহাটীত ৮০-৯০ শতাংশ তেনেকুৱা দোকান আন ব্যৱসায়ীক লীজত দিছে। গতিকে এইটো যদি হৈছে ইয়াৰ ওপৰত ব্যৱস্থা লওঁক। স্পেচিফিক যদি আমি উল্লেখ কৰো তেন্তে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে লগতে ডিষ্ট্ৰিক ট্ৰেন্সফাৰ কথা এটা আছে। আপোনালোকে গুৱাহাটীত দোকান দিয়া নাই কিন্তু যিকোনো ডিষ্ট্ৰিক্টৰ পৰা গুৱাহাটীলৈ ট্ৰেন্সফাৰ হৈছে। গাওঁৰ পৰা আহি মঙ্গলদৈ বা তেজপুৰ টাউনত ট্ৰেন্সফাৰ হৈছে। এনেকুৱা কথাবোৰ চলি আছে মই ভাবো আপোনালোকে এটা পলিচি কৰক যাৰ দ্বাৰা আপোনালোকে চলাব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী, আবকাৰী ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীৰ প্ৰশ্নটো অলপ দীঘলীয়া হৈছে তথাপি মই উত্তৰটো দিবলৈ চেষ্টা কৰিছো। আমাৰ সময়ত ২০১৬-১৭ চনত অফিচিয়েলী দিয়া নাই । কিন্তু কেতিয়াবা অৰ্থনৈতিক কাৰণত হয়তো কৰিব নোৱাৰে, পাৰ্টনাৰশ্বিপত এটা মিনিমাম পাৰ্চেনটেজ দি পাৰ্মিশ্যন পাইছে। ভিতৰে ভিতৰে যদি কোনো ঠাইত আণ্ডাৰ ষ্টেণ্ডিং কৰি চলাইছে এইটো আমিতো নাজানো ।কিন্তু মালিক পক্ষ সন্মুখতে থাকে ।এনেকুৱা হ'ব পাৰে গতিকে আপুনি যিহেতু প্ৰশ্নটো উত্থাপন কৰিছে নিসন্দেহে আমি ভালকৈ চাম। আৰু এটা কথা আপুনি কৈছে- হয় ডিষ্ট্ৰিক্ট ট্ৰেন্সফাৰ হৈ কিছুমান দোকান ইয়াতে আহিছে। প্ৰায় ২ বছৰ হ'ব আমি এনেকুৱা এটা ৰুল ফ্ৰেম কৰিছো। বিশেষ কোনো কাৰণত নিজৰ ডিষ্ট্ৰিক্টৰ ভিতৰতে হ'ব লাগে। আমি বেছি দিয়াও নাই। কিবা বিশেষ কাৰণত ট্ৰেন্সফাৰ হ'ব লাগিলে নিজৰ ডিষ্ট্ৰিক্টৰ ভিতৰতে হ'ব লাগিব। গতিকে মই ভাবো এই ২ বছৰৰ ভিতৰত বাহিৰা জিলাৰ পৰা কামৰূপ জিলাত বেছি দিয়া হোৱা নাই। আমি ৰেভিনিউৰ কাৰণে কৰা নাই ২০১৬-১৭ চনৰ পৰা যদি আজিলৈকে

এনেকুৱা হৈছে তেন্তে বিশেষ কোনো অসুবিধাৰ কাৰণে কৰা হৈছে । ধৰক কেতিয়াবা কিছুমানৰ হাজবেণ্ডৰ নামত আছিল, বাহিৰত আছিল , পিছত হাজবেণ্ড ঢুকালে- কামৰূপত দিয়া এনেধৰণৰ হয়তো হ'ব পাৰে। নহ'লে আমি দিয়া নাই। এতিয়াৰ নিয়ম নীতিৰ আধাৰত আমি দিবই নোৱাৰো। যদি কোনো ঠাইত স্পেচিফিক কমপ্লেইন থাকে আপুনি দিব আমি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ৰকিবুল হুছেইন ডাঙৰীয়া ।

**শ্রীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয় এই বিলাতী সুৰাৰ দোকানবিলাক ৰাতিপুৱা খোলাৰ আৰু গধুলি বন্ধ কৰাৰ সময়টো কিবা পৰিৱৰ্ত্তন হৈছে নেকি ? যদি হৈছে আগতে কিমান আছিল আৰু এতিয়া কিমান ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রী মহোদয়,

**শ্রীপৰিমল শুক্লবৈদ্য (মন্ত্রী, আবকাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপতে অলপ পৰিৱৰ্তন কৰা হৈছে। পৰিৱৰ্তন হোৱাৰ মূল কাৰণ লকডাউন। ৰাতিপুৱা ৯ টা বজাৰ পৰা বিয়লি ৪ বজালৈ আমি খোলা ৰাখিছো। বাকী যিখিনি নিয়ম নীতি আছে সেইটো একেধৰনে আছে। ক'ভিড-১৯ ৰ এচ ও পিটো যেতিয়া উঠি যাব তেতিয়া আগৰ দৰে হ'ব।

**মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।**

**মোঃ আমিনুল ইছলাম (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই বিভাগত দুটা চিষ্টেম সদায় দেখিছো-অৰুণাচল প্রদেশৰ লগত অসমৰ দামৰ পাৰ্থক্য। লিকাৰৰ ক্ষেত্রত বা ওৱাইনৰ ËŽÅî ÂÕ±÷±ı ûËëÂRevenue collection is one of the target. সেই কাৰণে সুৰাৰ হোম ডেলিভাৰীৰ কথা এই বাজেটত চিন্তা কৰা হৈছে। এইটো আমি অৰুণাচলৰ লগত বেলেঞ্চ কৰিব পাৰিম নেকি ? যাৰ কাৰণে অৰুণাচলৰ পৰা বেছি ভাগ সুৰা অসমলৈ আহে আৰু Revenue collection পৰা আমি বঞ্চিত হৈ আছো। যিহেতু আমাৰ target Revenue collection. ইয়াৰ লগতে আৰু সৰু কথা এটা ক'বলৈ বিচাৰিছো যে এই ক্ষেত্রত double standard যেন লাগি আছে এফালে আমি ধাবা বন্ধ কৰি আছো, বাৰৰ লাইচেঞ্চ ৰাতি দেৰিলৈকে খোলাৰ বাবে কেনচেল কৰি আছো বা চুলাই মদৰ ঘাটি উৎখাত কৰি আছো। চুলাই বুলি ক'লে ভাল হ'ব নে বেয়া হ'ব নাজানো কিন্তু আমাৰ যিটো লোকেল প্ৰডাক্ট সেইটোৰ ওপৰত যদি ৰেভিনিউ বঢ়াব পাৰো। আমি চুলাইৰ ক্ষেত্রত দুটা ব্যৱস্থা দেখিছো যে আমাৰ যিটো সাঁজপানী বা আপং সেই সমূহ চলিব দিয়া হৈছে আৰু কিছুমান আছে যিসমূহ বন্ধ কৰিবলৈ দিয়া হৈছে। এই ক্ষেত্রত খবৰ লওঁতে গম পাইছো যে ইয়াত ইউৰিয়া আদিৰ দৰে কিছুমান বস্তু ব্যৱহাৰ কৰা হয় যিয়ে মানুহৰ আয়ুস কমায়। ইয়াৰ কাৰণে কিবা ব্যৱস্থা কৰিব পাৰি নেকি, মাননীয় মন্ত্রী মহোদয়ে জনাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্রী মহোদয়ে কওক।

**শ্রী পৰিমল শুক্লবৈদ্য, (মন্ত্রী, আৱকাৰী ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যি চুলাই মদৰ কথা কৈছে, চুলাই মানে Illicit liquor. যিটো খালে মানুহৰ বেয়া হয়, মানুহ মৰিবও পাৰে। এইক্ষেত্রত আপুনি যিটো কৈছে যে আমাৰ বিভাগে ধৰে সেইটো লোকেল হয়, Illicit liquor হয়, ইউৰিয়া আদিৰে বনোৱা হয়, সেইকৰাণে আমাৰ বিভাগে মানুহক ৰক্ষা কৰিবৰ বাবে ধৰিবলগীয়া হয়। আপুনি সাঁজপানীৰ কথা কৈছে। আমাৰ অসমত বিভিন্ন জাতি-জনগোষ্ঠী আছে, তেওঁলোকৰ পৰম্পৰাগত পানীয় আছে। সেই পানীয়সমূহ ইমানখিনি হানীকাৰক নহয়। পৰম্পৰাগতভাৱে কোনো পূজা বা নিজা ব্যৱহাৰৰ বাবে উৎপাদন কৰে। যিটো তেওঁলোকৰ বাবে স্বাস্থ্যসন্মত। এইক্ষেত্রতো আমি আইন প্রণয়ন কৰি কৈছো যে আপোনালোকে Commu-

nity Drink হিচাপে বনাব পাৰে। কিন্তু য'ত আপুনি বনাব তাত এলকহলৰ পাৰচেণ্টেজ ঠিক হ'ব লাগিব আৰু লেবৰটাৰী টেষ্টিং কৰিহে বটলিং কৰিব পাৰিব। এই কথাটো আমি আইনৰ জৰিয়তে আনিছো। চুলাই আমি যিবিলাক ধৰো সেই সমূহ Illicit liquor হয়, সেইবোৰ ধৰিলে মানুহে ৰক্ষা পাব। সেইটো এটা দিশ আৰু এটা অন্য দিশ হ'ল যে আপুনি যিটো অৰুণাচল প্ৰদেশৰ কথা কৈছে সেইটো হয়। অৰুণাচলে তেওঁলোকৰ যিটো Excise Revenue সেইটো কম কৰিছে। অৰুণাচলৰ পৰা যদি আমাৰ অসমত সুৰা আহে তেতিয়াহ'লে অৰুণাচলেই ৰেভিনিউ পায়, আমি এক পইচাও নাপাওঁ। এই ক্ষেত্ৰত আপোনালোকে দেখিছে যে আমাৰ চৰকাৰ অহাৰ পিছত আমি বহুতো অৰুনাচলী সুৰা জব্দ কৰিছো। প্ৰতিদিনে ট্ৰাকে ট্ৰাকে আমি অৰুনাচলী সুৰা জব্দ কৰি আছো। এনেকুৰা এটা মাহ নাই যিটো মাহত দুই গাড়ী, চাৰি গাড়ী সুৰা আমি জব্দ কৰা নাই বা ধ্বংস কৰা নাই। এইক্ষেত্ৰত আপোনালোকে দেখিছে যে মই নিজেই থিয় হৈ ১৬৪ কোটি টকাৰ জব্দ কৰা মদ ৰ'লাৰৰ জড়িয়তে ধ্বংস কৰিছো। এনেকুৰা প্ৰতিদিনে চলি আছে। এইক্ষেত্ৰত হোম ডেলিভাৰীৰ কথা আপুনি কৈছে। হোম ডেলিভাৰী আমি আগতে দিয়া নাছিলো আৰু এতিয়াও আমাৰ দিয়াৰ খুব এটা ইচ্ছা নাই। ক'ভিড-১৯ ৰ সময়ত আমি দেখিছো যে যেতিয়া লকডাউন হয়, তেতিয়া চুলাই মদৰ চাহিদা বাঢ়ি যায়। এই চাহিদা বঢ়াৰ বাবে মানুহে এইবোৰ খাব, মৰিব আৰু উৎপাত হ'ব, এইটো এটা দিশ আৰু এটা দিশ হ'ল যে ক'ভিড-১৯ ৰ সময়ত চুপ্ৰিম কোৰ্টে কৈছে যে যেতিয়া কোনো ঠাইত সুৰাৰ দোকান বন্ধ থাকিব তেতিয়া সুৰাৰ হোম ডেলিভাৰী দিব লাগিব। সেই কাৰণে চুপ্ৰিম কোৰ্টৰ আধাৰত কামৰূপ জিলাত আমি পৰীক্ষামূলক হিচাপে এক মাহৰ বাবে কৰিছো। ট্ৰায়েল কৰি চাওঁ যে সঁচাকৈয়ে মানুহৰ চাহিদা আছে নে নাই যিসকল মানুহে সুৰাপান কৰে। তেওঁলোকেৰ কিমানখিনি চাহিদা থাকে, কিমানখিনি তেওঁলোকে অন লাইনৰ জৰিয়তে অৰ্ডাৰ দিয়ে, এই আটাইবোৰ চালি-জাৰি চোৱাৰ কাৰণে এমাহৰ কাৰণে আমি ট্ৰায়েল বেচিচত লৈছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কওক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুৰ্গা দাস বড়ো ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিলো যে ২০১৬ৰ পাছত On ৰ পৰা Off কৰা হৈছে। On ৰ পৰা Off কৰিবলৈ আপোনালোকৰ নিয়মত বা ৰুলচ্‌ত আছে নেকি? যদি থাকে তেনেহ'লে কৰিব। যদি নাথাকে তেনেহ'লে যিসকল অধিকাৰীয়ে এই কাম কৰিলে বা যাৰ নেতৃত্বত এইটো হ'ল তেওঁলোকৰ ওপৰত কিবা ব্যৱস্থা লোৱা হ'ব নেকি? এনেকুৰা হাজাৰ হাজাৰ ঘটনা আছে। যাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যদি কোনো অধিকাৰীয়ে এনেকুৰা কাম কৰি থাকে তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা হ'ব নেকি? ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী, আৱকাৰী ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনত আমি চৰকাৰত আহিলো। তাৰ আগতে আপোনালোকে চৰকাৰত আছিল। যিহেতু আপোনালোক চৰকাৰত আছিল আৰু আপোনালোকে যদি দি আছিল তেনেহ'লে আপোনালোকৰ ওপৰত তদন্ত কৰিব লাগিব যে সঁচাকৈয়ে দিয়া হৈছিল নে নাই। এইক্ষেত্ৰত মই আগতে দুৰ্গা দাস ডাঙৰীয়াক কৈছো যে যদি এনেকুৰা আছে নিঃসন্দেহ আমি ব্যৱস্থা লম। প্ৰেক্টিকেলি এনেকুৰা যদি নিয়মত আহে তেতিয়াহ'লে আমি Off On টো আনিলো কিয়? যদি conversion হৈয়েই থাকে তেতিয়া হ'লে Off On অনাৰ কোনো প্ৰশ্নই নাথাকে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৰা নিয়ম আছে

নে নাই ?

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী, আৱকাৰী ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা নিয়ম নাই যে আমি পৰা On ৰ পৰা Off ত লৈ যাব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰিপূৰক প্ৰশ্ন নং-১৪৩।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি, পশুপালন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অভয়াপুৰী উত্তৰ সমষ্টিৰ সাত-আঠখন গাওঁ পঞ্চায়তত যেনে-কোকিলা, জতীয়া, গোলা পাহাৰ, চাকলা, কীৰ্ত্তন পাৰা, বালাচৰ আদিত White Revolution আৰম্ভ হৈছে। এই সাত-আঠখন গাঁও পঞ্চায়তৰ পৰা স্থানীয় চাহিদা পূৰণ হোৱাৰ উপৰিও প্ৰতি দিনে বাৰ হাজাৰতকৈ অধিক লিটাৰ গাখীৰ আমোল কোম্পেনীত যোগান দিয়া হয়। কিন্তু পৰিতাপৰ বিষয় যে এই সাত-আঠখন গাঁও পঞ্চায়তৰ মাজত এখন মাত্ৰ Veterinary First Aid Center আছে। তাতো এজনো চিকিৎসক বা চিকিৎসা কৰ্মচাৰী নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে First Aid Center টো অতি সোনকালে চিকিৎসা কৰ্মী নিয়োগ কৰিব লাগে। যিহেতু সেই অঞ্চলটোত এটা Revolution আৰম্ভ হৈছে, সেই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্তভাৱে আৰু দুটা Sub-Center আৰু পশুচিকিৎসালয় স্থাপন কৰিবৰ বাবে অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি, পশুপালন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে 'Milk, Meat আৰু Eat' এই কেইটাৰ ওপৰত অধিক গুৰুত্ব দিছে আৰু পাঁচ বছৰৰ ভিতৰত যাতে আমি আমাক ইয়াত যিমান লাগে তাৰ বাবে স্ব-নিৰ্ভশীল হ'ব পাৰো তাৰ বাবে ব্যৱস্থা হাতত লম। তেখেতে দুখন চিকিৎসালয়ৰ কথা কৈছে এই বিষয়টো আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "Assam Cattle Preservation Act, 2021" দোকান হ'লে ৰাজ্যখনৰ মাংসৰ বজাৰখনত আংশিকভাৱে এটা প্ৰভাৱ পৰিব। গতিকে ৰাজ্যখনত মাংসৰ চাহিদাৰ মোকাবিলা কৰিবলৈ পৰৱৰ্তীত পৰিস্থিতিত গাহৰিৰ লগতে ছাগলী, ভেড়া আদি পালন কৰিবলৈ ৰাজসাহাৰ্য্য প্ৰদানৰ বাবে প্ৰতিটো সমষ্টিত সুষমভাৱে ৰাজসাহাৰ্য্য প্ৰদানৰ বাবে চৰকাৰে ব্যৱস্থা ল'বনে ?

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি, পশুপালন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো আমি বিবেচনা কৰিম। এইক্ষেত্ৰত আমি আগতেই সদনৰ মজিয়াত কৈ গৈছো যে এইক্ষেত্ৰত স্ব-নিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰি আছো আৰু এনেধৰণৰ আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কালি গাখীৰৰ চাহিদাটো বাঢ়িছে, এইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু অধ্যক্ষ মহোদয়, আমাৰ যি কেইটা Dairy Farm আছে সিহঁতৰ উন্নতিৰ কাৰণে, সিহঁতৰ ঘৰটো বনোৱাৰ কাৰণে বা আনুসাংগিক কিবা কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব নেকি ? আজিকালি দেখা পাইছো যে বহুত মানুহ শাৰী পাতি থাকে, ভিৰ লগায়। কিন্তু আন্তঃগাঁথনিৰ অভাৱ আৰু চৰকাৰৰ ফালৰ পৰা যিখিনি বস্তু দিবলগীয়া আছে সেইখিনি দিয়া হোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিবলৈ বিচাৰিছো।

ধন্যবাদ।

**শ্ৰী অতুল বৰা (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বৰ্তমান জনসংখ্যা বহুত বাঢ়িছে আৰু Dairy বিভাগৰ জৰিয়তে আমি নতুন আঁচনি হাতত লৈছো। বিভিন্ন ঠাইত Milk Processing Unit স্থাপন কৰা হৈছে আৰু যোৱা কাৰ্যকালত আমি ৫০০ Holstein Friesian বিভিন্ন ফাৰ্মত বিতৰণ কৰিছিলো। মাননীয় সদস্য গৰাকীয়ে যিটো সমস্যা আজি সদনৰ দৃষ্টিগোচৰ কৰিছে, মই অনুৰোধ কৰিছো যে সেই কথাখিনি লিখিতভাৱে দিলে আমি বিবেচনা কৰিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আবুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূৱ গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, অভয়াপুৰীত পশু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ পৰিকল্পনা চৰকাৰৰ আছে নেকি, জনাব। ইয়াৰ ওচৰতেই হওঁক বা অসমৰ বিভিন্ন সমষ্টিত, তেনেকুৱা পশু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিব নেকি? আনহাতে, অভয়াপুৰীকে ধৰি বিভিন্ন অঞ্চলৰ যিবিলাক পশুধন চোৰাং ভাৱে বাংলাদেশলৈ লৈ যোৱা হৈছিল, তাৰে কিছু আৰক্ষীয়ে আৰু কিছু BSFএ কৰায়ত্ত কৰিছে। গতিকে, সেই পশুধনখিনি পশু চিকিৎসা বিভাগক চমজাই দিলে, নে সেই পশুধনখিনি ক'ৰবাত একেলগে ৰখাৰ ফলত মৃত্যুবৰণ কৰিলে, এই সম্পৰ্কত কিবা তথ্য বিভাগৰ ওচৰত আছে নেকি, সেইয়া মন্ত্ৰী মহোদয়ে স্পষ্টভাৱে উত্তৰ দিলে ভাল হয়।

**শ্ৰী অতুল বৰা (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, সদ্যহতে এই সম্পৰ্কত কোনো তথ্য মোৰ হাতত নাই। ভৱিষ্যতে ইয়াৰ তথ্য যোগান ধৰিম। আপোনালোক সকলোৱে গম পাইছে যে এই বিষয়ত চৰকাৰে কিছু নিষেধাজ্ঞা আনিছে। বিভিন্ন ঠাইত চোৰাং গৰুৰ যি সৰবৰাহ চলি আছিল তাৰ ওপৰত কেতবোৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। লগতে, ৰাজ্যখনৰ বিভিন্ন ঠাইত গো-শালা স্থাপন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষঃ** বাকী তথ্যখিনি পিছত জনাব।

**শ্ৰী আবুল কালাম ৰশিদ আলম ( পূৱ গোৱালপাৰা)ঃ** মই বুজাব পাৰিছো নে নাই নাজানো। কিন্তু, হাজাৰ হাজাৰ পশুধন ক'ত আছে, তাক সুৰক্ষা দিব পাৰিলে নে নাই, নে মৃত্যু হ'ল, সেইটো স্পষ্ট কৰিব লাগে।

**শ্ৰী অতুল বৰা (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আজি তথ্যখিনি হাতত লৈ অহা নাই। পিছত দি দিম।

**মাননীয় অধ্যক্ষঃ** হ'ব। এতিয়া সিদ্দিক আহমেদ।

**শ্ৰী সিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো যদিও অভয়াপুৰীৰ, মই তাৰ সংলগ্ন এটা কথা ক'ব বিচাৰিছো যে মোৰ সমষ্টিৰ পশু-চিকিৎসা উপ-কেন্দ্ৰকেইটা একেবাৰে নষ্ট হৈ গৈছে আৰু বজাৰঘাট চিকিৎসালয়ৰ বিল্ডিংটো সম্পূৰ্ণ ভাৱে নষ্ট হৈ গৈছে। তাত কোনো ডাক্তৰো নাই আৰু চিকিৎসাৰ কোনো ব্যৱস্থাও নাই। গতিকে, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এইখিনি মেৰামতি কৰাৰ লগতে কিবা নতুন বিল্ডিং বনোৱাৰ বাবে ব্যৱস্থা কৰিব নেকি?

**শ্ৰী অতুল বৰা (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইবাৰ এখন ৰাজ্যিক চিকিৎসালয় বনোৱাৰ পৰিকল্পনা কৰি আছো আৰু ৰাজ্যখনৰ বিভিন্ন ঠাইত Sub-Centre বা dispensary সমূহৰ কাম RIDF ৰ জৰিয়তে কৰি আছিলো।

এইবাৰ RIDF XXVII ত আমি কিছুমান কাম অন্তৰ্ভুক্ত কৰিছো। মাননীয় সদস্য গৰাকীয়ে কোৱা চিকিৎসালয়খন তাত অন্তৰ্ভুক্ত হৈছে নে নাই সেইটো চাব লাগিব আৰু যদি নাই হোৱা তেন্তে তেওঁ লিখিতভাৱে দিলে আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ১৪৪। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ (গোলকগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দিয়া উত্তৰখিনি মই পাইছো যদিও এই উত্তৰত মই সন্তুষ্ট নহওঁ। মোৰ হাতত থকা তথ্য অনুসৰি বা বিধায়ক হিচাপে মই যিখিনি জানো, ২০১৮-১৯ বৰ্ষত গংগাধৰ নদীত RIDF আৰু NABARD ৰ ১২৫ কোটি টকাৰ PSC porcupine ৰ কাম হোৱাৰ যি কথা ইয়াত উল্লেখ কৰিছে, আচলতে আপোনালোকে যদি সেইয়া physically চায়, তেতিয়া এই মূহুৰ্তত তাত এটাও porcupine নাপাব। এই ক্ষেত্ৰত, মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো। লগতে, গোলকগঞ্জ চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া দলঙৰ upper side আৰু down side ত ৫৫৫ লাখ টকাৰ porcupine ৰ কাম ৯০% হোৱা বুলি দেখুৱাইছে। কিন্তু, মই যিমানখিনি জানো তাত ৫০% কামো এতিয়ালৈকে হোৱা নাই। ইয়াৰ ওপৰত কেইবাবাৰো পেপাৰিঙো হৈছে। গোলকগঞ্জ অঞ্চলটো অসমৰ পশ্চিম প্ৰান্তত বাংলাদেশ আৰু পশ্চিম বংগৰ লগত লগ-লাগি থকা এখন অনুন্নত সমষ্টি। ইয়াৰ ১৪ খন গাওঁ-পঞ্চায়ত বানাক্ৰান্ত। যাৰ ফলত গৰাখহনীয়াৰো সৃষ্টি হয়। গতিকে, সদ্যহতে MNR ৰ জৰিয়তে গৰাখহনীয়া ৰোধ কৰাৰ বাবে অস্থায়ী সমাধানৰ ব্যৱস্থা কৰা আৰু পিছলৈ ইয়াৰ স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে শিঙিমাৰী অঞ্চলত ১২৫ কোটি টকাৰে Porcupine ৰ কাম সম্পূৰ্ণ হোৱা বুলি কৈছে, আচলতে সেইটো ১২৫ কোটি নহয়, ১ কোটি ২৫ লাখহে। তেখেতে এই কামটো ভাল হোৱা নাই বুলি কৈছে। আনহাতে, গোলকগঞ্জ চহৰ অঞ্চলত SOPD-FDR ৰ ৫.৫০ কোটিৰ কাম ৯০% সম্পূৰ্ণ হোৱা বুলি কোৱা হৈছে। কিন্তু, তেখেতে সেইটোৰ ৫০% কাম হোৱা বুলিহে কৈছে । তেখেতৰ এই কথাটো মই একেবাৰে ভুল বুলি ক'ব নোখোজো। কিন্তু, এই ক্ষেত্ৰত difference of opinion আছে। কামটো ৯০% সম্পূৰ্ণ কৰিছে নে নাই সেইয়া বিভাগেহে জানে, সেই বিষয়ে বেলেগ এজন মানুহে নাজানিবও পাৰে। মই তথাপিও কৈছো- তেখেতে যিহেতু এই বিষয়টো মোক কৈছে, গতিকে মই এই কামটো ৯০% হৈছে নে নাই আকৌ ভালদৰে চালি-জাৰি চাম। আকৌ, শিঙিমাৰী অঞ্চলত ১.২৫ কোটি টকাৰ যিটো Porcupine ৰ কাম, সেইটো ভালদৰে installation হৈছে নে নাই মই নিশ্চিত ভাৱে চাম। কিন্তু, মই পুনৰবাৰ কৈছো difference of opinion হ'ব পাৰে। মইতো ইঞ্জিনীয়াৰ নহয় বা সদস্যগৰাকীও ইঞ্জিনীয়াৰ নহয়। তেখেতে কামটো দেখি কৈছে যে আৰু হ'ব লাগিছিল। কিন্তু, আমাৰ বিভাগীয় বিষয়াই কোৱা অনুসৰি এই কামটো ১০০ মিঃহে হ'ব লাগে। যিহেতু, ১০০মিঃ ৰ বাবেহে sanction আছে। কিন্তু, সদস্য গৰাকীয়ে ভাৱে যে ২০০ মিঃ হ'ব লাগিছিল। সেয়েহে, মই কৈছো যে difference of opinion হ'ব পাৰে। কিন্তু, মই আশ্বাস দিছো যে এই বিষয়টো মই নিশ্চয়কৈ চালি-জাৰি চাম। তেখেতে MNRৰ কথা কৈছে। তেখেতৰ সমষ্টিত এতিয়া কুমাৰগঞ্জ অঞ্চলত ১৭ লাখ টকাৰ এটা MNR ৰ কাম

কৰা হৈছে, ২০১৯-২০ বৰ্ষত বেলগুৰি অঞ্চলত ১২ লাখ টকাৰ এটা MNR ৰ কাম কৰা হৈছে আৰু ভোলাবাহ অঞ্চলৰ বাবে ৪৮ লাখ টকাৰ Flood Drill ৰ অধীনত অস্থায়ীভাৱে কাম কৰা হৈছে। তেখেতৰ আৰু কেইটামান কাম থকা বুলি কৈছে, গতিকে নিশ্চয়কৈ পুঁজি সাপেক্ষে যিমানখিনি পাৰো চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** Second supplementary. একেবাৰে চমুকৈ কওঁক। এক মিনিট আছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ (গোলকগঞ্জ)ঃ** মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মই অনুৰোধ কৰিছো- আজিৰ দিনত বানপানীৰ লগতে গৰাখহনীয়াৰ কবলত পৰা অসমৰ পশ্চিম সীমান্তৰ মোৰ এই সমষ্টিৰ ১৪ খন গাওঁ পঞ্চায়ত পৰিদৰ্শন কৰি তেখেতে যাতে কিবা ব্যৱস্থা গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ওয়াজেদ আলী চৌধুৰী। চমুকৈ ক'ব।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, আমাৰ দক্ষিণ শালমাৰা সমষ্টিৰ বিশেষকৈ ফকিৰগঞ্জৰ পৰা মাতিফাটালৈকে প্ৰত্যেকবাৰেই গৰাখহনীয়া হয় যদিও এইবাৰ ব্যাপকভাৱে গৰাখহনীয়া হৈছে। এই কথাখিনি ইতিমধ্যে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো। তেখেতে নিৰ্দেশনা দিয়াৰ ফলত অস্থায়ীৰূপত কিছু কাম হৈছে আৰু তেখেতে permanent protection ৰ কাম কৰিব বুলি আশ্বাসো দিছে। গতিকে, সেইখিনি project ৰ বাবে কিবা ব্যৱস্থা কৰিছে নেকি জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে পুঁজি সাপেক্ষ কামবোৰ কৰিব পৰা যায়। বাজেটত পুঁজি ধাৰ্য্য কৰাৰ বাবে আমি প্ৰস্তাৱ দিছো, এতিয়ালৈকে বাজেটখন পাৰিত হোৱা নাই। গতিকে, আমি এই কামবোৰ কৰাৰ বাবে নিশ্চয়কৈ আলোচনা কৰিম। একেদিনাই গোটেইখিনি কাম কৰাটো সম্ভৱ নহয়। গতিকে, যিমানখিনি সম্ভৱ, মই কৰিব চেষ্টা কৰিম। মোক যদি অকণমান সময় দিয়ে, তেন্তে কি কি কাম কৰা হৈছে, সেইয়া মই কৈ দিব পাৰো। এইবছৰত আমি ৬ টা মথাউৰি, যি খুব vulnerable condition ত আছিল, সেই গোটেইকেইটা ৰাখিবলৈ সক্ষম হৈছো। সেইকেইটা হ'ল- বনপুৰৈ জামগুৰি- বিহপুৰীয়া সমষ্টি, ধোলাগুৰি-বিহপুৰীয়া সমষ্টি, কৰয়নী নেপালী গাওঁ-তেজপুৰ সমষ্টি, অফলা দিচাংমুখ-শিৱসাগৰ সমষ্টি, পাগলাদিয়া যাৰতালুক- তামুলপুৰ সমষ্টি আৰু শেষত পানীখাইতি ব্ৰহ্মপুত্ৰ, যিটো পলাশবাৰী আৰু ছয়গাওঁ সমষ্টিৰ একেবাৰে সীমান্তত। এইকেইটা খুব বেছি vulnerable condition ত আছিল, ভাঙিলেইহেঁতেন, কিন্তু আমি ৰাখিবলৈ সক্ষম হৈছো। গতিকে, পৰ্যায়ক্ৰমে যিমানখিনি পাৰি, আমি কৰিছো। ১৩২ টা স্থানত flood deal আৰু MNR ৰ পুঁজিৰে semi permanent আৰু temporary কাম কৰি আছো আৰু নিশ্চয়কৈ কৰিম। আপোনালোকৰ যদি কিবা আছে মোক ব্যক্তিগতভাৱে মোক জনাব।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over.......interruption......

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা point of order আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি অৱগত যে পঞ্চ দশ অসম বিধান সভাৰ প্ৰথম অধিবেশন ২১,২২ আৰু ২৪ মে' ২০২১ চনত অনুষ্ঠিত অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধীতা কৰি কংগ্ৰেছ দলৰ মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই অসমৰ চৰ-চাপৰিত বসবাস কৰা তাহানিৰ পূৰ্ববঙ্গ, বৰ্তমান বাংলাদেশৰ....... interruption ......

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিহৰ ওপৰত ক'ব বিচাৰিছে?

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ proceeding ত এটা ভুল তথ্য গৈছে। গতিকে মই সেই কথাটো দাঙি ধৰিছো এই কাৰণে যাতে ভৱিষ্যতে এনেকুৱা ডাঙৰ ভুল নহয়। এইটো যাতে বিধান সভাৰ proceeding ৰ পৰা উঠাই লয়। আহোমসকল ১২২৮ ত আহিছে আৰু চৰ-চাপৰিৰ মানুহবিলাক ১২০৬ ত আহিছে। তেনেকুৱা ধৰণৰ এটা ব্যাখ্যা তেখেতে সদনত দি গৈছে। এইটো যদি ইয়াত থাকে তেতিয়াহ'লে ভৱিষ্যতে আমাৰ বিধান সভাৰ পৰা গোটেই ৰাজ্যখনলৈ এটা ভুল তথ্য যাব।

**মাননীয় অধ্যক্ষ ঃ** Proceeding ৰ কথা আপুনি মোক submit কৰি দিব। ..... interruption ......অখিল গগৈ আৰু কমলাক্ষ্য দে পুৰকায়স্থ আপোনালোকে বহক। প্ৰদীপ হাজৰিকা ডাঙৰীয়া আপুনিও বহক। সন্মানীয় সদস্য সকল, মই সদায়ে বাৰে বাৰে কৈ আছো যে Point of Order মন গ'লেই কোৱা বস্তু নহয়। আমাৰ proceeding ৰ ওপৰত যদি ক'ৰবাত কিবা হৈছে ....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই proceeding ৰ ওপৰতে ক'ব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহকচোন। প্ৰতিটো কথাতে যদি আপুনি থিয় হৈ কৈ থাকে দুজনৰ কাজিয়াতে দেখুন সদনখন শেষ হৈ যাব। মই আপোনাক বাৰে বাৰে কৈ আছো যে Point of Order টো আপোনালোকে অলপ study কৰক। সদনৰ প্ৰতিজন সদস্যৰ দায়িত্ব আছে আৰু সেই দায়িত্ব আমি পালন কৰিব লাগিব। Point of Order ৰ বিষয়ে ইয়াত আলোচনা হ'ব পাৰে বা প্ৰত্যেক বিষয়তে ইয়াত আলোচনা হ'ব পাৰে। কিন্তু সেইটো as per rule হ'ব লাগিব। সেইকাৰণে মই কৈছো যে Point of Order বুলি কোৱাৰ লগে-লগে কোনটো rule ৰ under ত হ'ব । মই আপোনালোকক ক'বলৈ দিম rule -300 ৰ ভিতৰত কি আছে আৰু আমি সেইটো Point of Order হিচাপে ল'ব পাৰো নে নাই? গতিকে আপোনালোকে অধৈৰ্য্য কিয় হয়? সকলোৰে অলপ ধৈৰ্য্য ধৰি থাককচোন। মই প্ৰদীপ হাজৰিকা ডাঙৰীয়াক ক'ব বিচাৰিছো যে যদি proceeding ত তেনেকুৱা কিবা আছে তেনেহ'লে আপুনি মোক address কৰি এই বিষয়ে অৱগত কৰক আৰু আমি সেইটো চাই সচাঁকৈ আপুনি কোৱাৰ দৰেই যদি কিবা ভুল তথ্য record ত থকা উচিত নহয় তেতিয়াহ'লে নিশ্চয়কৈ আমি তাৰ ওপৰত সিদ্ধান্ত ল'ম। আৰু সেয়া যদি সদনৰ মজিয়াতো আলোচনাৰ বিষয় হয় তেতিয়াহ'লে হয়তো সেই পৰ্য্যায়লৈও যাব লাগিব। কিন্তু এতিয়া যিহেতু question hour শেষ হ'ল, Point of Order আমাৰ ongoing ৰ ওপৰত হ'ব লাগে। গতিকে Point of Order ত specific বিষয় হ'ব লাগে। কিন্তু কমলাক্ষ্য দে পুৰকায়স্থ আপুনি ক'ব খোজাটো কোনো specific নহয়, এনেই ক'ব খুজি আছে। গতিকে মই হাজৰিকা ডাঙৰীয়াক ক'ব খুজিছো যে proceeding ৰ কথা আপুনি মোক লিখিত দিলে হ'ব। আমি সেইটো নিশ্চয় বিবেচনা কৰিম। এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ আপুনি কওঁক যে আপোনাৰ rule-300 ৰ অধীনত কি ক'বলগা আছে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম-মিজোৰাম বোৰ্ডাৰত আমাৰ যি কেইজন জোৱান ছহিদ হ'ল প্ৰথমে আমাৰ দলৰ ফালৰ পৰা তেখেতসকলৰ আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰিলো। অধ্যক্ষ মহোদয়, এটা কথা, ২০২০ চনৰ অক্টোবৰ মাহৰ পৰা এইটো চলি আছে। আমাৰ বিধানসভাৰ দলটোও তালৈ গলো কিন্তু ক'বলগা হৈছে যে

২০২০ ৰ অক্টোবৰ মাহৰ পৰাই আৰম্ভ হৈছে আৰু নবেম্বৰ মাহত CLP গৈছে। আমি চিঠি এখন দিছো চৰকাৰক যাতে প্ৰতিটো চুবুৰীয়া ৰাজ্যৰ লগত কথা বাৰ্তা পাতি এই সমস্যাটো অতি সোনকালে সমাধান কৰিব লাগে। কিন্তু অধ্যক্ষ মহোদয়, আজিলৈকে এইটো সমাধান নহ'ল। এই ৬ জন মানুহ কিয় মৰিলে?

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ কথাটো বুজি পালো। Parliamentary Affairs মন্ত্ৰী ডাঙৰীয়া। ----interruption---------

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ জনকৈ অসম আৰক্ষীৰ জোৱান সীমান্তত নিহত হৈছে। আমি অত্যন্ত দুঃখিত। গৰিহনা দিবলৈ আমাৰ ভাষা নাই বা কেনেকৈ আমি শোক প্ৰকাশ কৰিম? কিন্তু এটা কথা কৈছো যে আমি আমাৰ মাটিৰ লগত compromise নকৰো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো কৈছে। কিন্তু অসম, মিজোৰাম বা নাগালেণ্ড এইবিলাকতো বেলেগ বেলেগ দেশ নহয়। আমিতো sovereign country নহয়। আমি ভাৰতবৰ্ষৰ অঙ্গৰাজ্য। গতিকে আমি আলাপ আলোচনাৰ মাজেৰে এই সমস্যা সমাধান কৰিব লাগিব যিটোৰ process আৰম্ভ হৈছে। কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই যিটো কথা কৈছে মই আকৌ কৈছো যে আমি অত্যন্ত দুঃখিত আৰু অত্যন্ত গৰ্হিত। আমি সমবেদনা জ্ঞাপন কৰিছো। আৰু আজি সদনে তেখেতসকলৰ আত্মাৰ সদগতিৰ কাৰণে ১ মিনিট সময় মৌন প্ৰাৰ্থনা জনাইছিলো। -----interruption-----হুলস্থুল---------

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন ৪০ মিনিট সময়ৰ বাবে স্থগিত ৰখা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** কৃষি মন্ত্ৰী শ্ৰী অতুল বৰাই অসম কৃষি বিশ্ববিদ্যালয় পৰিচালনা বোৰ্ডলৈ অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা তিনিজন সদস্য নিৰ্বাচন কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি বিভাগ) ঃ** Hon'ble Speaker Sir, that this House do now elect 3 (three) Members of the Assam Legislative Assembly from among themselves to be the Members of the Board of management to the Assam Agriculture Univesity Act, 1968.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শিক্ষা মন্ত্ৰী ডঃ ৰণোজ পেগু ডাঙৰীয়াই বড়োলেণ্ড বিশ্ববিদ্যালয় কোৰ্টলৈ অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ (সাত) জন সদস্য মনোনীত কৰাৰ বাবে প্ৰস্তাৱ উত্থাবন কৰিব।

**Dr. Ranoj Pegu (Minister, Education) ঃ** Hon'ble Speaker Sir, that this House do now select 7 (Seven) Members of the Assam Legislative Assembly from amongst themselves to be the Members of the Bodoland Univesity Court Under Sub Section B(XVI) of Section 15(1) of the Bodoland University Act, 2009.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভূবন পেগু ডাঙৰীয়াই বিভাগীয় ভাবে সম্পৰ্কিত স্থায়ী সমিতি সমূহৰ প্ৰতিবেদন দাখিল কৰিব।

**Shri Bhubon Pegu (Jonai) ঃ Sir,** I beg to present the Reports of the Departmentally Relataed Standing Committee on Work Departments, Assam Legislative Assembly for the year 2021-22 as follows ঃ

1. Twenty-Second Report under Grant Nos. 17, 33, 44 and 64 relating to Public Works Department.
2. Eighteenth Report under Grant No. 16 relating to Printing and Stationary Department.
3. Twenty-Third Report under Grant No. 63 relating to Water Resources Department.
4. Twenty-Second Report under Grant No. 49 relating to Irri gation Department.
5. Eighteenth Report under Grant No. 35 relating to Informa tion & Public Relations Department.
6. Twenty-Third Report under Grant No. 30 relating to Public Health Engineering Department.
7. Eighteenth Report under Grant No. 6 relating to Revenue & Disaster Management Department.
8. Eighteenth Report under Grant Nos. 31 and 34 relating to Urban Development Department.
9. Twenty-Second Report under Grant No. 73 relating to Guwahati Development Department.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতি উন্নয়ন (খ) সমূহৰ প্ৰতিবেদন দাখিল কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা :**অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ২০২১-২২ বৰ্ষৰ বিভাগীয় ভাবে সম্পৰ্কিত স্থায়ী সমিতি উন্নয়ন (খ) বিভাগৰ তলত উল্লেখিত প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলো।

১। মঞ্জুৰী নং- ৪৮ আৰু ৬৭, কৃষি আৰু উদ্যান শস্য বিভাগৰ ২৩তম প্ৰতিবেদন,
২। মঞ্জুৰী নং- ৫৬ আৰু ৫৭, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ২৩তম প্ৰতিবেদন,
৩। মঞ্জুৰী নং- ৫৯, হস্ততাঁত-বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ ২৩তম প্ৰতিবেদন,
৪। মঞ্জুৰী নং- ৫৪, মীন বিভাগৰ ২৩তম প্ৰতিবেদন,
৫। মঞ্জুৰী নং- ৫২ আৰু ৫৩, পশু চিকিৎসা ও পশুপালন বিভাগৰ ২৩তম প্ৰতিবেদন,
৬। মঞ্জুৰী নং- ২৯, স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ ২৩তম প্ৰতিবেদন,
৭। মঞ্জুৰী নং- ৪৩, সমবায় বিভাগৰ ২৩তম প্ৰতিবেদন,
৮। মঞ্জুৰী নং- ৩৬, শ্ৰম আৰু নিয়োগ বিভাগৰ অষ্টাদশ প্ৰতিবেদন,
৯। মঞ্জুৰী নং- ৫১, ভূমি সংৰক্ষণ বিভাগৰ অষ্টাদশ প্ৰতিবেদন,
১০। মঞ্জুৰী নং- ১৪,১৫,১৮ আৰু ২০ গৃহ বিভাগৰ অষ্টাদশ প্ৰতিবেদন।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰীগোবিন্দ চন্দ্ৰ বসুমতাৰী ডাঙৰীয়াক বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতি উন্নয়ন(ক)ৰ প্ৰতিবেদন সমূহ দাখিল কৰিবলৈ অনুৰোধ জনালো।

**Shri Gobinda Chandra Basumatary** (**ওদালগুৰি**) ঃ Hon'ble Speaker Sir, I beg to present the following reports on the Departmentaly Related Standing Committee on Development (A) Dpartments.

1. Eighteenth Report on Exise Department, Grant No.8.
2. Twenty-Third Report on Transport Department, Grant No.9.
3. Eighteenth Report on General Administrative Department, Grant Nos.12 and 21.
4. Twenty-Third Report on Food &Civil Supply Department, Grant Nos.37 and 46.
5. Twenty-Third Report on WPT & BC Department,Grant No.38.
6. Twenty-Third Report on Social Welfare Department, Grant No.39.
7. Twenty-Third Report on Forest including Social Foresty Department,Grant No.55.
8. Twenty-Third Report on Industry Department, Grant Nos.58 and 60.
9. Twenty-Third Report on Power, Mines & Minerals Department, Grant No.61 & 62.
10. Eighteenth Report on Sports and Youth Welfare Department, Grant No.74.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া শ্ৰীপৰমানন্দ ৰাজবংশী।

**শ্ৰীপৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)** ঃ সন্মানীয় অধ্যক্ষ মহোদয়, মই মঞ্জুৰী নং-২৬, উচ্চ শিক্ষা, ২৭ কলা আৰু সংস্কৃতি, ২৯ নং, চিকিৎসা শিক্ষা, ৬৯ নং বিজ্ঞান আৰু কাৰিকৰী আৰু ৭১ নং প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সম্পৰ্কত অসম বিধান সভাৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী সমিতি (শিক্ষা)ৰ বিত্তীয় বৰ্ষ ২০২১-২০২২ ৰ প্ৰতিবেদনসমূহ সন্মানীয় সদনত দাখিল কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** যোৱা **১৬** জুলাইত **২০২১** তাৰিখত বহা কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত উপস্থিত থকা সদস্য সকলৰ লগত আলোচনা কৰি নিম্নোক্ত মঞ্জুৰী কেইটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰা হয় আৰু বাকী মঞ্জুৰী সমূহ ক্ৰম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হয়। মঞ্জুৰীকেইটা হ'ল মঞ্জুৰী নং- ২৯, চিকিৎসা আৰু জনস্বাস্থ্য, মঞ্জুৰী নং-২৬, (শিক্ষা ) উচ্চশিক্ষা, আৰু প্ৰাথমিক; মাধ্যমিক শিক্ষা ইত্যাদি। মঞ্জুৰী নং ৪৮ ত আছে কৃষি। এই তিনিটা বিষয়ৰ ওপৰত সিদিনা আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। সেই অনুযায়ী আজিৰ চিকিৎসাৰ ওপৰত আলোচনা কৰা হব। এতিয়া মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ কৰিব।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজে যে ২০২২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক চিকিৎসা আৰু জনস্বাস্থ্য শিতানত প্ৰশাসনৰ অৰ্থে ৭০০ কোটি ৩৩০.১ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ ওপৰত যি সকল মাননীয় সদস্য-সদস্যাৰ তলত নাম আছে, প্ৰস্তাৱটোৰ ওপৰত তিনিটা কৰ্তন প্ৰস্তাৱ আছে আৰু কৰ্ত্তন প্ৰস্তাৱ দিয়া সদস্য সকল হ'ল -

১) শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী ছিদ্দিক আহমেদ, শ্ৰী বসন্ত দাস, শ্ৰী আবুল কালাম ৰশিদ আলম, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰীমতী নন্দিতা গাৰলোচা, শ্ৰী নুৰুল হুদা, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰী দিগন্ত বৰ্মন, শ্ৰীমতী শিবামণি বৰা, শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ, শ্ৰী আব্দুল বতিন খন্দকাৰ, শ্ৰীআফতাৰ উদ্দিন মোল্লা, শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, শ্ৰীখলিল উদ্দিন মজুমদাৰ, শ্ৰীমিচবাহুল ইছলাম লস্কৰ, শ্ৰী যাদৱ চৰ্গীয়াৰী, শ্ৰীআব্দুল ৰহিম আহমেদ, শ্ৰী প্ৰদীপ চৰকাৰ, শ্ৰীশশীকান্ত দাস, ডাঃ আছিফ মহম্মদ নাজাৰ, আৰু ইয়াৰ পিছত আছে শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), ড$^{0}$ ৰফিকুল ইছলাম, শ্ৰীআশ্ৰাফুল হুছেইন, মোঃ আমিনুল ইছলাম, শ্ৰীনিজানুৰ ৰহমান, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী আব্দুল আজিজ, শ্ৰী নজৰুল হক, শ্ৰী নিজামুদ্দিন চৌধুৰী, শ্ৰী সুজামুদ্দিন লস্কৰ আৰু এজন আছে শ্ৰী মনোৰঞ্জন তালুকদাৰ। মই এতিয়া কৰ্ত্তন প্ৰস্তাৱৰ প্ৰস্তাৱক সকলক তেখেত সকলৰ কৰ্ত্তন প্ৰস্তাৱৰ ৩ টা ৰ এটাৰ পিছত এটাকৈ উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলোঁ। প্ৰথমতে, বিৰোধী দলৰ দলপতি ডাঙৰীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২১-২২ চনৰ বাজেটৰ ২য় খণ্ডৰ ৬ অংশৰ ৩ ৰ পৰা ১৯৬ পৃষ্ঠাত থকা 'চিকিৎসা আৰু জনস্বাস্থ্য' শিতানৰ ২৯ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৭০০৩৩০.০১ লাখ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ ৭০০৩৩০.০১ লাখ টকা, এটকালৈ হ্ৰাস কৰা হওঁক।

অধ্যক্ষ মহোদয়, আমি এই কৰ্ত্তন প্ৰস্তাৱ আনিছো স্বাস্থ্য বিভাগৰ পুঁজি মঞ্জুৰীৰ ক্ষেত্ৰত আৰু পৰম্পৰা অনুসৰি এই মঞ্জুৰী কৰ্ত্তন নকৰি বৃদ্ধি কৰাৰ কথায়ে আমি আলোচনা কৰিম। কিন্তু পৰম্পৰা অনুসৰী যিহেতু কৰ্ত্তনৰ যোগেদি আলোচনা হ'ব লাগে, সেই গতিকে এই কৰ্ত্তন প্ৰস্তাৱ আমি কংগ্ৰেছ বিধায়িনী দলৰ হৈ দাঙি ধৰিছোঁ। অধ্যক্ষ মহোদয়, স্বাস্থ্য খণ্ডত নিশ্চিত ভাৱে সকলোৱে গুৰুত্ব দিছে আৰু যোৱা সময়ছোৱাত চৰকাৰেও এই বিভিন্ন ধৰণৰ এন এইচ এম বা অন্যান্য আঁচনিৰ যোগেদি ইয়াত প্ৰথম এন আৰ এইচ এম কোৱা হৈছিল পাছত ইয়াক এন এইচ এম কৰা হ'ল, বিভিন্ন ধৰণৰ ভাৰতৰ বা ভাৰতৰ বাহিৰৰ External Aided Agency ৰ পুঁজিৰ যোগেদিও ভাৰতৰ স্বাস্থ্য খণ্ডৰ ক্ষেত্ৰত যাতে আমি ৰাইজৰ সেৱা কৰিবলৈ আৰু অধিক সুবিধা দিব পাৰো তাৰ বাবে আঁচনি গ্ৰহণ কৰা হ'ল। এই আঁচনিৰ সুফল বিভিন্ন ক্ষেত্ৰত নিশ্চিত ভাৱে পোৱা গৈছে। যদি কেতিয়াবা সদনত কথা উঠে যে এইখিনি জিলাতহে ভাল হ'ল এইখিনি জিলাত ভাল নহ'ল সেইখিনি নিশ্চিতভাৱে যি সকলে আইন বনাইছে বা যি সকলে এই আঁচনিখন কৰিছে, যাতে সমাজৰ সকলো অঞ্চলতে যায় তাৰ বাবে গুৰুত্ব দিছে ইয়াত নিশ্চয় ৰূপায়নৰ সময়ত কিছু বোধকৰো বেমেজালি হৈছে সেই গতিকে আমি এনেধৰণৰ বিতৰ্ক শুনিবলৈ পাওঁ। সেই বিতৰ্কলৈ নগৈ অধ্যক্ষ মহোদয়, বৰ্তমানৰ যি কভিড পৰিস্থিতি আহিল, তাৰ পিছত অন্যান্য অসুখ যেনে ধৰণে হৈ আছে, জাপানী এনকেফাইলাইটিছ এটা সময়ত অসমত যথেষ্ট বেছি হৈছিল আৰু চৰকাৰে উজনি অসমত তাৰ প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰিলে তাৰ ফলত উজনিকে আৰম্ভ কৰি অসমৰ বিভিন্ন জিলাত এই গোটেইখিনি হোৱাৰ পিছত তাৰ যি প্ৰভাৱ সেইখিনি কম হৈছে। তথাপিতো কোনো কোনো অঞ্চলত ইয়াৰ প্ৰভাৱ এতিয়াও আছে। যিখিনি কৰনীয় সেইখিনি নিশ্চিতভাৱে আৰু অধিক পুঁজি, আৰু অধিক দৃঢ়তাৰে যদি কাম কৰা যায় তেতিয়াহ'লে পৰা যাব। কিন্তু আমাৰ অসমত বহুত মেডিকেল

কলেজ আছে। সেই মেডিকেল কলেজ সমূহত চিকিৎসাও নিশ্চিতভাৱে সকলোৱে পাই আছে। স্বাধীনতাৰ প্ৰায় লগে লগেই আৰম্ভ হোৱা কলেজ খন অসমৰ একমাত্ৰ চিকিৎসা মহাবিদ্যালয়। তাৰ পিছত গুৱাহাটী, শিলচৰত আৰম্ভ কৰাৰ আগতে গুৱাহাটীতে আকৌ প্ৰশিক্ষণ দি শিলচৰলৈ লৈ গৈ তাত শিলচৰ মেডিকেল কলেজ স্থাপন কৰা হ'ল। আৰু এনেকৈ এতিয়াও চৰকাৰে এই বাজেটত আকৌ ৫ খন ঘোষণা কৰিলে আৰু এনেকৈ আমাৰ স্বাস্থ্য, শিক্ষাৰ যোগেদি যাতে ৰাইজক সেৱা কৰিব পাৰি এই এটা প্ৰচেষ্টা চলি আছে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কৈছে প্ৰতিখন জিলাতে এখনকৈ চিকিৎসা মহাবিদ্যালয় হ'ব লাগে। আমিও আশা কৰো আমাৰ শিৱসাগৰ জিলাত চিকিৎসা মহাবিদ্যালয় হ'ব আৰু নতুনকৈ গঠন কৰা জিলাবোৰতো হ'ব। শেহতীয়াকৈ বজালী জিলাতো নিশ্চিতভাৱে এখন আগন্তুক সময়ত হ'ব। কিন্তু এই কেৱল আমি মহাবিদ্যালয় বিলাক কৰিলে নহ'ব, যোৱা সময়চোৱাত বাতৰিকাকতত সঘনাই আহিছে যে এম চি আই ৰ ইন্সপেকচন অহাৰ আগতে বেলেগ এখন চিকিৎসা মহাবিদ্যালয়ৰ পৰা অন্য এখনলৈ ফেকাল্টী বদলীকৰণ কৰা হয়। ইয়াৰ ফলত আমি নিশ্চিতভাৱে এইটোৱে জানিব পাৰো যে আমাৰ ইয়াত ফেকাল্টীৰ অভাৱ আছিল বা এতিয়াও বহু অঞ্চলত স্পেচিয়েলিষ্ট নাই, ক'ৰবাত এন এইচ এম ডাক্তৰ জন নাই কাৰণে এটা চুপাৰ স্পেচিয়েলিটি বিভাগৰ চাৰ্জন জন বহি থাকিব লগা হৈছে। এজন স্পেচিয়েলিষ্ট নাই কাৰণে ও টি মেচিন তথা গোটেইখিনি সুবিধা থকাৰ পিছতো অপৰেচন কৰিব নোৱাৰে। বহুক্ষেত্ৰত কোৱা হয় যে গুৱাহাটী মেডিকেললৈ ডিব্ৰুগড়ৰ পৰা ৰেফাৰ কৰিব লগা হ'ল, যোৰহাটৰ পৰা ৰেফাৰ কৰিব লগা হ'ল, আজি আমি যদি সম পৰ্য্যায়লৈ গোটেই চিকিৎসা মহাবিদ্যায় বিলাক নিব পাৰো, তেতিয়াহ'লে নিশ্চিত ভাৱে আমাৰ যি সকল সেই অঞ্চলৰ প্ৰতিবেশী জিলা সমূহৰ ৰোগী, তেখেত সকলৰ যথেষ্ট সুবিধা হ'ব। সেই গতিকে এই ক্ষেত্ৰত চৰকাৰ খনে আগন্তুক সময়ত যাতে ভাল পদক্ষেপ লয় সেইটো এটা মোৰ অনুৰোধ। দ্বিতীয়তে, আমাৰ বিভিন্ন PHC, CHC, Block CHC, Sub Centre আছে, মোৰ সমষ্টিৰে ১৯৯৪ চনত এখন অনুমোদন হৈছিল, চাহ জনজাতি অঞ্চলত চকীমুখ মিনি পি এইচ চি। ইয়াৰ পূৰ্বে চৰকাৰে এন এইচ এম অহাৰ আগতে মেৰামতি কৰিলে, এন আৰ এইচ চি এম অহাৰ পিছতো তাৰ কাৰণে মেৰামতি কৰিলে কোটি টকা খৰচ কৰি ফাৰ্ণিচাৰ দিলে, কিন্তু মই লাগি থকা সত্বেও যোৱা ১০ বছৰত চিকিৎসক বা নাৰ্চ বা অন্যান্য যি দিব লাগে, সেই কৰ্মচাৰী সকল নিদিয়াৰ বাবে আজি কভিডৰ সময়তো সেই অঞ্চলত চিকিৎসা সেৱা আৰম্ভ হোৱা নাই। তেনেকুৱা আৰু বহুতখিনি আছে, চৰকাৰৰ অন্য এটা বিভাগ আয়ুস বিভাগ, য'ত আয়ুৰবেদিক, ইউনানি, য়োগা, ক্ৰেডিচনেল, মেডিচিনৰ গোটেইবিলাক কৰা হয়। কিন্তু অসমত হোমিঅ' পেথিক বা আয়ুৰবেদিকক তেনেকৈ গুৰুত্ব দিয়া হোৱা নাই। এতিয়া বহু অঞ্চলত যিটো গাইড লাইন মতে হ'ব লাগে, আমাৰ সৌভাগ্য বোধকৰো আমাৰ এজন অসমৰ মন্ত্ৰীয়ে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই আয়ুস দপ্তৰ চাবলৈ পাইছে, মই আশা কৰো আগন্তুক সময়ত আমাৰ এই ট্ৰেডিচনেল মেডিচিনৰ ক্ষেত্ৰতো যেনে ধৰণে আগ বাঢ়িব লাগে আমি পাৰিম। বহু হস্পিতালৰ এটা সময়ত মেৰামতি হ'ল, কিন্তু ফাৰ্ণিচাৰ, মেৰামতিৰ কাৰণে যিটো পুঁজি দিয়া হৈছিল সেই পুঁজি আজি কালি কমি গ'ল আৰু এতিয়া যিহেতু কিছুমান খৰছ চৰকাৰে নিজে বহন কৰে, সেই গতিকে ইনকাম নোহোৱা হৈ গ'ল। তাৰ ফলত বহু ক্ষেত্ৰত চাফাই কৰ্মচাৰী, ৱাৰ্ডবয়, ৱাৰ্ডগাৰ্ল সেইবিলাক আগতে যেনেকৈ এটা পইচা লৈ তেওঁলোকক কাম কৰাই থাকিব পৰা হৈছিল, কিন্তু পদৰ বাবে পুঁজি আৱন্টন নোহোৱাৰ বাবে সেইবিলাক কৰ্মচাৰীও বিনাবেতনে কৰি আছে। আগন্তুক সময়ত সেইবিলাকৰ কাৰণেও যাতে আমাৰ বাজেটত আৰু বৃদ্ধি হয় সেই কথাটো আমি

চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। অন্য এটা গুৰুত্বপূৰ্ণ বিষয় আছিল অধ্যক্ষ মহোদয়, যোৱা জুলাই মাহত অসমৰ সকলো বাতৰি কাকতত খলকনি উঠিছিল যে পাচলিৰ দৰে বিক্ৰী হৈছে কিড্‌নি। ৩০ টা পৰিয়ালে কলিকতাত গৈ কিড্‌নি বিক্ৰী কৰিব লগীয়া হৈছিল মৰিগাওঁ জিলাৰ আৰু তেখেত সকলে কৈছিল কোনোৱা বন্ধন বেংক ৰ কাৰণে, কোনোৱা পৰিয়ালৰ চিকিৎসাৰ কাৰণে, কোনোৱাই গৈছিল আৰ্থিক অভাৱৰ কাৰণে। ই এটা অতি গুৰুত্বপূৰ্ণ বিষয়। যিহেতু আমাৰ দেশত Organ Transplantation ৰ আইন ১৯৯৪ চনত কৰাৰ পিছত অসমতো এই আইন ১৯৯৬ চনত ইমপ্লিমেন্ট কৰা হ'ল। ২০১১, ২০১৪ আৰু **২০১৬** চনত সেইবিলাক মডিফাই কৰা হৈছিল আৰু তাত বিভিন্ন ধৰণৰ দফা আছে যে, যদি দুখীয়া মানুহক কোনোৱাই প্ৰলোভিত কৰি ব্যৱসায়িক ভাৱে তেওঁলোকক বাধ্য কৰাই ফুচুলাই নিয়ে তেতিয়াহ'লে কঠোৰ শাস্তি হ'ব। তাৰ পূৰ্বে আৰু বিভিন্ন ধৰণৰ পৰীক্ষা কৰি যাতে ডনাৰ হয়, নিজৰ আত্মীয় হয় বা কি কাৰণে দিব লগা হৈছে সেয়া অসামৰিক প্ৰশাসন তথা মেডিকেল কলেজৰ বোৰ্ডৰ সকলোৱে মিলি যাতে, কোনো অসাধু মানুহে দুখীয়া মানুহক প্ৰৱঞ্চনা কৰি কোনো দেহৰ অংগ ব্যৱসায় কৰিব নোৱাৰে, কোনোৱা ধনী মানুহক জীৱন দান কৰিব গৈ দুখীয়া মানুহক হত্যা কৰিব নোৱাৰে তেনে ধৰণৰ আইনৰ ব্যৱস্থা আছিল। এই আইনখনৰ আমাৰ অসমৰ ৰেব চাইডত যদি চাওঁ বিভিন্ন কামত গোটেইকেইখন নালাগিলেও ২১ খন ফৰ্ম, নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে যাব লাগে, সেই গতিকে নিশ্চিত ভাৱে কিমান দূৰ প্ৰক্ৰিয়াটো বুজাই দিয়া হৈছিল নে অসাধু মানুহে ইয়াৰ মাজত সোমাই আছিল, যিটো কথা ওলাইছে কোনোবা এজন নিপু দাস, তেওঁ কোনোবা ৰাজনৈতিক দলৰ সদস্য কাৰণে তদন্ত ভাল হোৱা নাই। মই ৰাজনৈতিক দলৰ কথা একেবাৰে নকওঁ যাতে তদন্ত হয়, ভৱিষ্যতে যাতে এনেকুৱা কামত নিজৰ অংগ বিক্ৰী কৰি পৰিয়াল চলাব লগীয়া নহয়। তাৰ বাবে চৰকাৰে পদক্ষেপ লবলৈ এই বাজেট অধিবেশন সময়তে কিবা ব্যৱস্থা গ্ৰহণ কৰিব পাৰি।

অন্য এখন সুহৃদ আঁচনি আছিল, তেতিয়া আমি বহুতো দুখীয়া লোকক সহায় কৰিব পাৰিছিলো। সেই আচঁনি বন্ধ হ'ল, কিন্তু তামিলনাডু বা অন্যান্য ৰাজ্যত সঞ্জীৱনি বা অন্যান্য আচঁনি আছে। যিবিলাক আঁচনিৰ জৰিয়তে ৫ লাখ ৭ লাখ টকালৈকে চিকিৎসা ব্যয় হয় বা যদি কোনো দুখীয়া মানুহ যায়, তেওঁলোকৰ Universal Health Insurance, Cash less benefit আছে আৰু বিভিন্ন ধৰণৰ আচঁনি আছে। আমাৰ অসমত যি আছে আয়ুষ্মান বা অটল অমৃত অভিযান, ইয়াতো কিন্তু গোটেই বিলাক চিকিৎসাৰ কভাৰ কৰা নহয়। তাৰ ফলত আমি প্ৰায়ে বাতৰি কাকতত দেখা পাওঁ কোনোবা সাংসদ, কোনোবা বিধায়কে তৎপৰতাৰে আৰ্থিক সাহায্য দি কোনো উঠি অহা ছাত্ৰ-ছাত্ৰী বা অন্য কাৰোবাক জীৱন দান কৰিছে। এনেকুৱা নকৰিবলৈ আমি যিহেতু স্বাস্থ্য সেৱাৰ NRHM বা NHM বা Sustainable Development Goal ৰ কথাত শিক্ষাৰ লগতে স্বাস্থ্য আৰু অন্যান্য সামাজিক সুৰক্ষা অগ্ৰাধিকাৰ দিব লাগিব। সেই গতিকে আমি তেনেকুৱা কিবা Insurance আনিব পাৰো নেকি। যিটো কৰ্নাটকত আছে ডাক্তৰ দেৱী চেঠীয়ে যিখন কৰিছে Farmer বিলাকৰ কাৰণে ৫ টকা নে কিমান দিলে গোটেই Insurance হৈ যায়। আমি তেনেকুৱা কিবা কৰিব পাৰো নেকি। এইসময়তো হৈছে উপযুক্ত সময় যিহেতু চৰকাৰে বিভিন্ন ধৰণৰ social security ৰ scheme ৰ কথা কৈছে, অৰুনোদয় আঁচনিৰ কথা কৈছে, অন্যান্য আচঁনিৰ কথা কৈছে। অৰুনোদয় আচঁনি **৮৩০** টকা, **১০০০** টকা, দুখীয়া মানুহৰ অসুখ হ'লে বৰ্তমান বহুত ব্যয়-বহুল হৈ পৰিছে। যিবিলাক সমীক্ষা আছে যে কোনো এজন মানুহৰ বেমাৰ হ'লে তেওঁৰ জমাৰ গোটেই পইচাখিনি চিকিৎসাৰ নামত খৰচ হয়। সেই কাৰণে এই গোটেই

বিলাক কথা বৰ্তমানৰ বাজেট অধিবেশনৰ সময়ত যি আলোচনা হ'ব সেই আলোচনাৰ জৰিয়তে ইয়াৰ বাবে যদি আৰু আৰ্থিক ব্যয় আমি বঢ়াব লগীয়া হয়, অন্য কোনো বিভাগৰ পৰা কমাই হলেও এইখিনি কাম কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু আশা কৰো চৰকাৰে গঠনমুলক ভাবে আমাৰ কথাখিনি লব। অসমত যাতে সচাঁকৈ কোনেও দৰিদ্ৰতাৰ বাবে কিডনী বিক্ৰী কৰিব লগীয়া নহয় বা কোনো ধৰণৰ সমাজত আইন বিৰোধী কাম কৰিবলৈ তেওঁলোকক বাধ্য কৰা হৈছে নেকি, এই কথাবিলাকৰ তদন্ত হোৱা দৰকাৰ। যিহেতু মেডিকেল কলেজনৰ বোৰ্ডৰ জৰিয়তে Transplantation of Human Organ Act. বা অন্যান্য আচঁনিৰ যিবিলাক নিয়ম আছে, সেই নিয়মবিলাক কেনেকৈ ভঙ্গ হয়। এখন গাওঁৰ কিমানখিনি মানুহ গ'ল। এতিয়া ডিব্ৰুগড় জিলাৰ কথাও ওলাইছে চাহ বাগান বা অন্য অঞ্চলৰ কথা ওলাইছে। গতিকে এইবিলাক যাতে নহয় তাৰ বাবে আমাৰ স্বাস্থ্য বিভাগৰ বাজেটত যাতে ভাল আঁচনি আনে, তাৰ কাৰণে বিবেচনা কৰিবলৈ অনুৰোধ জনাই দাবী মঞ্জুৰী ওপৰত কৰ্তন প্ৰস্তাৱ ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order । আমাৰ DRSC report ৰ বোৰত Action Taken Report সদায় লগতে থাকে। যোৱা বছৰৰ যিখিনি observation and recommendation তাৰ ওপৰত। কিন্তু Art & Culture Department ত যোৱা বছৰৰ observation and recommendation ৰ ওপৰত Action Taken Report নাই। This is gross anomaly.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সমাধান কৰা হ'ব। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** Hon'ble Speaker sir, I beg to move that the total provision of Rs. 700330.01 lakh under Grant No. 29 in respect of Medical & Public Health at page 3-196 Volumn -II, Part -VI of the budget for 2021-22 be reduced to Re. 1.00 i.e. , the amount of the whole grant of Rs. 700330.01 lakh do stand reduced to Re. 1.00.

মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱ মই উত্থাপন কৰিলো আৰু এই বিষয়ত আমাৰ দলৰ চাৰিগৰাকী সদস্যই কৰ্তন প্ৰস্তাৱৰ সপক্ষে বক্তব্য ৰাখিব। মই মাত্ৰ দুটা পৰামৰ্শ দিবলৈ বিচাৰিছো- অসমত দেখা গৈছে নীতি আয়োগৰ শেহতীয়া report মতে অসমত স্বাস্থ্য কেন্দ্ৰৰ স্থান ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত তলত আছে। সেই কাৰণে স্বাস্থ্য কেন্দ্ৰৰ বিষয়ত আলোচনা হ'ব লাগে বুলি আমি বি এ চি মিটিঙত প্ৰস্তাৱ দিছিলো। স্বাস্থ্য খণ্ডত আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল স্বাস্থ্যকৰ্মী। বিশেষকৈ চিকিৎসক, নাৰ্চ (ANM, GNM) আৰু Radiologist Operator ৰ অভাৱ। অসমৰ সকলো জিলাৰ স্বাস্থ্য কেন্দ্ৰত এই সমস্যাটো আছে।

(Hon'ble Deputy Speaker on the Chair)

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই কথাটো কব বিচাৰিছো যে এই চিকিৎসকৰ অভাৱ, যাৰ ফলত গাওঁ অঞ্চলত বা বিভিন্ন স্বাস্থ্য কেন্দ্ৰ সমূহত চিকিৎসক দিব পৰা নাই। তাৰ কাৰণে এটা পৰামৰ্শ দিছিলো যে অসমত দেখা গৈছিল কেৱল এলোপেথিক চিকিৎসা ব্যৱস্থাত যিমান গুৰুত্ব দিয়া হয়, সিমান গুৰুত্ব হোমেওপেথিক, আয়ুৰ্বেদিক চিকিৎসাত দিয়া নহয়। এই ক্ষেত্ৰত কোৱা হয় যে মানুহে অতি সোনকালে ভাল হোৱাতো বিচাৰে। তাৰ কাৰণে এলোপেথিক চিকিৎসা গ্ৰহণ কৰে, সেইটো সচাঁ। আমি দেখিছো পশ্চিম বঙ্গ, কলিকতাত ৬০

শতাংশ মানুহে হোমেওপেথিক চিকিৎসা গ্ৰহণ কৰে আৰু যিমান এলোপেথিক ফাৰ্মাচী আছে তাৰে চাৰিগুণৰ বেছি হোমেওপেথিক ফাৰ্মাচী আছে। হোমেওপেথিকত দুটা সুবিধা আছে -এটা হ'ল তাৰ side effect নাই। দ্বিতীয়তে এইটোত বহুত কম দামত মেডিচিন বিলাক পায়। সেই কাৰণে আমাৰ দাবী আছিল যে প্ৰত্যেকখন হস্পিতালত এজনকৈ হোমেওপেথিক আৰু আয়ুৰ্বেদিক ডাক্তৰ with medication দিয়া হয়। তাতে ডাক্তৰৰ shortage ৰ সমস্যাটো কমিব লগতে alternative option পাব, যিটোত সময় লাগিলেও ভাল হ'ব। গাওঁ অঞ্চলৰ মানুহবিলাকৰ কাৰণে ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. আপুনি খুব ভাল কথা কৈছে। কিন্তু আয়ুৰ্বেদিক বা হোমেওপেথিক আপুনি বা আমি কিমান ব্যৱহাৰ কৰো। সেইটো এটা প্ৰশ্ন? আমি যদি ব্যৱহাৰ নকৰো তেতিয়া হ'লে আয়ুৰ্বেদিক বা হোমেওপেথিক ডাক্তৰ নিযুক্তি দিলে লাভ নহ'ব। আপোনাৰ পৰামৰ্শটো ভাল, কিন্তু বিষয়তো debatable ।

এতিয়া মাননীয় সদস্য শ্ৰীমনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে বক্তব্য তুলি ধৰিব বিচাৰিছো। এতিয়া স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত আমাৰ মেডিকেল কলেজ বহুত হৈছে। কিন্তু মই যিটো লক্ষ্য কৰিছো বৰপেটাত ফকৰুদ্দিন আলি আহমেদ নামৰ যিখন মেডিকেল কলেজ আছে, সেইখন কলেজত বহুত বিভাগ নাই। তেনেকুৱাকৈ যদি মেডিকেল কলেজ চলি থাকে, স্বাভাৱিক ভাবে যিবিলাক শিক্ষাৰ্থী আছে, সেই শিক্ষাৰ্থী বিলাকেও এই বিভাগৰ পৰা শিক্ষা লোৱাত বঞ্চিত হয়, আৰু সেই মেডিকেল কলেজখনত চিকিৎসা যিহেতু চলে, সেই বিভাগ বিলাক নথকাৰ ফলত এই মেডিকেল কলেজখনত ৰোগীসকলে প্ৰাপ্য অৰ্থাৎ পাব লগা যি চিকিৎসা সেইখিনি চিকিৎসা নাপায় গুৱাহাটীলৈকে দৌৰিব লগা হৈছে। এক কথাত ক'বলৈ গলে এখন হেঙ্গিকেপ মেডিকেল কলেজআমাৰ সন্মুখত আছে। মই নিশ্চিতভাবে আশা কৰিম সেই মেডিকেল কলেজ বিলাক যিবিলাক আমি স্থাপন কৰিছো, বা যিবিলাক স্থাপন কৰিবলৈ গৈ আছো, তেনেকুৱা মেডিকেল কলেজত সকলো বিভাগ সামৰি যাতে ফেকাল্টি দিব পৰা যায় চিকিৎসা সেই অনুপাতে কৰিব পৰা যায়, এইটোৰ ওপৰত নিশ্চিতভাবে গুৰুত্ব আৰোপ কৰিব আৰু তাৰ কাৰণে যি বাজেট, সেই বাজেট এলোকেশ্যন প্ৰয়োজন হয়, সেই বাজেট এলোকেশ্যন নিশ্চয় দিব বুলি মই আশা ৰাখিছো। আন ফালে সমষ্টিবিলাকত যিবিলাক F R U আছে, CHC আছে, PHC আছে, তাত পৰ্য্যাপ্ত পৰিমানে ডাক্তৰ নাই। মোৰ সমষ্টিত এনেকুৱা হৈছে, এজন মাত্ৰ appointed doctor আছে, সৰভোগৰ CHC খনত। সেইখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় আছিল আৰু এতিয়া ১০০ খন বিচনাযুক্ত কৰিব বুলি বনাই থকা হৈছে। বনোৱা হৈছে কিন্তু তাত ডাক্তৰ নাই। এজন মাত্ৰ ডাক্তৰ। এজন মাত্ৰ ডাক্তৰ হোৱাৰ ফলত তাত মেনেজমেন্টে ২-৩ জন ডাক্তৰ ডেপুটেশ্যনত আনি কোনোমতে কাম চলাই আছে। বিশাল অঞ্চল এটা, এই বিশাল অঞ্চলটোত ডাক্তৰৰ অভাৱত সু চিকিৎসা যে হয়, সেই কথাটো নিশ্চিত ভাবে ক'ব নোৱাৰি। বৰপেটা ৰোডত যিখন এফ আৰ ইউ আছে, সেই এফ আৰ ইউখনতো ডাক্তৰৰ সাংঘাটিকভাবে অভাৱ। সেই অভাৱ থকাৰ ফলত সু চিকিৎসা নহয়। আমাৰ কলগাছিয়াত এখন ২০০ বিচনাযুক্ত চিভিল হাস্পতাল আছে। কিন্তু তাত মেডিচিনৰ ডাক্তৰ নাই। মেডিচিনৰ ডাক্তৰ নোহোৱাৰ ফলত ক'ভিড পৰিস্থিতিৰ মাজত ইনজেকশ্যন দিয়াৰ কামটোৰে কৰিব নোৱাৰি। ৰেমডিচি বিড ইনজেকশ্যন যেতিয়া দিব লগা হয়, তেতিয়া মেডিচিনৰ ডাক্তৰজন প্ৰয়োজন। এনাচথেচিয়া ডাক্তৰ নাথাকিলে এটা সাধাৰণ অপাৰেশ্যন

বা চিজাৰিয়ান অপাৰেশ্যন এটা কৰাটো সম্ভৱপৰ নহয়। এনাচথেচিয়া ডাক্তৰৰ অভাৱ, মেডিচিনৰ ডাক্তৰৰ অভাৱ, তেনেকৈয়ে হস্পিতাল বিলাক চলি আছে। মোৰ সমষ্টি সৰভোগতো সাংঘাটিক ভাবে ডাক্তৰৰ অভাবটো মই লক্ষ্য কৰিছো। আৰু স্বাস্থ্য মিচনৰ অধীনতো কেইবাখনো হস্পিতেল হৈছে, আৰু অন্য কিছুমান প্ৰতিষ্ঠিত ডিচপেনচেৰি আছিল, আৰু তাত পূৰ্বতে ডাক্তৰ আছিল। তেনেকৈ বৰংগাবাৰীত এখন হস্পিতাল আছে আৰু সেই বৰংগাবাৰী হস্পিতালত বহুদিন ধৰি ডাক্তৰ নাই। চকুৰুস্বাত এখন স্বাস্থ্য মিচনৰ খুব সুন্দৰ এখন হস্পিতাল আছে আৰু তাৰ ভিতৰৰ প্ৰাপ্য যি সুবিধা, সেইবিলাকো আছে, তাত ডেলিভাৰীও কৰাব পাৰি। কিন্তু তাত নাৰ্চ ৪ গৰাকীৰ বাদে ডাক্তৰ নাই। যি হেতু ডাক্তৰ নাই, তেওঁলোকো নিশ্চিতভাবে সেই হস্পিতাললৈ যোৱাৰ তাগিদা অনুভৱ নকৰে। নকৰাৰ ফলত ঘৰ আছে, ডাক্তৰ নাই তেনেকুৱা এটা অৱস্থা হৈছে। এনধৰণৰ যিটো অৱস্থা হয়, তেতিয়া হলে স্বাভাবিকতে স্বাস্থ্য ক্ষেত্ৰত বহু কৰণীয় আছে আৰু তাৰ কাৰণে প্ৰয়োজনীয় যিটো পুজিঁ সেইটো নিশ্চয় দিব আৰু ডাক্তৰ কেনেকৈ দিব পৰা যায়, বৰংগাবাৰীতে হওক বা চুকৰুংবাৰীতে হওঁক এই কথাখিনি মই স্বাস্থ্য মন্ত্ৰীক দৃষ্টিগোচৰ কৰিছো, চুকৰুংবাৰীত যিখন স্বাস্থ্য মিছনৰ হস্পিতাল আছে, বৰংগাবাৰীত যিখন হস্পিতাল আছে, আৰু সৰভোগত যিখন চি এইচ চি আছে, তাত alloted ডাক্তৰ মাত্ৰ এজন । দুই তিনিজন ডাক্তৰ ডেপুটেশ্যনত আনি যে চলাব লগা হয়, সেই অৱস্থাটোৰ যাতে অৱসান হয় আৰু তাৰ অৱসান কৰি সমগ্ৰ ৰাজ্যখনতে চিকিৎসা সেৱাটো যাতে যথেষ্ট পৰিমানে বিকশিত কৰিব পাৰে, তাৰ ওপৰত নিশ্চিতভাবে গুৰুত্ব প্ৰদান কৰিব লাগিব। কভি'ড পৰিস্থিতিৰ সময়ত বহু মানুহক contractual basis ত নিযুক্তি দিয়া হৈছিল, সেই চাফাই কৰ্মী সকল কিছু দিন আগতে মোৰ ওচৰলৈ আহিছিল। বহুত চাফাই কৰ্মীৰ, সেই সকলৰ এতিয়া কাম নাই আৰু তেওঁলোকক নিয়োগ কৰাৰ ক্ষেত্ৰতো তেওঁলোকৰ কোনো নীতি নাই, পলিচি নাই। ফলত তেওঁলোক এটা ভীষণ অসুবিধাত পৰিছে। ক'ভিড পৰিস্থিতিত জীৱনৰ সমস্ত প্ৰত্যাহ্বান গ্ৰহণ কৰি তেওঁলোকে কাম-কাজ কৰিলে, আৰু তেতিয়া আমি তেওঁলোকক ক'ভিড যোদ্ধা বুলি বহুত সম্বৰ্দ্ধনা যাচিলো। কেতিয়াবা ক'ৰবাত ক'ৰবাত হয়তো গামোচাও দিলো। আজি ক'ভিড পৰিস্থিতি কিছু স্তিমিত হৈ অহাৰ পাছত এই ক'ভিড পৰিস্থিতিৰ লগত যুদ্ধ কৰা যিবিলাক চাফাই কৰ্মী সেই চাফাই কৰ্মী বিলাকৰ নিয়োগৰ কোনো ব্যৱস্থা আছেনে নাই এইটো নিশ্চয় চিন্তনীয় বিষয় আৰু মই স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো, যাতে চাফাই কৰ্মী সকলক পুনৰ নিয়োগ কৰাৰ কি ব্যৱস্থা কৰিব পৰা যায়, এই ক্ষেত্ৰত স্বাস্থ্যবিভাগে এটা বিশেষ দৃষ্টি নিক্ষেপ কৰিব আৰু তাৰ জৰিয়তে যাতে আমাৰ স্বাস্থ্যৰ ক্ষেত্ৰত এটা আকাংক্ষিত উন্নতি কৰিব পাৰো, সেই বিষয়ে দৃষ্টিগোচৰ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ-** ধন্যবাদ, এইবাৰ বিত্ত মন্ত্ৰী মহোদয়াই আপোনালোকে দেখিছে বাজেটত বহুত অপশ্যন ৰাখিছে। ১০ হাজাৰ চেন্টাৰ ইনপ্ৰুভ কৰাৰ। ৫ খন মেডিকেল কলেজ হলে ডাক্তৰ ওলালে, আপোনাৰ সমস্যাবিলাক হয়তো সমাধান হ'ব। এই বাৰ আমাৰ মাননীয় সদস্য প্ৰশান্ত ফুকন ডাঙৰীয়া।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে এইবাৰ বাজেটত ৭ লাখ ৩৩০.০১ লাখ টকাৰ গ্ৰান্ট নং ২৯ ত চিকিৎসা আৰু জনস্বাস্থ্যৰ ওপৰত যি মঞ্জুৰী আনিছে, তাত বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ উপলব্ধি সদনত ৰাখিব খুজিছো। ভূপেন দাৰ এটা গান আছে, গানটোত ভূপেন দাই কৈছিল গীতৰ সভাত তুমিয়েইটো প্ৰধান অলঙ্কাৰ, মোৰ গীতৰ হাজাৰ শ্ৰোতা তোমাক নমস্কাৰ। গীতৰ সভাত তুমিয়েইটো

প্ৰধান অলঙ্কাৰ। আজি কৰ্ত্তন প্ৰস্তাৱ যি সকলে আনিছে, তেখেত সকল যদি থাকিলেহেঁতেন তেতিয়া হ'লে ভাল লাগিল হেতেন। তেতিয়া গোটেই কথাটো উপলব্ধি কৰিব পাৰিলেহেঁতেন। তাৰোপৰি পৰম্পৰাগতভাবে যিটো চলি আহিছে, সেই কৰ্ত্তন প্ৰস্তাৱ। আপোনালোকে যেতিয়া ৰাতিপুৱা চাহ একাপ হাতত লৈ যেতিয়া বহে, এবাৰ আপোনালোকে ভালকৈ বিশ্লেষণ কৰি চাবচোন। এই কৰ্ত্তন প্ৰস্তাৱৰ পাছৰ যিখিনি কথা, এই কৰ্ত্তন প্ৰস্তাৱ চহী কৰাৰ পাছত যিখিনি কথা সেই কথাখিনি চাব, যে আমি কি কৰো। কৰ্ত্তন প্ৰস্তাৱ এফালে কৈছো পইচা নিদিব, কাটি এটকা কৰক আৰু ইফালে কৈছো মোক আমুক লাগে তামুক লাগে আমাৰ এইখিনি কথা। যিহেতু আমাৰ এটা পৰম্পৰা চলি আহিছে বহুদিনৰ পৰা। মই সৰু এটা জ'কেৰে কথাটো আৰম্ভ কৰিব খুজিছো, শুনি ভাল পাব কাৰণ বহুতৰে টোপনিও ধৰিছে। মই এজন ব্যক্তি য়ে কুকুৰ এটাক ভৰিৰে তেওঁক গুৰিয়াব ধৰিছে, যেতিয়া গুৰিয়াব ধৰে কুকুৰটোৱে তেতিয়া কি কৰে তেওঁক ভৰি কেইটা ওপৰলৈ কৰি দিয়ে, তেতিয়া সেই মানুহজনে সেই কুকুৰটোক নমস্কাৰ কৰে। এজন মানুহে সুধিলে যে আপুনি এবাৰ কুকুৰটোক লাঠ মাৰিলে, আৰু এইফালে আপুনি নমষ্কাৰ দিছে, তেতিয়া সেই মানুহজনে কলে আৰে আপ কেইচা আদমী হে, ইয়ে ক্যা হে। বোলে ইয়ে দগ হে। dog হে। ভৰি কেইটা ওপৰলৈ কৰি দিলে কি হয়? God ই ভগবান হৈ যায়। সেই কাৰণে তেওঁক নমষ্কাৰ দিয়ে। এই কথাষাৰ এই কাৰণে আনিব লগীয়া হৈছে আৰু এফালৰ পৰা কৰ্ত্তন প্ৰস্তাৱ হ'ল আৰু আনফালে আপুনি কৈছে যে আমাক অমুক লাগে তমুক বস্তুখিনি দিব লাগে। কিন্তু আজি মই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক এটা কথা ক'ব খুজিছো যে ৭ লাখ কোটি নহয় ইয়াত ১০ লাখ কোটি টকা ধৰিব লাগে, যে দেহা থাকিলেহে বেহা হ'ব। আজিৰ যুগত আপোনালোকে গোটেই যদি পৰিবেশটো চাই, এঘৰ মানুহৰ ঘৰত ভাত খাবলৈ বহুত পইচা নালাগে। আজি অলপ দিনৰ আগতে ইউ পি ৰ এটা সমীক্ষাত মানুহে কৰাপশ্যন কৰাৰ গোটেই সমীক্ষাটো উলিয়াইছিল কি কাৰণে দুটা কাৰণে insecured ফিল কৰে। দুটা কাৰণে, এটা হ'ল স্বাস্থ্য আৰু এটা হ'ল শিক্ষা। এই দুটা কাৰণেই মূল কাৰণ বুলি ক'ব খুজিছে কৰাপশ্যন হোৱা কাৰণে। কাৰণ মানুহ এজনৰ আজি কালিৰ যুগত অপাৰেশ্যন এটা কৰিবলৈ বা গ'ল্ড ব্লাডাৰ অপাৰেশ্যন এটা কৰিবলৈ হলে এই গোটেই কথাবিলাকে যথেষ্ট চিন্তিত কৰে। যিহেতু আমি স্বাস্থ্যৰ ক্ষেত্ৰত ইয়াত বহি থকা দুজন ব্যক্তিয়ে সচেতন ব্যক্তি আছে, এজন আমাৰ উপাধ্যক্ষ আৰু এজন ডাঃ ৰণোজ পেগু ডাঙৰীয়া, বিশেষকৈ এইটো বিষয়ত তেওঁলোক ডাক্তৰ, সেই কাৰণে তেখেত সকলে বেছি ভালকৈ জানিব। কিন্তু আমি ডাক্তৰজনৰ ওচৰত যোৱাৰ পাছত আমাক যদি কয় যে আপোনাৰ এইটোহে হৈছে, সেইটোকে মানি লবলৈ বাধ্য হওঁ। সেই কাৰণে কি হয় আপোনালোকে কলে যে এই পেকেজটোত ৪০ হাজাৰ টকা লাগিব। এই ৪০ হাজাৰ টকাৰ কাৰণে মোৰ হালোৱা গৰু এটা বিক্ৰী কৰি হ'লেও এই ট্ৰিটমেন্ট কৰাবই লাগিব। এই গোটেই কথাবিলাক চিন্তা-চৰ্চা কৰি আমাৰ সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰীৰ দিনত সেই সময়ত স্বাস্থ্য মন্ত্ৰী আছিল ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া। আজি আমাৰ ফালৰ পৰা সমগ্ৰ অসমতে স্বাস্থ্য খণ্ডৰ যোগেদি ট্ৰিটমেন্ট কৰি ৰাইজক উপকৃত কৰাৰ যি ব্যৱস্থা কৰা হৈছে সেই ব্যৱস্থাখিনি আপোনালোকে প্ৰত্যেকগৰাকীয়ে অৱগত। আমাৰ আগত মুখেৰে খুলি নক'লেও আপোনালোকে নিশ্চয় ভাবিছে যে এই ব্যৱস্থাখিনিয়ে ৰাইজক যথেষ্ঠখিনি সহায় কৰিছে। মই সৰু এটা উদাহৰণ দিছো। চাহ বাগিছাৰ যিসকল মহিলা বনুৱা সেইসকলৰ আজিৰ তাৰিখত মৰ্টেলিটি ৰেট .১৪ শতাংশ । আমাৰ চৰকাৰ অহাৰ আগত এই মৰ্টেলিটি ৰেট আছিল ১৪ শতাংশ । এই মহিলাসকলে যেতিয়া গৰ্ভধাৰণ কৰে তেতিয়া তেওলোকে নকয়, গৰ্ভধাৰণ কৰাৰ পিছতো বাগানলৈ কামত গৈ থাকে।

যেতিয়া ৪-৫ মাহ হয়, ফিজিকেলী গম পায় তেতিয়া বাগানে চুটি দিয়ে। এক পইচাও নিদিয়ে। সেই মহিলাসকলে কম বয়সৰ হোৱা বাবে এনিমিয়াত ভোগে। যাৰফলত পিছত তেওলোকে মৃত্যেমুখত পৰে। এতিয়া আমাৰ চৰকাৰে ১২০০০ টকা দিয়াৰ চিন্তা চৰ্চা কৰিছে যাতে সেই টকাৰে তেওঁলোকে পুষ্টিকৰ খাদ্য খাব পাৰে। মই ভাবো এই ব্যৱস্থাৰ দ্বাৰা বাগানত মৃত্যে সংখ্যা কমাই অনাৰ প্ৰয়াস আমাৰ সফল হৈছে। উপাধ্যক্ষ মহোদয়, মই ডিব্ৰুগড় সমষ্টিৰ বিধায়ক লগতে অসম মেডিকেল কলেজৰ চেয়াৰমেন। আপুনিও সেইখন কলেজৰ পৰা পাছ কৰি আহিছে। তাত বহুদিন আপুনি প্ৰেকটিছ কৰিছে। আজি মই ডিব্ৰুগড় মেডিকেল কলেজত ফোন কৰি সুধিছিলো মোক কৈছে আজিৰ তাৰিখত আউট ড'ৰ পেচেন্ট ২৯৩০ জন। কিন্তু আমি কাৰো পৰাই কোনো ধৰণৰ পইচা লোৱা নাই। এক্স-ৰে ৰ পৰা আদি কৰি সকলো খিনিয়ে আমি ফ্ৰি কৰি দিছো। এতিয়া যদি আপোনালোকে কয় যে প্ৰস্তাৱটো কৰ্ত্তণ কৰিব লাগে, তেতিয়াহ'লে এই সুবিধাবিলাক দিবলৈ টকা বৰষুণৰ দৰে কি ওপৰৰ পৰা পৰিব নেকি ? এক্সৰে পৰা আদি কৰি দৰৱলৈ বিনামুলীয়া যোগান দিবলৈ আমাক টকা লাগিব। সেই কাৰণে মই বিৰোধীসকলক অনুৰোধ কৰিছো, যে এটা প্ৰস্তাৱ ল'ব লাগে, যে ৭৩৩১.০১ লাখ টকা যিটো দিছে এই কৰ্ত্তন প্ৰস্তাৱটো আপোনালোকে উঠাই লওঁক। পৰম্পৰাটো আমি চেঞ্জ কৰো। স্বাস্থ্যখণ্ডত আমাৰ যিখিনি কৰিবলগীয়া, আহক আমি সকলোৰে সদলবলে একেলগে কৰি যাওঁ। কাৰণ দেহা থাকিলেহে বেহা। আমাৰ আৰু এষাৰ কথা আছে ‘ কাণত কছু নাভিত তেল, তাৰ ঘৰত নাই বেজৰ মেল”। কিন্তু বৰ্ত্তমান নতুন নতুন যিবিলাক ৰোগে সংক্ৰমণৰ পৰিবেশ সৃষ্টি কৰিছে সেয়া চিন্তাৰ বিষয়। আজিও অসম মেডিকেল কলেজত ১৫-১৬ জন এনকেফেলাইটিছ ৰোগী ভৰ্ত্তি হৈ আছে। অসম মেডিকেল কলেজকে ধৰি যিমানবিলাক চিকিৎসালয় আছে, চুপাৰ স্পিচিয়েলীটি হস্পিটেল আছে , ২০০- ৪০০ বেডেট হস্পিটেল আছে, সেইবিলাক আমি আপডেট কৰাৰ ব্যৱস্থা কৰিছো। এতিয়া মৰাণৰ দৰে ঠাইতো ডেলিভাৰী কৰিব পৰা ব্যৱস্থা হৈছে। গতিকে উপাধ্যক্ষ মহোদয় এই স্বাস্থ্যৰ ক্ষেত্ৰত এক সাংঘাতিক ধৰণে পৰিৱৰ্ত্তন হৈছে। আমাৰ নাৰ্ছসকল আৰু চিকিৎসকসকল টেকনিকেল ব্যক্তি, গতিকে তেওঁলোকক প্ৰতিখন হস্পিতেলত সুবিধা কৰি দিয়াৰ ব্যৱস্থা কৰি দিব লাগিব। এতিয়া আমি বহুতো নতুন নতুন হস্পিতেল বনাইছো। বৰ্ত্তমান আমাৰ ইয়াত এইমছৰ কাম চলি আছে। তাৰ পৰা আমি বহু ডক্টৰ-নাৰ্ছ ইত্যাদি উলিয়াব পাৰিম। এনেকৈ আগবাঢ়ি যাবলৈ আমাৰ চৰকাৰে এটা সুন্দৰ প্লেন কৰিছে। আমাৰ স্বাস্থ্যমন্ত্ৰী তেখেতেও আপ্ৰাণ চেষ্ট কৰিছে। তাৰ মাজত ভূতৰ ওপৰত দানৱ পৰাৰ নিচিনা আজি এই ক'ভিদ-১৯ মহামাৰীয়ে আমাক আগুৰি ধৰিছে। এতিয়া আমি অতিৰিক্তভাৱে ক'ভিডৰ নিচিনা বেমাৰৰ লগত ফাইট কৰিবলগীয়া হৈছে। গোল্ড ব্লাডাৰ , এপেনডিক্স ইত্যাদি আন আন বেমাৰৰ কথা আমি পাহৰি গ'লো। এতিয়া ক'ভিদৰ এগেইনষ্টে ফাইট কৰিবলগীয়া হৈছে। ক'ভিদৰ পৰা পৰিত্ৰাণ পাবলৈ আমাক বহু অৰ্থৰ প্ৰয়োজন। সেই কাৰণে মই আজি এই কৰ্ত্তণ প্ৰস্তাৱটো বিৰোধীতা কৰিছো। বিৰোধীক অনুৰোধ কৰিছো যে এই কৰ্ত্তণ প্ৰস্তাৱটো তেওলোকেও উঠাই লওঁক। আগন্তুক দিনত আমাৰ ৰাজ্যখন সুস্বাস্থ্যৰ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ আপোনালোকৰ ফালৰ পৰা সম্পূৰ্ণ সহযোগিতা পাম বুলি আশা ৰাখি এই কৰ্ত্তণ প্ৰস্তাৱটোক মই বিৰোধীতা কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** আমাৰ গল ব্লাডাৰ, এপেনডিক্স বেমাৰ পাহৰি যোৱা নাই। এতিয়া হস্পিটেল বিলাকত ক'ভিডৰ লগে লগে এইবিলাকৰো ট্ৰিটমেন্ট চলি আছে। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বিৰোধীয়ে আমাৰ

চিকিৎসা আৰু জনস্বাস্থ্য বিভাগৰ যিটো মঞ্জুৰী তাৰ বিপৰীতে কৰ্ত্তণ প্ৰস্তাৱ আনিছে। কৰ্ত্তণ প্ৰস্তাৱটো অনাৰ এটা মূল কথা হৈছে যে প্ৰস্তাৱটোৰ জৰিয়তে যাতে আলোচনা কৰি কিছু কথা কোৱাৰ সুযোগ পাব পাৰে। তাৰ বাবে এটা পন্থা কেৱল আজিয়েই নহয় এইটো বহু বছৰৰ পৰাই চলি আহিছে। আশা ৰাখিছো যে কৰ্তন প্ৰস্তাৱটো তেওঁলোকে শেষত উঠাই ল'ব। মই এই কৰ্ত্তণ প্ৰস্তাৱৰ বিৰোধীতা কৰি কিছু কথা ক'ব ওলাইছো। এইখিনিতে যদি আমি চাওঁ ৬-৭ বছৰ আগত অসমৰ স্বাস্থ্য বিভাগৰ যিটো অৱস্থা, বিগত ৫-৬ টা বছৰত আমি আমূল পৰিৱৰ্ত্তন আনিবলৈ সক্ষম হৈছো। এইটো মইয়ে নহয় বিৰোধী দলেও স্বীকাৰ কৰিব লাগিব। ২০১৬ চনত বি জে পিৰ মিত্ৰ জোঁটৰ চৰকাৰ আছিল। স্বাস্থ্য বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ হিচাপে লৈছিল আৰু বিভিন্নধৰনৰ পদক্ষেপ লৈ আহিছে। আমাৰ অসমত যিকেইখন চিকিৎসা মহাবিদ্যালয় এতিয়া আছে, তাৰ আন্তগাঁথনি আজি যথেষ্ঠ পৰিৱৰ্তন হোৱা দেখা গৈছে। অকল সেইকেইখন মহাবিদ্যালয়েই নহয় ইতিমধ্যে আমাৰ অসমত আৰু কেইবাখনো নতুনকৈ মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে আৰু নতুনকৈ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ উদ্দেশ্যটো হৈছে যাতে অসমৰ জনসাধাৰণে বিশেষকৈ যাতে ৰোগীসকলে স্বাস্থ্যৰ ক্ষেত্ৰত সু-চিকিৎসা পাব পাৰে তাৰ বাবে এনেধৰণৰ পৰিকল্পনা লৈ আগবাঢ়িছে। আমি দেখিছো যে আজি বিৰোধী দলৰ দুই এগৰাকী মাননীয় সদস্যই কৈছে যে আজি বহু চিকিৎসালয়ত FRU, 30 baded Hospital বা CHC য়েই হওঁক তাত ডাক্তৰৰ অভাৱ আছে। এইটো হয়। কিন্তু এই ডাক্তৰৰ অভাৱ পূৰণৰ ক্ষেত্ৰত আজি যিবিলাক চিকিৎসালয় নতুনকৈ নিৰ্মাণ কৰি থকা হৈছে বা যিবিলাক ইতিমধ্যে আৰম্ভ হৈছে সেই চিকিৎসালয় সমূহৰ পৰা নিশ্চয় বহু ডাক্তৰ পাছ কৰি তাৰ পৰা ওলাই আহিব। ওলাই অহাৰ পিছত নিশ্চয় আমাৰ ডাক্তৰৰ যিটো অভাৱ সেই ক্ষেত্ৰত অনাগত দিনত অসমৰ স্বাস্থ্য বিভাগ নিশ্চয়কৈ সম্পূৰ্ণৰূপে সফল হ'ব। এনেধৰণে বিভিন্ন ধৰণৰ পদক্ষেপ আজি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। আমি যদি চাওঁ অসমত যিবিলাক CHC, FRU বা 30 baded Hospital আছে, সেইবিলাক উন্নয়নৰ ক্ষেত্ৰতেই হওঁক বা আন্তঃগাঁথনিৰ ক্ষেত্ৰতেই হওঁক বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা আমি দেখিবলৈ পাইছো। আগতে যি পৰিমাণে ডাক্তৰৰ অভাৱ আছিল আজি কিন্তু সেই ডাক্তৰৰ অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছে। মই কোৱা নাই যে আমাৰ ৰাজ্যখনত ডাক্তৰৰ অভাৱ নাই, অভাৱ আছে। চিকিৎসালয় সমূহত আৰু ডাক্তৰৰ প্ৰয়োজন আছে। কিন্তু আমাৰ যিসকল ডাক্তৰ আছে সেইসকলক আজি অসমৰ বিভিন্ন প্ৰান্তত নিযুক্তি দিয়াৰ ক্ষেত্ৰত যি পৰ্য্যায়ক্ৰমে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে । তাতো কৈ ডাঙৰ কথাটো হৈছে বিগত ডেৰ বছৰত ক'ভিড অতিমাৰীৰ বাবে ডাক্তৰৰ বা চিকিৎসালয়ৰ ক্ষেত্ৰত আমি যথেষ্ট অভাৱ অনুভৱ কৰিছো। কিন্তু ক'ভিডৰ ক্ষেত্ৰত আজি অসম চৰকাৰে বা স্বাস্থ্য বিভাগে যিদৰে পদক্ষেপ লৈছে তাৰ বাবে আমি স্বাস্থ্য বিভাগ আৰু ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। আজি ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগত ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত তুলনা কৰিলে আমি দেখিম যে ৰাজ্যচৰকাৰ সম্পূৰ্ণভাৱে সক্ষম হৈছে। আজি ক'ভিডৰ সমান্তৰালকৈ অন্য ৰোগৰ ক্ষেত্ৰতো সমান্তৰালকৈ চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। এইটো আমাৰ স্বাস্থ্য খণ্ডৰ বাবে এটা অতি সু-খবৰ। আমাৰ গুৱাহাটীত আয়ুৰ্বেদিক মহাবিদ্যালয় এখন আছে আৰু নতুনকৈ এখন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় বকোত স্থাপনৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিছে। মই আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে আয়ুৰ্বেদিক মহাবিদ্যালয় পূৰ্ণাংগ মহাবিদ্যালয় কৰাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে কাৰণ দেখা গৈছে যিখন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় আছে তাত ডাক্তৰ বা শিক্ষকৰ অভাৱ

আছে। অৰ্থাৎ পদসমূহ খালী হৈ থকা পৰিলক্ষিত হৈছে। যদি এইবিলাক পূৰণ নহয় এটা সময়ত আমাৰ এই আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় খন de-recognize হোৱাৰ সম্ভাৱনা যথেষ্ট পৰিমাণে আছে। গতিকে এই মহাবিদ্যালয়খন যাতে de-recognize নহয়, তাত যি ধৰণে শিক্ষক বা প্ৰফেচ'ৰৰ প্ৰয়োজন আছে তেনেধৰণৰ প্ৰফেচ'ৰ নিযুক্তি দি মহাবিদ্যালয়খনক যাতে de-recognize ৰ পৰা হাত সৰাব পাৰো তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাইছো।আজি আমি দেখিবলৈ পাইছো যে অসমত যি ধৰণে কেঞ্চাৰ ব্যপক হাৰত হ'বলৈ ধৰিছে তাৰ প্ৰতিও আমি লক্ষ্য ৰাখিছো আৰু আমাৰ চৰকাৰখনে তেনেধৰণৰ বিভিন্ন চিকিৎসালয় স্থাপনৰ ক্ষেত্ৰতো সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি কেঞ্চাৰ হস্পিতালৰ উপৰিও গুৱাহাটী চিকিৎসা মহাবিদ্যালয়তো এখন কেঞ্চাৰ হস্পিতাল নিৰ্মাণৰ সিদ্ধান্ত লৈ ইতিমধ্যে সম্পূৰ্ণ কৰি তাত চিকিৎসা আৰম্ভ কৰা হৈছে আৰু তাত কেম'থেৰাপি দিয়াৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি অসমৰ বিভিন্ন জিলাত পৰ্য্যায় ক্ৰমে কেঞ্চাৰ হস্পিতাল নিৰ্মাণৰ ক্ষেত্ৰতো ৰাজ্যচৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। যদি বিভিন্ন ধৰণৰ পদক্ষেপ লৈ এইদৰে স্বাস্থ্যখণ্ডটো আগুৱাই নিয়াৰ প্ৰয়াস কৰে তেনেহ'লে মই ভাৱো ৰোগীসকলক যিখিনি নুন্যতম সুবিধা প্ৰদান কৰিব লাগে সেই নুন্যতম সুবিধাখিনি নিশ্চয় আমাৰ ৰাজ্যচৰকাৰে দিবলৈ সক্ষম হ'ব। ইতিমধ্যে মাননীয় মুখমন্ত্ৰী ডাঙৰীয়া আৰু স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই স্বাস্থ্যখণ্ডত আমূল পৰিৱৰ্তনৰ কাৰণে বিভিন্ন পৰিকল্পনা লৈ আগবঢ়াটো আমাৰ পৰিলক্ষিত হৈছে আৰু সেইধৰণে এইবাৰ বাজেটতো প্ৰায় ৭লাখ ৩৩০ কোটি টকা মঞ্জুৰী ল'বৰ কাৰণে ধাৰ্য্য কৰিছে। কিন্তু এইখিনি টকাৰে নহ'ব। আমি যদি স্বাস্থ্যখণ্ডক আৰু বেছি আগুৱাই নিব লাগে তেনেহ'লে স্বাস্থ্যখণ্ডত অতিৰিক্ত ভাৱে পুঁজি আৱণ্টন দিব লাগিব। সেই সীমিত পুঁজিৰে আমি অসমৰ স্বাস্থ্যখণ্ডৰ গোটেই সমস্যাখিনি যে সমাধান কৰিব পাৰিম সেইটো কেতিয়াওঁ সম্ভৱ নহয়। সেয়ে মই বিৰোধী দলৰ মাননীয় সদস্যসকলক অনুৰোধ জনাইছো তেওঁলোকে যাতে এই কথাটো হৃদয়ংগম কৰে। মই ভাৱো আজি স্বাস্থ্যখণ্ডত বাজেটত যিখিনি টকা ধৰিছে সেই ক্ষেত্ৰত বিৰোধী দলৰ বিধায়কসকলে ও ক'ব লাগিছিল যে আজি বাজেটত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেইখিনি নিচেই কম আৰু ইয়াত অতিৰিক্ত পুঁজি ধাৰ্য্য কৰি স্বাস্থ্যখণ্ডত যিখিনি অসুবিধা আছে, চৰকাৰে যিখিনি পৰিকল্পনা কৰিছে সেইখিনি বাস্তৱত ৰূপায়ণ কৰক। গতিকে মই আশা ৰাখিছো যে বিৰোধী সকলে যাতে এই কথাবিলাক উত্থাপন কৰি স্বাস্থ্যখণ্ডত অতিৰিক্ত পুঁজি আৱণ্টন দিবৰ বাবে ৰাজ্যচৰকাৰক অনুৰোধ জনাই তেওঁলোকে যি কৰ্তন প্ৰস্তাৱ দিছে সেই কৰ্তন প্ৰস্তাৱ যাতে প্ৰত্যাহাৰ কৰে আৰু স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই স্বাস্থ্যখণ্ডক আগুৱাই নিবৰ বাবে যি পৰিকল্পনা হাতত লৈছে সেই পৰিকল্পনাক বাস্তৱত সফল ৰূপ দিবৰ বাবে আমি ঐক্যবদ্ধভাৱে এই বাজেটৰ ওপৰত আমাৰ যিখিনি কথা সেইখিনি অৱগত কৰি অতিৰিক্ত পুঁজি ধাৰ্য্য কৰাৰ পৰামৰ্শ দিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** আমাৰ কাৰণে ভাল খবৰ যে গুৱাহাটী মেডিকেল কলেজৰ যিখন কেঞ্চাৰ হস্পিতাল তাত ৰেডিঅ' থেৰাপি পি. জি. ৰ পোষ্ট চেংচন হৈছে। গতিকে আৰু ডাক্তৰ ওলালে আমাৰ ট্ৰিটমেণ্টৰ বাবে ভাল হ'ব। ইয়াৰ পিছত এ আই ইউ ডি এ ফ দলৰ সন্মানীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়া।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দু-আষাৰ ক'ব বিচাৰিছো আৰু পৱিত্ৰ সদনত মোক এই সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট বক্তৃতাৰ অন্তিমত বেদৰ এক শ্লোক উল্লেখ কৰিছিল।

সেই শ্লোকটো আছিল-

"আনু ভদ্রা ক্রতবো য়ন্ত বিশ্বন্তঃ"

অৰ্থাৎ বিশ্বৰ সকলো দিশৰ পৰা সকলো শুভ চিন্তা এই স্থানলৈ প্ৰৱাহিত হওঁক। কিন্তু প্ৰকৃতাৰ্থত ইয়ালৈ শুভ চিন্তা প্ৰবাহিত হোৱাত ক'ৰবাত যেন বাধাৰ সন্মুখীন হৈছে। সেইকাৰণে কিছু কথা যুক্তিযুক্তভাৱে, তথ্যগতভাৱে আৰু বাস্তৱ সন্মত দৃষ্টি-ভংগীৰে উনুকিয়াব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিছিলো যে ২০২০-২১ বৰ্ষত আৱণ্টিত বাজেটৰ revised estimate, মুঠ বাজেটৰ ৭.৪% আছিল আৰু এইবাৰ দেখা গৈছে যে Budget estimate ত ৭.১% ধৰা হৈছে। কিন্তু, চৰকাৰী পক্ষই চাগে পাহৰি গৈছে যে ইয়াতকৈ বেছি বাজেট বিভিন্ন ৰাজ্যই তেওঁলোকৰ স্বাস্থ্য ক্ষেত্ৰৰ বাবে ধাৰ্য্য কৰে। আমি যদি চাওঁ, কেন্দ্ৰীয় শাসিত ৰাজ্য হিচাপে দিল্লীয়ে প্ৰতি বছৰে প্ৰতি বাজেটত আমাতকৈ দুগুণ টকা ধাৰ্য্য কৰে। আমাৰ যদি ৭% থাকে, তেওঁলোকৰ ১৪% থাকে, আমাৰ ৮% হ'লে তেওঁলোকৰ ১৬% হয় যাৰ বাবে স্বাস্থ্য ক্ষেত্ৰত তেওঁলোকে দোপতদোপে আগুৱাই গৈছে। তেওঁলোকৰ IMR, MMR নাই, বহুত কম। কিন্তু আমাৰ ইয়াত সেইটো হোৱা নাই। উপাধ্যক্ষ মহোদয়, স্বাস্থ্য ক্ষেত্ৰৰ দুৰৱস্থাৰ যি ছবি সেইয়া মই অসমবাসী তথা সদনৰ জ্ঞাতাৰ্থে জনোৱাৰ অনুভৱ কৰিছো। স্বাস্থ্য ক্ষেত্ৰৰ অনুষ্ঠানসমূহ আমি যদি চাওঁ, তলৰ পৰ্যায়ত আমি Sub-Centre সমূহ দেখিবলৈ পাম। Sub-Centre সমূহৰ দুৰ্দশাই আমাক ভাৰাক্ৰান্ত ক ৰিছে। এইবোৰ ভাড়াঘৰত বা জুৰুলা পঁজা এটাত চলি আছে। আমি যদি তথ্য উনুকিয়াই চাওঁ, তেতিয়া দেখিবলৈ পাম যে ২০১১ বৰ্ষৰ লোকপিয়ল মতে ৰাজ্যত ৬,৮১৭ টা Sub-centre ৰ প্ৰয়োজন আছিল। কিন্তু, Indian Public Health Standardএ বান্ধি দিয়া টাৰ্গেট আমি চাৰিখন জিলাতহে পাবলৈ সক্ষম হৈছো। ২০১১ চনৰ পৰা ২০২১ চন পৰ্য্যন্ত আমি আমাৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হোৱা নাই। ই অতি দুৰ্ভাগ্যজনক কথা। বিগত সময়ত কোন চৰকাৰ, কোন স্বাস্থ্য মন্ত্ৰী, কোন বিত্ত মন্ত্ৰী আছিল, সেইবোৰ আলোচনা কৰাৰ প্ৰয়োজন নাই। কিন্তু, এটা কথা স্পষ্ট যে আমি ব্যৰ্থ হৈছো, স্বাস্থ্য খণ্ডত চৰকাৰখন ব্যৰ্থ হৈছে। তথ্যমতে Sub-Centre ৰ যি প্ৰয়োজনীয়তা আছিল, সেইয়া ১১খন জিলাত ৬০%ৰ তলত achievement আছে। এনে অৱস্থাই যদি ৰাজ্যখনত চলে, তেন্তে স্বাস্থ্য ক্ষেত্ৰখনক আমি কি দৰে আগুৱাই লৈ যাম? একে সময়তে, PHC সমূহৰ ক্ষেত্ৰত, ছয়খন জিলাত ৬০% ৰ তলত আৰু ১৯ খন জিলাত target achieve কৰিব পাৰিছে। একেদৰে, CHCৰ ক্ষেত্ৰত পাঁচখন জিলাত target achieve ক ৰিব পাৰিছে, কিন্তু ১০ খন জিলাত target achieve কৰিব পৰা নাই। এয়াই আমাৰ বৰ্তমানৰ স্বাস্থ্য ব্যৱস্থাৰ ছবি। এই ছবি যদি আমি উন্নত কৰিবলৈ হয়, তেন্তে শাসক-বিৰোধী দুয়ো পক্ষই অতি আন্তৰিকতা সহকাৰে এই বাজেটৰ ওপৰত যি আলোচনা হ'ব সেইখিনি বিৰোধীয়ে গ্ৰহণ কৰিব আৰু অনাগত দিনত সেইমৰ্মে কাৰ্য্যপন্থা হাতত ল'ব। আমি জানো যে- W.H.O.ই ডাক্তৰ আৰু জনগণৰ অনুপাতটো ১ঃ১০০০ হিচাপে নিৰ্ধাৰণ কৰি দিছিল। কিন্তু, আমাৰ অসমত ইয়াৰ অনুপাত হ'ল- ১ঃ১৪৫৩। তাৰ মানে, national average তকৈও আমি শোচনীয় অৱস্থাত আছো। এনে অৱস্থা হোৱাৰ কাৰণ কি? আমি যদি স্বাস্থ্য বিভাগৰ চাকৰি ক্ষেত্ৰত চাওঁ, তেওঁলোকে হয়তো ক'ব পাৰে যে চাকৰিত নতুনকৈ মকৰল কৰিব বা পদ সৃষ্টি কৰিব। কিন্তু, বৰ্তমানৰ অৱস্থাটো আমি জানি লোৱাৰ প্ৰয়োজন হৈছে। আমি N.H.M. আৰু regular post সমূহ, সকলোখিনি মিলাই চাওঁ, তাত Doctor, ANM, Staff Nurse, Pharmacist কে ধৰি ৩,৭১৫টা পদ খালী হৈ আছে। বিভিন্ন সময়ত MBBSৰ অভাৱ হোৱা

বুলি কোৱা হয়। যদি MBBSৰেই অভাৱ, তেন্তে এইখন ৰাজ্যতে ইমানবোৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় কেনেদৰে চলি আছে? সেইবোৰ চিকিৎসালয়ে ডাক্তৰ ক'ৰ পৰা পায়? কিন্তু, চৰকাৰী খণ্ডৰ চিকিৎসালয়ে ডাক্তৰ নাপায়। গতিকে, এই ক্ষেত্ৰত মই ভাৱো যে চৰকাৰখনে কিবা আইন বা নীতি প্ৰনয়ণ কৰাৰ প্ৰয়োজন আছে। ইয়াৰ দ্বাৰা চৰকাৰী খণ্ডত কি লেকুণা আছে সেইটো চালি-জাৰি চাই ডাক্তৰ নিয়োগৰ ব্যৱস্থা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আজি অতি দুৰ্ভাগ্যৰে ক'বলগীয়া হৈছে যে- Specialist Doctor, MBBS, Medical officer ৰ ১৪২৭ টা approved post খালী আছে। একে সময়তে, N.H.M. ৰ অধীনত প্ৰায় ১১৪০ জন ডাক্তৰক চলাই থাকিব লগীয়া হৈছে। আমি কেৱল ঠিকা ভিত্তিক ডাক্তৰৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। N.H.M. ৰ অধীনত প্ৰায় ২১ হাজাৰ para-medical worker স্বাস্থ্য বিভাগত নিয়োজিত হৈ আছে। গতিকে, চৰকাৰখনৰ মূল বিভাগত ইমানবোৰ পদ খালী হৈ থকাৰ পিছতো ঠিকা ভিত্তিক চিকিৎসকৰ ওপৰত আমি নিৰ্ভৰশীল হৈ থকাটো আচলতে ঠিক কথা নহয়। মহোদয়, আমি আৰু এটা কথা গভীৰ ভাৱে লক্ষ্য কৰিছো যে বিভিন্ন মেডিকেল কলেজত যিসকল সন্মানীয় Professor, Doctor, Registrar নিয়োজিত হৈ আছে তেওঁলোকে স্ব-ইচ্ছাৰে পদত্যাগ কৰিছে। তেওঁলোকৰ পদত্যাগ নাকচ হোৱা নাই, কিন্তু তাৰ পিছতো তেওঁলোকে চিকিৎসালয়ত যোগদান কৰি থকা নাই। এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে ভালকৈ জানে। এই অৱস্থা যদি চালি-জাৰি চোৱা নাযায়, ইয়াৰ যদি বিশ্লেষণ কৰা নাযায়, তেন্তে ৰাজহুৱা খণ্ডত যি স্বাস্থ্য অনুষ্ঠান আছে, সেই অনুষ্ঠানবোৰ জহি-খহি যাবলৈ বা শোচনীয় হ'বলৈ বেছি দিন নালাগিব। এনে গুৰুত্বপূৰ্ণ দায়িত্বত যিসকল চিকিৎসক নিয়োজিত হৈ থাকে, তেওঁলোকে VRS লোৱাৰ ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ে কৈছে যে- Govt. Doctors' right to Voluntary Retirement is not absolute and can be curtailed in public interest. গতিকে, তাৰ পিছতো যদি তেওঁলোকে মনা নাই, তেন্তে স্বাস্থ্য বিভাগে তেওঁলোকৰ ক্ষেত্ৰত কি বিহীত ব্যৱস্থা লৈছে তাৰ কোনো স্পষ্ট নিৰ্দশন বা স্পষ্ট কথা-বতৰা মুখ্যমন্ত্ৰী মহোদয় বা মন্ত্ৰী মহোদয় বা চৰকাৰৰ তৰফ পৰা পোৱা নাই। এই লোকসকলে যে VRS ল'ব বিচাৰিছে তাৰ অন্তৰ্নিহিত কাৰণটো কি? ইয়াৰ কাৰণ এইটোৱেই যে নাৰ্চিংহোম সমূহত মোটা অংকত দৰমহা পোৱা, এটা Operation ৰ নামত বহুত টকা পোৱা । কিন্তু, চৰকাৰী স্বাস্থ্য খণ্ডৰ যদি এনে শোচনীয় অৱস্থা হয়, তেন্তে, দৰিদ্ৰ, খাতি খোৱা লোকসকলৰ কি হ'ব? যি সকল লোকে টকাৰ অভাৱত চিকিৎসা কৰিব নোৱাৰে বা দুবেলা-দুমুঠি খাব নোৱাৰা জনে চৰকাৰী স্বাস্থ্য খণ্ডৰ ওপৰতে ভৰসা কৰে। এনে ক্ষেত্ৰত আমি যদি তেওঁলোকক বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজৰ নিচিনা মেডিকেল কলেজত চিকিৎসাৰ বাবে পঠিয়াই দিওঁ তেন্তে নহ'ব। আনহাতে, Superspeciality Hospital ৰ ক্ষেত্ৰত দেখিবলৈ পাইছো যে সমগ্ৰ অসমত, যদি মোৰ ভুল হোৱা নাই, তিনিখন মেডিকেল কলেজত superspeciality ৰ ব্যৱস্থা introduce কৰা হৈছে। Guwahati Super speciality Hospital খন ভালদৰে চলিছে কিন্তু, AMC আৰু SMC ভালকৈ চলা নাই। জৰুৰীকালীন অৱস্থা বা দুৰ্ঘটনা বা Neuro ৰ কোনো কেচ আহিলে বৰপেটাৰ সাধাৰণ মানুহকো গুৱাহাটীলৈ refer কৰিব লগীয়া হয়। ধুবুৰীৰ ক্ষেত্ৰতো ঠিক একেই অৱস্থা। আমি বিভাগৰ ঊৰ্ধতম কৰ্তৃপক্ষ বা চৰকাৰী আমোলাক সুধিছিলো যে আচলতে সমস্যাটো ক'ত? আমাৰ ইয়াতো MD হৈছে, DM হৈছে, তাৰ পিছতো তেওঁলোক ক'লৈ যায়? কিন্তু তেওঁলোকৰ উত্তৰ একেবাৰে হতাশজনক। আৰু এইবোৰ কাৰণতেই আমাৰ ইয়াতে চাকৰি কৰিব নিবিচাৰে। মহোদয়, যদি মোৰ ভুল হোৱা নাই,

MBBS পঢ়াওঁতে অসমৰ এজন ছাত্ৰৰ নামত ৫০-৬০ লাখ টকা চৰকাৰী ৰাজকোষৰ পৰা খৰচ হয়। তাৰ পিছত তেওঁলোকে ইয়াত মাত্ৰ এবছৰ কাম কৰি অন্য ঠাইলৈ গুছি যোৱা কথাটো আমি মানি ল'ব নোৱাৰো। গতিকে, ৰাজহুৱা স্বাস্থ্য খণ্ডক যদি চৰকাৰে বৰ্তাই ৰাখিব বিচাৰে তেন্তে এনে ক্ষেত্ৰত যদি কোনো আইন প্ৰনয়ণৰ প্ৰয়োজন হয় তেন্তে চৰকাৰ আগবাঢ়িব পাৰে। মহোদয়, ৰাজ্যখনৰ জিলা আৰু মহকুমা সমূহত প্ৰায় ৪০ খন অসামৰিক চিকিৎসালয় আছে আৰু তাৰে ১১খন চিকিৎসালয়ত I.C.U.ৰ ব্যৱস্থা আছে। এই ক'ভিড কালত I.C.U.ৰ প্ৰয়োজনীয়তা আমি সকলোৱে উপলব্ধি কৰিব পাৰিছো। আমি যদি চাওঁ- অসম-নাগালেণ্ড আৰু বাংলাদেশ সীমান্তত থকা অসমৰ দক্ষিণ-শালমাৰা আৰু ধুবুৰী এই দুয়োখন জিলাৰ স্বাস্থ্যখণ্ডত এখনো ICU bed নাই। দক্ষিণ-শালমাৰাৰ ৰোগীক ICU ত ততাতৈয়াকৈ ভৰ্তি কৰিবলগীয়া হ'লে তেওঁলোকৰ নিকটৱৰ্তী জিলা গোৱালপাৰালৈ আনিব লগীয়া হয় আৰু ধুবুৰীৰ পৰা আহিলে কোকৰাঝাৰলৈ আনিব লগীয়া হয়। মহোদয়, যদি মোৰ ভুল হোৱা নাই, চৰকাৰী তথ্য মতে গোৱালপাৰাত মাত্ৰ ৬ খন আৰু কোকৰাঝাৰত মাত্ৰ ১৬ খন ICU bed আছে। এই ফালৰ পৰা গুৱাহাটী পাৰ হৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে গৈ থাকো তেন্তে এনে একো সুবিধা পাবলৈ নাই। এনে অৱস্থাৰ পৰা হাত সাৰিবলৈ উপায় কি? সেই পথৰ সন্ধান আমি বিচাৰো। মহোদয়, মোৰ গৃহ জিলা বৰপেটাৰ যি অসামৰিক চিকিৎসালয় কলগাছিয়াত আছে সেই চিকি ৎসালয়খনত ১১ টা পদ খালী হৈ আছে। তাৰে ৭ টা চিকিৎসকৰ পদ। গুৰুত্বপূৰ্ণ কথা এয়া যে Indian Public Health standard ত চিকিৎসকৰ ক্ষেত্ৰত প্ৰথম স্থানত উল্লেখ থকা Medicine বিভাগত দুজন Doctor থাকিব লাগিছিল। কিন্তু তাত এজনো Medicine বিভাগৰ ডক্টৰ নাই। মোৰ আগৰ বক্তাজনে কৈ গৈছে যে Medicine বিভাগৰ ডক্টৰ নথকাৰ ফলত যিহেতু তাত Covid care বনোৱা হৈছে তাত Remdesivir দিব পৰা নাছিল। এই অৱস্থাটো বাৰম্বাৰ চৰকাৰক অৱগত কৰোৱা হৈছিল কিন্তু তাৰ পিছতো Medicine বিভাগৰ MD বিচাৰি নোপোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। তাৰ কাষতে ফকৰুদ্দিন আলী মেডিকেল কলেজ আছে। এইখন মেডিকেল কলেজত যদি work load কমাব লাগে, অভয়াপুৰীৰ পৰা আৰম্ভ কৰি সেই বৃহত্তৰ অঞ্চলৰ ৰোগী সকলক যদি আমি ভাল ব্যৱস্থা দিবলৈ বিচাৰো তেতিয়াহ'লে বৰপেটা অসামৰিক চিকিৎসালয়, কলগাছিয়াখনক উন্নত কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰিব বিচাৰিছো। আপোনালোকে নিশ্চয় জানে যে অসমৰ প্ৰায় ৮ শতাংশ মাটিকালি বিভিন্ন নদ নদীয়ে আগুৰি আছে। সমান্তৰালকৈ নৈৰ ইপাৰ -সিপাৰ আৰু সোমাজত বহু মানুহে বসবাস কৰে আৰু অসমত এনেকুৱা প্ৰায় ২২৫১ খন গাওঁ আছে আৰু ইয়াত ৰাজ্যৰ যথেষ্ট সংখ্যক লোকে বসবাস কৰে। এই লোকসকলে যোগাযোগ আৰু যাতায়াতৰ অভাৱত বিভিন্ন সময়ত স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ থাকে। এই সমস্যাসমূহ overcome কৰিবলৈ চৰকাৰে এটা ব্যৱস্থা লৈছিল। সেইটো হৈছে Boat Medical Unit.২২৫১ খন গাওঁ ৰ কাৰণে মাত্ৰ ১৫ খন Boat Medical Unit লোৱা হ'ল। এই দুৰ্গম অঞ্চল সমূহত বসবাস কৰা লোকসকলক যদি ততাতৈয়াকৈ চিকিৎসালয়লৈ নিব লগা হয় তাৰ কাৰণে মাত্ৰ ৬-৭ খন Speed Boat Ambulance আছে। এইটো দুৰ্ভাগ্যজনক। আমি আশা কৰিছো এই যিটো Boat Medical Unit আৰু Speed Boat Ambulance ৰ shortage আছে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব। এতিয়া সংকটৰ সময়। ক'ভিডৰ দুটা ঢৌৱে আমাক জোকাৰি গল আৰু আমাৰ বিৰোধী আৰু চৰকাৰ সকলোৱে

বুজি উঠিছে যে চৰকাৰখন কিমান শক্তিশালী। এই সময়ত আমি কিছুমান কথা মুকলিমুৰীয়াকৈ পতাৰ প্ৰয়োজন আছে। বৰ্তমান ক'ভিডৰ টীকাকৰণৰ প্ৰক্ৰিয়াটো কোনটো স্তৰত আছে। Cowin ৰ তথ্যমতে ৩ আগষ্ট ২০২১ তাৰিখলৈকে ২০.২৩ লাখ লোকক দুপালিকৈ টীকা দিয়া হৈছে। চৰকাৰৰ ধাৰণামতে ১৮ বছৰ অনুৰ্দ্ধৰ জনসংখ্যা ২ কোটি ৩১ লাখ। গতিকে আমি ক'ব পাৰো যে ৮.৭৫ শতাংশ লোককহে সম্পূৰ্ণ টীকাকৰণ কৰা হৈছে এতিয়ালৈকে। যদি এয়া ভুল হৈছে অথবা শুদ্ধ হৈছে মন্ত্ৰী মহোদয়ে টিপ্পনী দিব। চৰকাৰে বান্ধি দিয়া লক্ষ্য অনুসৰি ২০২১ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত অসমত সম্পূৰ্ণ টীকাকৰণ কৰিবলৈ মাহে ৭৫ লাখ ভেকচিনৰ প্ৰয়োজন আছে বুলি কৈছিল। কিন্তু প্ৰাপ্ত তথ্যমতে যোৱা ১ জুলাইৰ পৰা ৩ আগষ্টলৈকে মাত্ৰ ৪৪ লাখ পালিহে টীকা প্ৰদান কৰিছিল। ২১ জুনৰ পৰা ৩০ জুনলৈ চৰকাৰে মুঠ ৩০ লাখ লোকক টীকা দিবলৈ লক্ষ্য বান্ধি লৈছিল। কিন্তু ইয়াৰে মাত্ৰ দুটা দিনতহে এই লক্ষ্যত উপনীত হ'ব পাৰিছিল। আনহাতে এনে দিনো গৈছে যি দিনত সমগ্ৰ ৰাজ্যত মাত্ৰ ১৪,৫০০ লোককহে ভেকচিন দিব পাৰিছিল। সামগ্ৰীকভাৱে এই ১০ দিনত ১৬.৬৩ লাখ লোকক ভেকচিন দিয়া হৈছিল। অৰ্থাৎ চৰকাৰে যি লক্ষ্য বান্ধি লৈছিল তাৰ ৪৫ শতাংশও achieve কৰিব পৰা নাছিল।

**মাননীয় উপাধ্যক্ষ ঃ** সোনকালে শেষ কৰক। নহ'লে আপোনাৰ দলৰ বাকী কেইজন সদস্যৰ পৰা সময়টো কটা খাব।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা আলোকচিত্ৰ প্ৰকাশ কৰিব বিচাৰিছো। এই আলোকচিত্ৰ লেহী দুই নং এল পি স্কুলৰ। ইয়াত মানুহে ৰাতি লাইন ধৰি আছে। আঁঠুৱা টানি তাত শুই আছে যে তেওঁলোকে অহাকালি ভেকচিন ল'ব। কিন্তু তেওঁলোকে ভেকচিন নাপালে। ইয়াৰ অৰ্থ এইটোৱে যে আমাৰ ইয়াত ভেকচিনৰ যোগান কম। কেন্দ্ৰই আমাক মাহী আইৰ দৃষ্টিৰে চায় নেকি এই প্ৰশ্নটো ইয়াত উত্থাপন হয়। মই আশা কৰিম আমাৰ দলপতিয়ে মোৰ সময়টো বঢ়াই দিয়ে। এইখিনিতে আমি আৰু কেইটামান কথা উল্লেখ কৰিব লাগিব। যিসকল ক'ভিড যোদ্ধা, যিসকলে ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰথম শাৰীত থিয় দিছিল তেখেত সকলক আমি উৎসাহিত কৰিছিলো, চৰকাৰেও উৎসাহিত কৰিছিল। তেনেকুৱা NHM ৰ ২১ হাজাৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰি সুনিশ্চিত কিন্তু এতিয়ালৈকে হোৱা নাই। ৫ শতাংশ বৰ্দ্ধিত হাৰত যিদৰে দৰমহা দিয়াৰ কথা আছিল সেয়াও হৈ উঠা নাই। একেদৰে ৰাজ্যত আশা কৰ্মী সকলে তৃণমূল পৰ্য্যায়ত যিদৰে service দিছে তেওঁলোকে কাম অনুযায়ী incentive পোৱা নাই। এইখিনি তেওঁলোকৰ কাৰণে পৰ্য্যাপ্ত নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ দলৰ দলপতিয়ে লিখিত দিয়ক যে তেখেতসকলৰ সময় কৰ্ত্তন কৰি আপোনাক সময়টো বঢ়াই দিছে বুলি। আপোনালোকৰ সময় আৰু ১৫ মিনিট আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, ১০৪ আৰু ১০৮ ত কৰ্মৰত কৰ্মচাৰী সকলে যিদৰে ইমান বছৰে সেৱা আগবঢ়াই আহিছে সেয়া আমি নিজ চকুৰে দেখিছো। ক'ভিডৰ সময়ত তেখেতসকলে কিদৰে অক্লান্ত শ্ৰম কৰিছিল আমি দেখিছো। ইমানৰ পিছতো তেওঁলোকৰ চাকৰিৰ কোনো নিশ্চয়তা নাই। সামান্য দৰমহাত তেওঁলোকে কাম কৰিবলগা হৈছে। তেওঁলোকৰ কাৰণে আমি সদয় হোৱাৰ প্ৰয়োজন হৈছে। চৰকাৰে তেওঁলোকৰ প্ৰতি দৃষ্টি দিয়াৰ প্ৰয়োজন আছে। একেটা সময়তে আয়ুসৰ অধীনত BSC Nurse আৰু BAMS ৰ আয়ুৰ্বেদিক আৰু হোমিও চিকিৎসক সকলৰ চাকৰিৰ নিৰাপত্তা নাই। আমি সেই practice টোকেই বাদ দিব বিচাৰি আছো। আমি এই practice টো কেলেই বাদ দিব লাগে? যিসময়ত আয়ুস মন্ত্ৰালয়ক

উদগনিহে জগাই আছে সেই সময়ত এই practice টো বাদ দি ৰাস্তাটো বন্ধ কৰি এটা ধাৰা আৰু ধাৰণা শেষ কৰাটো ভাল নহয় বুলি মই অনুভৱ কৰো।

মহোদয়, যিসকল ক'ভিড চাফাই কৰ্মীৰ কথা কোৱা হৈছিল, তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু তেওঁলোকে তিনি চাৰি মাহ কৰিব পাৰিলে, তেওঁলোকক break দিয়া হ'ল। তেওঁলোকক মিছা প্ৰলোভন দিব নালাগিছিল। কাৰণ তেওঁলোকে নিজৰ জীৱনক বাজি ৰাখি কাম কৰিবলৈ আহিছিল। মানুহে তেওঁলোকক ভাল চকুৰে চোৱা নাছিল। কিন্তু তাৰ পিছতো তেওঁলোকৰ চাকৰিৰ কোনো নিৰাপত্তা নহ'ল। নিবনুৱা স্বাস্থ্য কেন্দ্ৰত অস্থায়ীভাৱে কৰ্মৰত কৰ্মচাৰী সকল, যিসকলক society under ত নিযুক্তি দিয়া হৈছিল, যিসকলক Managing Committee নিযুক্তি দিছিল তেনেকুৱা হাজাৰ হাজাৰ কৰ্মচাৰী সমগ্ৰ অসমত আছে। তেওঁলোকে ১০০০-৪০০০ টকাৰ ভিতৰত কাম কৰি আছে তেওঁলোকৰ কথাটো ভৱাটো প্ৰয়োজনীয়। তেওঁলোকে বিগত ৫ টা মাহে দৰমহা পোৱা নাই বুলি আমাক কৈছে। গতিকে মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যাতে তেওঁলোকক আমি কিবা প্ৰকাৰে সহায় কৰিব পাৰো নেকি? এইটো এটা গুৰুত্বপূৰ্ণ বিষয়।

আন এটা গুৰুত্বপূৰ্ণ বিষয় অস্বাভাৱিক হাৰত মৃত্যুৰ পঞ্জীয়ন হৈছিল ২০২০ চনৰ আগষ্ট মাহৰ পৰা নবেম্বৰ মাহলৈ। RGI ৰ অধীনস্থ civil registration system ত আগষ্ট মাহৰ পৰা নবেম্বৰ মাহলৈ ২০২০ চনত ৭৭,৮৪৫ জন লোকৰ মৃত্যু পঞ্জীয়ন কৰা হৈছিল। কিন্তু দেখা যায় যে ২০১৮ আৰু ২০১৯ চনত এই চাৰিটা মাহত গড়ে ৫০,০৮০ লোকৰ মৃত্যু পঞ্জীয়ন হৈছিল। কিন্তু ২০১৮ আৰু ২০১৯ ৰ তুলনাত ২০২০ চনত যেতিয়া ক'ভিড চলি আছিল সেইটো সময়ত ২৮০০০ ৰবো অধিক লোকৰ মৃত্যুৰ পঞ্জীয়ন হোৱাটো অস্বাভাৱিক যেন লগা নাইনে? এই পঞ্জীয়ন হঠাৎ বাঢ়ি যোৱাৰ কাৰণটো কি? হঠাৎ যে registration টো বাঢ়িলে, আগতে register কিয় হোৱা নাছিল এই কথাবিলাক প্ৰশ্ন উত্থাপন হয়। এইবিলাকৰ ওপৰত অনাগত দিনত চকু ৰাখিব লাগে। আমি দেখিছো যে জন্ম মৃত্যুৰ পঞ্জীয়নৰ হাজাৰ হাজাৰ form পৰি আছে পঞ্জীয়কৰ ওচৰত। কিন্তু পঞ্জীয়কৰ অভাৱত সেই সমূহ পঞ্জীয়ন হোৱা নাই। গতিকে সমগ্ৰ ৰাজ্যৰ এই ব্যৱস্থাটো চৰকাৰে চাব লাগে। শেষত মই মোৰ সমষ্টিৰ দুটামান কথা উল্লেখ কৰিব বিচাৰিছো। মোৰ চেংগা সমষ্টিটো এটা বৃহৎ সমষ্টি। চাৰিখন চিকিৎসালয়ত এতিয়ালৈকে এখনতো institutionl delivery ৰ ব্যৱস্থা নাই। তেওঁলোকে যদি তাৰ পৰা আহিব লগা হয় তেতিয়া নদীপাৰ হৈ আহিব লাগে, । তাৰোপৰি আজিকালি ভুটভুটি নাওঁৰো যাতায়ত বন্ধ কৰিছে গতিকে যাতায়তৰ কোনো বিকল্প ব্যৱস্থা নাই। আজি কেইবা মাহো ধৰি Ambulance সেৱাও বন্ধ হৈ আছে, গতিকে এই ব্যৱস্থাৰ মাজেৰে যদি স্বাস্থ্যখণ্ড আগবাঢ়ি যাব লাগে তেতিয়া হলে দেশৰ উন্নতি কি দৰে আশা কৰিমঙ্গ গতিকে বিৰোধী হিচাপে চৰকাৰক সমালোচনা কৰাটোৱেই আমাৰ দায়িত্ব নহয়, ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উন্নতি বিচৰাটোও আমাৰ ইচ্ছাৰ বহিঃপ্ৰকাশ।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. Your time is over. Please conclude. Thank you so much. যদি মোৰ ভুল হোৱা নাই, চৰকাৰী তথ্য মতে আজি প্ৰায় এসপ্তাহ আগতেই এক কোটি ভেকচিনেছন প্ৰদানৰ কাম অসমত সম্পূৰ্ণ কৰা হৈছে, এইটোও আমাৰ বাবে এটা ভাল খবৰ। এতিয়া সদনত বক্তব্য ৰাখিব মাননীয়া বিধায়িকা নন্দিতা গৰ্লোচা ডাওৰীয়ানীয়ে।

**Smti. Nandita Gorlosa, MLA, Haflong :** Hon'ble Deputy Speaker, I raise to oppose the Cut Motion on Grant No.

29 brought by the Opposition of this August House. First of all, I would like to say that we are really thankful to our Hon'ble Finance Minister for bringing the Budget particularly for the Medical and Public Health Department. We already understand that 2 (two) years have been spent fighting the virus of CoViD-19 and I, from the bottom of my heart and on behalf of the Assembly House, would like to thank the Medical Staff all over Assam for providing free CoViD testing and Treatment, and saving the lives of so many people in Assam.

We know that this Budget which had been placed in the August House is not only for one district, it covers all districts of Assam along with many departments under Health deptt is covered. We have seen 5 (five) numbers of Medical Colleges are coming up in Assam in areas like Golaghat, Morigaon, Bongaigaon, Tamulpur, etc. We have seen that not only Medical Colleges are coming up, various Sub-Centres are also being upgraded. We have seen that 1000 numbers of Sub-Centres and Medical Wellness & Health Centres and PHEs will be upgraded the new course of time. This will make the people find the best health facilities near in their own places. So, We cannot say that this budget for the year 2021 is not proper and that is why I stand to show the positive side of the Budget.

During the time of the pandemic also, various schemes have been launched. If the breadwinner of the house dies, we have "Widow Scheme". For children also, we have "Shishu Scheme". Children/Students below 15 years will be covered under this scheme. School students will be given laptops. Rs. 50,000/- will be given to the girls if they are supposed to get married. Not only that, if we observe the other parts of this Budget, we can see that "Assam Cancer Care Foundation" has also been taken into account. Districts like Dibrugarh, Barpeta,

Tezpur, Lakhimpur, Mongoldoi, Kokrajhar, Jorhat, Diphu, Silchar and even Guwahati come under the Assam Cancer Care Foundation by TATA Trust. So, based on this, my point is that Blood Banks of the respective districts are supposed to be upgraded by GMC. Two new Blood Banks will also be made in Lakhimpur and Nagaon districts. The way they have been said that this budget is not good for the people of Assam, I strongly oppose the views of the Opposition as this budget introduces and includes many welfare schemes for the general people of Assam.

To elaborate more on it, if you are going to different areas, Ayurvedic and Homeopathic and a lot of other subjects have been discussed. It is of our concern that all this will also come into it. I hope the government will also look into it and if does come into force, various placement opportunities may come up as some of the areas are giving emphasis on Ayurvedic and Homeopathic treatment. My part on this will be same.

I support this budget because it has covered every nook and corner of Assam and basically from the last 2 (two) years and we understand how the State is facing the CoViD situation. To overcome the pandemic situation of our State is a matter of great concern and giving importance to the people of CoViD affected areas in and around Assam is really a great concern. I would also like to take this great opportunity to say that in India, we have come across CoViD stage overall in a very good manner. When we speak about the Cancer Care Foundation, I do not say that Assam is depending on other areas, rather the entire Northeast depends on Assam in terms of medical help. That is why we say that The Gateway of Assam, Guwahati is in making Multi-Speciality Hospital. So, we must come to the Assembly and we need to state our concerns as a whole. If I am talking about the overall budget, it is for Assam, of Assam

and this is a very good one which covers every nook and corner of Assam has been covered Covid and so it has been given more importance of Covid or I support this budget. Thank you so much.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া লৰেন্স ইছলাৰী, আপুনি কৰ?

**শ্ৰী লৰেন্স ইছলাৰী (পূব কোকৰাঝাৰ) ঃ** মোৰ ক'বলগীয়া নাই। এতিয়া মাননীয় সদস্য শ্ৰী নিজামুদ্দিন চৌধুৰী।

**শ্ৰীনিজাম উদ্দিন চৌধুরী (আলগাপুর) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাবের স্বপক্ষে আমাকে এই পবিত্র সদনে আমার সমষ্টির কিছু গুরুত্বপূর্ণ সমস্যা তুলে ধরার সুযোগ করে দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ জানাচ্ছি। অধ্যক্ষ মহোদয়, বিগত ১৬ জুলাই এই পবিত্র সদনে আমার একটা প্রশ্ন ছিল কালিনগর হাসপাতালের বিল্ডিং নিয়ে। আমাদের মন্ত্রী মহোদয় তিন ঘণ্টার ভিতরে এই হাসপাতালের সব তথ্য আমার হাতে তুলে দেওয়ার জন্য আমি মন্ত্রী মহোদয়কে এই সদনে ধন্যবাদ জানাচ্ছি। যদিও আমি বিরোধী দলে রাজনীতি করি, কিন্তু সব কিছুতে বিরোধিতা করা উচিত নয়। এই কভিড মহামারীর সময় আমাদের বরাকের একমাত্র হাসপাতাল শিলচর মেডিক্যাল কলেজ, আর সেই মেডিক্যাল কলেজে আমাদের বরাক উপত্যকার ১৫টি সমষ্টির মানুষের সমান অধিকার আছে। সেই হাসপাতালে ১২৪টি আই সি ইউ দেওয়া হয়েছে করোনা মহামারীর সময় । আমাদের হাইলাকান্দি জেলাতেও ১০টি আই সি ইউ দেওয়া হয়েছে। তাই আমি মন্ত্রী মহোদয়ের সঙ্গে আমাদের মাননীয় মুখ্যমন্ত্রী মহদোয়কে ধন্যবাদ দিচ্ছি। অধ্যক্ষ মহোদয়, আমাদের কাছাড় জেলার সাথে একটি ব্লক আছে। টাপাং ব্লক। এই টাপাং ব্লকে চিবিতাবিছিয়া মডেল হাস্পতাল। এই হাস্পতাল তাত কোনো এম্বুলেন্সৰ ব্যৱস্থা নাই, কৰোণা পৰীক্ষাৰ ব্যৱস্থা আছে যদিও কোনোবা মানুহৰ যদি কৰোণা ওলাই যায় তেতিয়া তাত কোনো দৰৱ পাতিৰ ব্যৱস্থা নাই। তাৰ হস্পিতালত গোটেই দিনটো মানুহে বহি থাকিব লগীয়া হয়। যিহেতু তাত কোনো এম্বুলেন্সৰ ব্যৱস্থা নাই, তাত বিভিন্ন সমস্যা আছে, ডাক্তৰৰ সমস্যা আছে, তাত যি চাফাই কৰ্মী আছে সেইসকলে বহুদিন ধৰি কাম কৰি আহিছে যদিও আজি পৰ্যন্ত তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ হোৱা নাই। তেওঁলোকে মাহে মাত্ৰ ১ হাজাৰ টকাত কাম কৰি আছে। ইয়াৰ লগতে সেই ঠাইত হস্পিতাল নিৰ্মাণৰ সময়ত যি সকল দুখীয়া মানুহে মাটি দান কৰিছিল, সেইসকলে এতিয়া সঘনাই মোৰ ঘৰলৈ অহা-যোৱা কৰি থাকে। কাৰণ আমাৰ চৰকাৰৰ পক্ষৰ পৰা কোৱা হৈছিল তেওঁলোকক চাকৰি দিয়াৰ কথা। ইয়াৰোপৰি আজি পৰ্যন্ত হস্পিতাল খনৰ কোনো এটা ফালেও দেৱাল দিব পৰা হোৱা নাই। কাৰণ তাত মাটিৰ সীমাৰ সমস্যা আছে। ইয়াৰোপৰি আমাৰ ব্ল'কটোত প্ৰায় ৪২ হাজাৰ মানুহ আছে। সেই ৪২ হাজাৰৰ ভিতৰত এতিয়ালৈকে মাত্ৰ ৫-৬ হাজাৰ মানুহক কৰোণাৰ টিকাকৰণ কৰা হোৱা নাই। আটাইতকৈ কম টিকাকৰণ কৰা হৈছে সেই ব্ল'কটোত। সেই ব্ল'কটোত টিকাৰণৰ কেন্দ্ৰ বহুত কম আছে। তাৰ মানুহে প্ৰায় ২০-২৫ কি. মিটাৰ দূৰত ভেকচিন ল'ব লগীয়া হয়। সেই কাৰণটোৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ব্যক্তিগত ভাৱে লগ কৰিছিলোঁ তাত কিছু ভেক্‌চিনৰ কেন্দ্ৰ দিয়াৰ কাৰণে। আমাৰ আল্‌গাপুৰ মডেল হস্পিতাল খনত কিছু বস্তু দিয়া হৈছে যদিও এতিয়াও সেইবোৰ কামত ব্যৱহাৰ হোৱা নাই আৰু এই হস্পিতাল খন উদ্বোধনৰ বাবে মই বহুতবাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক লগ কৰিছোঁ যদিও এতিয়াও সেই হস্পিতাল খন উদ্বোধন কৰা হোৱা নাই। সেই হস্পিতাল খনত প্ৰসুতি বিভাগৰ কোনো ডাক্তৰ নাই, চাফাই কৰ্মী

নাই, চুইপাৰৰ সমস্যা আছে, চকীদাৰৰ সমস্যা আছে, এনেকুৱা ধৰণে বহুতো সমস্যা আছে। লগতে এম্বুলেন্সৰ সমস্যাও আছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই আলগাপুৰ মডেল হস্পিতাল খনত যিবোৰ সমস্যা আছে সেই বোৰ সমস্যা অতিশীঘ্ৰে সমধান কৰিব লাগে। ইয়াৰোপৰি মোৰ সমষ্ঠিত যিমান উপস্বাস্থ্যকেন্দ্ৰ আছে তাৰ এটাৰো অৱস্থা ভাল নহয়। যেতিয়া তালৈ নাৰ্চ সকল যায় তেতিয়া তেওঁলোকে দেখা পায় যে তেওঁলোকে কেনেকুৱা অৱস্থাত কাম কৰিব লগীয়া হয়। এই ক্ষেত্ৰত যদি আপুনি ভালদৰে চাই তেতিয়া দেখা পাব যে তাত ডাক্তৰ নথকাৰ একমাত্ৰ কাৰণ হ'ল যে তাত ডাক্তৰ থকাৰ কোনো ব্যৱস্থা নাই।

**মাননীয় অধ্যক্ষ ঃ** সময় নাই এক মিনিটত সমাপ্ত কৰিব ।

**শ্ৰীনিজামুদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** শিলচৰৰ পৰা তালৈ ডাক্তৰ নাৰ্চ যায় কিন্তু তাত ডাক্তৰ নাৰ্চ থকাৰ বাবে কোনো কোৱাৰ্টাৰৰ ব্যৱস্থা নথকাৰ বাবে তেওঁলোকে তাত নাথাকে। মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে সেই পিছপৰা অঞ্চলবোৰৰ সমস্যাবোৰ যাতে অতিসোনকালে দূৰ হয়। মই মাত্ৰ এটা কথা কৈছো যে আমি শুনিছো কৰিমগঞ্জ মেডিকেল কলেজৰ ঠাই পাবলৈ নাই, মাটিৰ খেলিমেলি চলি আছে, মোৰ সমষ্ঠিতো পাচগ্ৰাম বৰাকৰ একমাত্ৰ মাজৰ সমষ্ঠি আৰু এই পাচগ্ৰামত যদি হস্পিতাল এখন দি দিয়ে তেতিয়া কৰিমগঞ্জ হাইলাকান্দি আদি ঠাই বোৰৰ সমস্যা সমধান হৈ যাব। লগতে শিলচৰৰো কিছু সমস্যা সমাধান হৈ যাব। সেয়েহে মই অনুৰোধ কৰিলো যে মোৰ পাচগ্ৰামত যাতে মন্ত্ৰী মহোদয়ে মেডিকেল কলেজ এখন হোৱাত গুৰুত্ব দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ সন্দৰ্ভত তেওঁলোক নিজেই কিমান সচেতন সেইটো আমি দেখিছো। বিশেষকৈ আজি ইয়াত এই কৰ্ত্তন প্ৰস্তাৱ অনা মূল দল কংগ্ৰেছৰ এজনো সদস্য ইয়াত উপস্থিত নাই। আচলতে এই কৰ্ত্তন প্ৰস্তাৱটো একেবাৰে অপ্ৰাসংগীক। এই প্ৰস্তাৱৰ কোনো প্ৰয়োজন নাই। কাৰণ তেওলোকৰ অনুপস্থিতিয়ে এই কথাৰ প্ৰমাণ দি দিছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত স্বাস্থ্য খণ্ডত যি দ্ৰুত উন্নয়ন, পৰিবৰ্তন হৈছে এই উন্নয়ন আৰু পৰিবৰ্তন এক ঐতিহাসিক পৰিবৰ্তন। বিশেষকৈ কভিড মহামাৰীৰ সময়ত সন্মুখৰ পৰা থাকি বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে সেইসময়ত স্বাস্থ্যমন্ত্ৰী হিচাপে থাকি যি নেতৃত্ব প্ৰদান কৰিছিল সেইটো অকল ভাৰ ত বৰ্ষৰ ক্ষেত্ৰতে নহয় পৃথিৱীৰ ক্ষেত্ৰতে এক বিৰল নিদৰ্শন। মুখ্যমন্ত্ৰী মহোদয় ডাঙৰীয়াই সন্মুখৰ পৰা নেতৃত্ব দি ৰাজ্যখনক কভিড মহামাৰীৰ পৰা বচোৱাৰ বাবে মই তেখেতক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ নেতৃত্বত সুপৰিকল্পিত ভাৱে স্বাস্থ্য খণ্ডক আগবঢ়ায় লৈ যোৱা হৈছে আৰু সেইদৰে অসমত মেডিকেল কলেজ একেদিনাই বনাব নিবিচাৰি পৰ্য্যায়ক্ৰমে যাতে প্ৰত্যেক জিলাতে মেডিকেল কলেজ স্থাপন কৰা হয় তাৰ সিদ্ধান্ত লৈছে। কাৰণ এই মেডিকেল কলেজবোৰ স্থাপন কৰাৰ পিছত তাত নিযুক্তি দিব লগা ফেকাল্টিৰ ক্ষেত্ৰত কোনো ধৰণৰ সমস্যা নহয় আৰু এই বাৰ বাজেটতো অতি প্ৰত্যাশিত ভাৱে ৫ খন জিলাত ৫ খন মেডিকেল কলেজ প্ৰস্তাৱ কৰিছে আৰু অসমৰ প্ৰত্যেক জিলাতে এখনকৈ মেডিকেল কলেজ স্থাপন কৰাৰ প্ৰক্ৰিয়া আমাৰ অসমৰ কাৰণে অতি আদৰণীয়। মই ভাৱো যে বাজেটত আৱন্টিত যি ধন তাক কমোৱাৰটো কথাই নাহে, বৰঞ্চ তাক হয়তো অনাগত দিনত বৃদ্ধি কৰাৰহে প্ৰয়োজন হ'ব। কাৰণ আজি ৰাজ্যখনৰ প্ৰত্যেকজন মানুহকে উপযুক্ত চিকিৎসা দিয়াৰ কাৰণে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে। মই এই ক্ষেত্ৰত মাত্ৰ দুটা এটা পৰামৰ্শ দি মোৰ বক্তব্যৰ সামৰণি মাৰিম। বিশেষকৈ কিছুমান ক্ষেত্ৰত কিছুমান পুঁজিৰ আৱন্টনৰ প্ৰয়োজন

আছে। আমাৰ যিবোৰ মডেল হস্পিতাল আছে, চাব ডিভিজনেল চিভিল হস্পিতাল আছে বা চি এইচ চি আছে এইবোৰৰ ব্যৱস্থাপনা কৰিবৰ কাৰণে বাৰ্ষিক আমি যি পুঁজি আৱন্টন দিও সেই পুঁজি কিছু বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। কাৰণ এই হস্পিতাল বিলাকত আজি ৫ লাখ টকাৰ পুঁজিৰ যি আৱন্টন হয় কিবা কাৰণত যদি তাত দুখন এম্বুলেন্স থাকে সেই এম্বুলেন্সৰ ড্ৰাইভাৰ সকলক দৰমহা দিবৰ বাবে সেই বাৰ্ষিক যি পুঁজি দিয়া হয় তাৰপৰাই খৰচ কৰা হয়। গতিকে এম্বুলেন্স বোৰ যাতে সুচাৰুৰূপে চলে আৰু ভিতৰৰ অঞ্চলৰ ৰোগীয়ে যাতে সুবিধা পায় সেই কাৰণে যি সমূহ এম্বুলেন্স আছে, পৰ্য্যাপ্ত পৰিমাণে এম্বুলেন্স আছে বুলি আমি ভাৱো। কিন্তু বহু ক্ষেত্ৰত ড্ৰাইভাৰৰ দৰমহাটোক লৈ কিছু সমস্যা হয়, গতিকে এই ক্ষেত্ৰত এটা সুস্পষ্ট নীতি নিশ্চয় স্বাস্থ্য বিভাগে গ্ৰহণ কৰিব। যাতে আহি থকা দিনবোৰত ৰোগীক অধিক সকাহ দিব পাৰো। দ্বিতীয়তে, আমি সততে আলোচন কৰি থকা এটা বিষয় যে কেন্সাৰ, কেন্সাৰ ৰোগীৰ যি প্ৰাদুৰ্ভাৱ প্ৰত্যেকটো অঞ্চলত ইমানকৈ বাঢ়িছে, সেই ক্ষেত্ৰত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচন আৰু অসম চৰকাৰে আশানুৰ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ লগতে মই এটা পৰামৰ্শ দিব বিচাৰো, ব্যক্তিগতভাৱে মোৰ সমষ্টিত এইটো কাম আৰম্ভ কৰিছো। আমি কেন্সাৰ ৰোগীসকলৰ তথ্য সংগ্ৰহ কৰিব লাগে, data based বনাব লাগে, এটা registration বনাব লাগে যে অসমত কেন্সাৰ ৰোগী কিমান আছে, সেই কথাৰ স্পষ্ট ধাৰণা হয়। মোৰ সৰুপথাৰ সমষ্টিত কমেও দুই হাজাৰতকৈও কেন্সাৰ ৰোগীৰ সংখ্যা কম নহ'ব, তেওঁলোকৰ আবেদনৰ ওপৰত ভিত্তি কৰি গম পোৱা গৈছে। গতিকে কেন্সাৰৰ ওপৰত গৱেষণাৰ প্ৰয়োজন আছে লগতে কেন্সাৰ data based বনাই যদি আগবাঢ়িব পাৰো, আমাৰ যথেষ্টখিনি সুবিধা হ'ব।

দ্বিতীয়তে আমি দুখন আঁচনি, যাৰ দ্বাৰা জনসাধাৰণক উপকৃত কৰিবলৈ যত্ন কৰিছো, অটল অমৃত অভিযান আৰু আয়ুষ্মাণ ভাৰত। এই দুখন আঁচনিৰ দ্বাৰা লাখ লাখ মানুহ উপকৃত হৈছে। আয়ুষ্মাণ ভাৰতৰ দ্বাৰা ২৭ লাখ পৰিয়ালক সাঙুৰি লোৱা হৈছে। কিন্তু এটা কথা সততে অভিযোগ শুনা যায় যে বে-চৰকাৰী খণ্ডত যিবিলাক হস্পিতাল আছে, সেই হস্পিতালবিলাকত এই কাৰ্ড দুখনৰ জৰিয়তে চিকিৎসা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সু-স্পষ্ট নীতি নথকাৰ বাবে বহু ৰোগীয়ে আহি এই কাৰ্ডৰ সুবিধা নোহোৱাকৈ গুছি যায়। সেইকাৰণে বে-চৰকাৰী হস্পিতালবিলাকক আমি কিছু নিয়ন্ত্ৰণলৈ আনিব লাগে, যাৰ জৰিয়তে বিনামুলীয়াকৈ তেওঁলোকক যি চিকিৎসা সেৱা প্ৰদান কৰিবলৈ এই কাৰ্ডৰ ব্যৱস্থা কৰিছো, এই কাৰ্ডৰ সুবিধা যাতে লব পাৰে। গ্ৰাম্য অঞ্চলত বহুত লোকে অটল অমৃত অভিযানৰ কাৰ্ড বনোৱা নাই বা ৰিনিউ কৰা নাই। অটল অমৃত অভিযান কাৰ্ড জিলা চিভিল হস্পিতালৰ লগত থকা কাৰ্য্যালয়ত যাতে প্ৰস্তুত কৰা হয়। মই ভাৱো অটল অমৃত অভিযান কাৰ্ড পঞ্চায়তৰ পৰ্য্যায়ত মানুহে যাতে বনাব পাৰে আৰু ৰিনিউ কৰিব পাৰে, তাৰ কাৰণে এই অভিযানক আৰু আগবঢ়াই নিয়াৰ প্ৰয়োজন আছে।

মেডিকেল কলেজসমূহ হ'ব, কিন্তু তাৰ লগত আৰু এটা কথা গুৰুত্ব দিব লাগিব। আজি যিসকল চিকিৎসক, staff ক নিযুক্তি দিয়া হ'ব, মেডিকেল কলেজ হওঁক, Sub-divisional হস্পিতালে হওঁক বা জিলা হস্পিতালে হওঁক, সেই বিলাকত staff যি থাকিব, তেওঁলোকক যাতে থকাৰ আমি উপযুক্ত ব্যৱস্থা দিব পাৰো, quarter ৰ যাতে ব্যৱস্থা কৰি দিব পাৰো, আমাৰ এই কথাবিলাক পৰিকল্পনাৰ লগত আগবঢ়াই লৈ যাব লাগিব। বিৰোধী দলে শহৃদক পুৰনৰ পবৰ্তন কৰিবলৈ কৈছে। কিন্তু মই ভাৱো যে শহৃদ আচঁনি আমি লব নালাগে। কাৰণ শহৃদ আচঁনি জৰিয়তে বহু ক্ষেত্ৰত পইচাৰ কিছু অপব্যৱহাৰ হৈছে, মই নিজে বিধায়ক হৈ এই কথাটো অনুভৱ কৰিছো।

মই বিশেষ দীঘলীয়া বক্তব্য ৰাখিবলৈ বিচৰা নাই, চিকিৎসাৰ ক্ষেত্ৰত এক নতুন পৰ্য্যায় লৈ যাবলৈ এই চৰকাৰ সক্ষম। আজি যদি আমি চাওঁ অসমৰ পৰা চেন্নাই, ভেলোৰ, বেঙ্গোলৰ আদিলৈ গৈ চিকিৎসা কৰাৰ যি প্ৰৱনতা আছিল, সেই প্ৰৱনতা হ্ৰাস পাইছে, স্থানীয়ভাৱে উপযুক্ত চিকিৎসাৰ ব্যৱস্থা হৈছে, কিছুদিনৰ পিছত AIIMS আৰম্ভ হ'ব। অসমৰ চিকিৎসাৰ ক্ষেত্ৰত নতুন দিগন্ত সুচনা হৈছে আৰু ইয়াৰ বাবে মই পুনৰ অসমৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয় আৰু স্বাস্থ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you। এতিয়া মাননীয় সদস্য শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী (দেৰগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই যি বাজেট উত্থাপন কৰিছে আৰু স্বাস্থ্যৰ শিতানত ৭ লাখ ৩ শ কোটি টকা ধাৰ্য্য কৰিছে, আচলতে বৰ্তমান পৰ্য্যায়ত এই ধনৰে কম হয় আৰু বঢ়াব লাগে। তথাপিও এটা নিয়ম বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱৰ জৰিয়তে এই বিভাগতোৰ সম্পৰ্কত আলোচনা কৰিব বিচাৰে আৰু সেইটো পৰম্পৰা। সেই পৰম্পৰা অনুযায়ী এই আলোচনাত তেখেতসকলে কিছু বক্তব্য 'যে কিছু কাম অপ্ৰাসংগিক' এনেধৰণৰ কিছু কথা উত্থাপন কৰিছে। কিন্তু মুল কথাটো হ'ল বৰ্তমান পৰ্য্যায়ত মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে সন্মুখত থাকি তেওঁৰ নেতৃত্বত যোৱা কাৰ্য্যকালৰ পৰা এতিয়ালৈকে যেনেধৰণে আগুৱাই নিচে স্বাস্থ্য বিভাগক, সেইটো সচাঁকৈ তেখেতক আন্তৰিক ধন্যবাদ দিব লাগিব। যিটো মহামাৰী কভি'ড -১৯ ক পৰাভুত কৰিবৰ বাবে যেনেধৰণৰ ব্যৱস্থা লৈ আগবাঢ়ি গৈছে, অসম এই ক্ষেত্ৰত উল্লেখনীয় ৰাজ্য হিচাপে পৰিগণিত হৈছে। আমি আশা কৰিছো যে অতি সোনকালে অসমৰ জনসাধাৰণে কভি'ড -১৯ ক পৰাজয় কৰিব, টিকাকৰণৰ আৰু স্বাস্থ্য বিভাগৰ জৰিয়তে। আমি আশা কৰিছো অসমত কভি'ড -১৯ নিৰ্মুল কৰা বা প্ৰতিৰোধৰ কাৰণে স্বাস্থ্য বিভাগৰ যি চেষ্টা, আমি আদৰণি জনাইছো। অকল কভি'ডয়ে নহয় ইয়াৰ লগতে যথেষ্টখিনি বেমাৰ বৰ্তমান পৰ্য্যায়ত অসমত বেছিকৈ হৈছে। এই ক্ষেত্ৰত চৰকাৰী ভাৱে অটল অমৃত অভিযান, আয়ুষ্মাণ ভাৰত, স্নেহাস্পৰ্শ এনেধৰণৰ বহুত আচঁনি আছে, যাৰ জৰিয়তে আমি একেবাৰে দুখীয়া লোকজনকো সহায় কৰিব পাৰিছো। তথাপিও কিছু কিছু ক্ষেত্ৰত মোৰ পৰামৰ্শ যে বৰ্তমান পৰ্য্যায়ত অসমত কিড'নী বেমাৰ বেছি হৈছে। এই ক্ষেত্ৰত আমি দেখিছো দুখীয়া লোকসকলৰ খৰছ বেছি হোৱাৰ ফলত ৰোগী মৃত্যুৰ মুখত পৰিবলগীয়া হয়। মোৰ সমষ্টিত বহু কেইজন এনেধৰণৰ ৰোগীক চৰকাৰী ভাৱে বা বিধয়াকৰ জৰিয়তে কিছু সহায় কৰিছো। কিন্তু যিমান ধনৰ প্ৰয়োজন হয়, সিমানখিনি সম্ভৱ নহয়। সেই কাৰণে কিড'নী ফেইলাৰৰ সম্পৰ্কত স্বাস্থ্য বিভাগে বা স্বাস্থ্য মন্ত্ৰী মহোদয়ে অটল অমৃত অভিযান বা আয়ুষ্মাণ ভাৰতৰ আচঁনিৰ দৰে এটা আচঁনি লয়, কাৰণ অপৰেচন কৰিবৰ কাৰণে যিমান ধন লাগে সেইখিনি চৰকাৰে দিয়ে, তাৰ উপৰিও যথেষ্ট খৰছ হ'য়। মই এনেকুৱা ৰোগীৰ ক্ষেত্ৰত নিজে দেখিছো। গতিকে মই ভাৱো চৰকাৰী ভাৱে এটা আচঁনি যদি গ্ৰহণ কৰে অলপ সহায় হব বুলি ভাৱো।

দ্বিতীয়তে - বৰ্তমান পৰ্য্যায়ত স্বাস্থ্য বিভাগতো এনে এটা গতিশীল বিভাগত পৰিণত হৈছে য'ত চাহ বাগিছাকে ধৰি গাওঁ অঞ্চলৰ সকলো ৰাইজক সাঙুৰি বহু কেইটা আঁচনি আছে। মোবাইল মেডিকেল ইউনিটৰ জৰিয়তে বাগিছাৰ লোকসকলৰ কাৰণে, ঠিক সেইদৰে Primary Health Center সমূহ বা Sub-Center উন্নত কৰাৰ কাৰণে বাজেটত ধৰিছে, ইয়াৰ জৰিয়তে সৰ্বসাধাৰণ দূখীয়া লোকসকলে স্বাস্থ্য বিভাগৰ চিকিৎসা সেৱা আগবঢ়াই লৈ যাবলৈ সক্ষম হম। এই ক্ষেত্ৰত কিছু কথা ক'ব লাগিব, যিমান বিলাক ৩০ খন বিছনাযুক্ত হস্পিতাল আছে, সেই হস্পিতাল

বিলাকত বহুতো সমস্যা আছে, যেনে কেতিয়াবা জেনেৰেটৰ বেয়া হয়, চিকিৎসকৰ অভাৱ হয়, কেতিয়াবা নাৰ্চ কম হয়, কেতিয়াবা disposable যিমান আছে, সেই বিলাক নষ্ট কৰাৰ ব্যৱস্থা নাই। মোৰ সমষ্টি দেৰগাওঁত যিখন ৩০ খন বিছনাযুক্ত হস্পিতাল আছে, তাত এই সমস্যাবিলাকৰ সন্মুখীন হ'ব লগীয়া হয়। বিশেষকৈ CHC বিলাকৰ সভাপতিৰ দায়িত্ব বিধায়ক জন থাকে। বিধায়ক হিচাপে থকাৰ পিছত দেখা পাও, একেবাৰে সৰু সৰু খুব কম পইচাত কৰিব পৰা কিছুমান কাম আমি কৰিব নোৱাৰো। RSK ৰ অধীনত Fund দিয়ে যদিও পইচা খুব কম হয়। মই ভাৱো কভি'ড - ১৯ ৰ কাৰণে কিছুমান কাম পিছপৰি আছে। মই মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে কভি'ড - ১৯ ৰ মোকাবিলা কৰিও সেইখিনি কামো যাতে আগবঢ়াই নিয়ে , সেইটো মোৰ ফালৰ পৰা অনুৰোধ জনালো। যিবিলাক PHC বা Dispensary আছে, সেই বিলাকৰ Building বিলাকৰ Infrastructure বেয়া হৈছে।

মোৰ সমষ্টিত প্ৰায় কেইখন, ডেৰগাঁৱৰ যি খন dispensary, দহোতীয়া dispensary, এনেধৰণৰ কেইবাখনো আছে। সেই তাহানিতে ১৯৬৫ চনতেই বনোৱা বিল্ডিং ঘৰ বিলাক আছে। মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তাত দুই এটা এনেকুৱা ধৰণৰ আঁচনি ললে ভাল হয়। কিন্তু এটা কথা ঠিক এইবাৰ আমাৰ বাজেটত চাব চেন্টাৰ সমূহক উন্নিতকৰণ কৰাৰ যিটো সিদ্ধান্ত লৈছে ধন আৱন্টন কৰিছে, ইয়াৰ জৰিয়তে কিন্তু আমি স্বাস্থ্য বিভাগৰ চিকিৎসা সম্পৰ্কীয় কথাখিনি সৰ্বসাধাৰণ ৰাইজৰ ওচৰলৈ লৈ যাবলৈ আমাৰ চৰকাৰ সক্ষম হ'ব। মই ভাবিছো ইয়াৰ জৰিয়তে স্বাস্থ্য বিভাগক আগুৱাই লৈ যোৱাত সহায় হ'ব। মই বৰ বেছি দীঘলীয়া কৰিব খোজা নাই, শেষত মই এটা কথাই কব খুজিছো ডাক্তৰৰ সম্পৰ্কত যে প্ৰত্যেকখন হস্পিতালতে ডাক্তৰৰ shortage আছে।কিন্তু যিকেইখন মেডিকেল কলেজ ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজ, যোৰহাট মেডিকেল কলেজ, বৰপেটা মেডিকেল কলেজ যিকেইখন আছে সেই কেইখনত প্ৰথম পৰ্য্যায়ত যাতে আটাইকেইটা বিভাগ তাত অন্তভুক্ত কৰিব পাৰে তাৰ কাৰণে কিছু ব্যৱস্থা লোৱাটো ভাল। এই কাৰণেই যে ওচৰতে যদি পি এইচ চি এখন থাকেও, গাৱৰ মানুহ জনে কিন্তু পি এইচ চি খনলৈ নিনিয়ে। direct তেওঁ ৰোগীজনক মেডিকেল কলেজলৈ যায়। আৰু মেডিকেল কলেজলৈ লৈ যোৱাৰ লগে লগে দেখিব যে তাত সেই বিভাগৰ ফেকাল্টীজন নাই, কেতিয়াবা সেই বিভাগটোৱেই তাত নাথাকে। গতিকে মানুহে ভাবে যে মেডিকেল কলেজ লৈ লৈ গলে মোৰ ল'ৰাটো ভাল হ'ব মোৰ মানুহজন বা মানুহজনী ভাল হ'ব। গতিকে তাত নিম্নতম এজনকৈ হলেও প্ৰফেচৰ বা ডাক্তৰ দি লগতে প্ৰত্যেকটো বিভাগেই যদি কৰা হয় তেতিয়া হলে ভাল হ'ব বুলি মই ভাবো। এই সম্পৰ্কত চিন্তা চৰ্চা কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়কো অনুৰোধ জনাইছো। শেষত মই এটা কথা ক'ব বিচাৰিছো, মই নিজেই ২০১৯ চনত কভিড ১৯ ত আক্ৰান্ত হৈছিলো। সেই সময়ত আজিৰ মুখ্যমন্ত্ৰী মহোদয় স্বাস্থ্য মন্ত্ৰী হিচাপে আজ্ঞি। গুৱাহাটী মেডিকেল কলেজত সম্পুৰ্ণ ৪৯ দিন থাকিব লগীয়া হৈছিল। মোৰ অৱস্থা একদম বেয়া হৈ গৈছিল। মোৰ অস্কিজেনৰ পৰিমান নামি গৈ ৫২ শতাশ হৈছিল মৃত্যু দৱাৰ দলিত পৰিছিলো। কিন্তু সৌভাগ্যক্ৰমে আৰু স্বাস্থ্য বিভাগৰ প্ৰত্যেকজন কৰ্মী, ডাক্তৰ, নাৰ্চ চুইপাৰৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ যিখিনি কষ্ট সেই কষ্টৰ বিনিময়ত ভেন্টিলেশ্যনত মই মৰিবলৈ ধৰা মানুহটোৱে পুনৰ জীৱন পালো। অবশ্যে ইয়াত ৰাইজৰো আৰ্শীবাদ আছে। সেই কাৰণে মই স্বাস্থ্য বিভাগক এটা কথা মই ক'ব বিচাৰিছো আজিৰ দিনটোত এই পবিত্ৰ সদনত যি সকল কৰ্মী ডাক্তৰ নাৰ্চ বা চিকিৎসাৰ লগত জৰিত যি সকল কৰ্মচাৰী সকলোকে মই আন্তৰিক ধন্যবাদ জনাইছো। তেওঁলোকে

নিঃস্বাৰ্থভাবে কোনো অবহেলা নকৰাকৈ সুন্দৰকৈ সকলোকে সমানে এইজন বিধায়ক তেওঁক ভালকৈ চিকিৎসা কৰো সেইটো নহয়। সকলোকে সমানে চিকিৎসা কৰিছিল। মোৰ লগতে সেই সময়ৰ বিধায়ক কমল নাৰ্জাৰী তেওঁ আছিল আৰু তেওঁৰো সেই অৱস্থা আমি দেখিছো। স্বাস্থ্য বিভাগৰ সকলোৱে সুন্দৰ ভাবে কাম বিলাক পৰিচালনা কৰিছে আৰু এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ মন্ত্ৰী ৰ পৰা একেবাৰে শেষৰ জনলৈকে সকলোকে মই আন্তৰিক ধন্যবাদ জনাইছো। আৰু মই আশা কৰিছো এই বিভাগৰ যিটো গতিশীলতা সেই গতিশীলতা অটুট থাকিব। এইখিনি কথাৰে মই কাটমোশ্যনৰ বিৰোধিতা কৰি জ্জলাখ্‌ শ কোটিটকাৰ যি ধন ধাৰ্য্য কৰিছে, ইয়াক আৰু বৃদ্ধি কৰিব লাগে বুলি অনুৰোধ জনাই মই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ এতিয়া

**শ্ৰী জিতু গোস্বামী (বঢ়মপুৰ)** ঃ-মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী দলে উত্থাপন কৰা যি বাজেট কৰ্ত্তন প্ৰস্তাবৰ মই সম্পূৰ্ণৰূপে বিৰোধীতা কৰি বক্তব্য আগবঢ়াব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই এইবাৰ এই পবিত্ৰ সদনলৈ পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈ আহিছো, আৰু মই বিধান সভাৰ পৰম্পৰাও নাজানো কিন্তু আজি যিখিনি বাজেট কৰ্ত্তন প্ৰস্তাবত সন্মানীয় বিৰোধী দলৰ প্ৰত্যেকজন সদস্যই যিখিনি বক্তব্য উত্থাপন কৰিলে, মই এটা কথাতে অলপ শংকিত যে এইটো বাজেট কৰ্ত্তনৰ প্ৰস্তাবত তেওঁলোকে বক্তব্য ৰাখিছে নে বাজেট বঢ়াবৰ কাৰণে তেখেত সকলে প্ৰস্তাৱ ৰাখিছে। তেখেত সকলৰ প্ৰত্যেকটো বক্তব্যতে মই বিৰোধী দলৰ এটা কথাই দেখা পাইছো, তেখেত সকলে কৈছে যে তেখেত সকলৰ ষ্ক্ৰম্সবদম্ক্ষ্বজ্ঞ ন্দ্ৰজ্ব্দদ্ধজ্ঞন্তদ্ধন্তজঙ্গ নাই, এম্বুলেঞ্চ নাই, কোনোবা ক্ষেত্ৰত কৰবাত ন্দ্ৰজ্ব্দদ্ধজ্ঞন্তদ্ধন্তজঙ্গ ৰ অভাব। এইখনি কথাত আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াহ স্বাস্থ্যৰ ক্ষেত্ৰত যি চঞ্জচঞ্জ-চৰ চনত বাজেটত যি প্ৰস্তাৱ দিছে, সেই অনুসৰি বাজেটত যি জ্জহাজাৰ কোটি টকা দিছে, মই বিৰোধী দলৰ সন্মানীয় সদস্য সকলৰ কথা শুনি এটা কথা উপলব্ধি হৈছে যে জ্জ হাজাৰ কোটি টকা নহয় জ্জ্ঞ হাজাৰ কোটি টকা লাগিব। যদি তেখেত সকলে কোৱা কথাখিনি আমি চাৰ্পটি কৰিব যাওঁ, কাৰণ তেখেত সকলে বাজেট কৰ্ত্তনৰ প্ৰস্তাব আনি বাজেট বৃদ্ধিৰ কথা কৈ আছে। মাননীয়অধ্যক্ষ মহোদয়, মই এটা কথা অসমৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক, স্বাস্থ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব লাগিব স্বাস্থ্যৰ ক্ষেত্ৰত তেখেত সকলে যি ঐতিহাসিক প্ৰস্তাৱ দিছে, ৰ হাজাৰ টা স্বাস্থ্য উপকেন্দ্ৰ তেওঁলোকে হস্পিতাললৈ ৰূপান্তৰিত কৰিব বিচাৰিছে। কিমান সুন্দৰ পদক্ষেপ। মই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক সৌভাগ্যক্ৰমে মাননীয় অধ্যক্ষ মহোদয়, মোৰ জিলাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া আৰু স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ যি পৰিকল্পনা শুনি ভাল লাগিব যে গাঁৱত থকা স্বাস্থ্য উপকেন্দ্ৰটোত ডায়বেটিছৰ ৰোগী এজন, এজমা ৰোগী এজন, তেওঁ নগাওঁলৈ আহিব নালাগে, তেওঁ গুৱাহাটীলৈ আহিব নালাগে, জিলা সদৰলৈ আহিব নালাগে, তাতে বহি তেওঁ সম্পূৰ্ণ অনুসন্ধান কৰিব পাৰিব। ইয়াতকৈ আৰু সুন্দৰ প্ৰস্তাৱ এখন বাজেটত আৰু কি হ'ব পাৰে? এই খন ঐতিহাসিক বাজেট মনাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰতিটো ক্ষেত্ৰতেই দৃষ্টি আৰ্কষিত কৰা হৈছে এইখন বাজেটত। বিৰোধী দলৰ প্ৰত্যেক জন সদস্যই এই কথাটো অনধাৱন কৰিছেনে নাই তেখেত সকলে বাজেটৰ নামত বিতৰ্ক কৰিবৰ কাৰণে বিভিন্ন কথা কৈ আছে। কিন্তু প্ৰত্যেকটো কথাত যিহেতু আমি কৰ্তন প্ৰস্তাৱ দিছো, কৰ্তন প্ৰস্তাৱত আমি এনেকুৱা ধৰণৰ কথা আলোচনা কৰিব নালাগে। আমি বাজেট সংযোগী প্ৰস্তাৱত ক'ব লাগে যে এইখিনি আপোনালোকে আৰু সংযোগ কৰিব লাগে। তেতিয়া হ'লে বিৰোধী দলৰ প্ৰত্যেকজন সদস্যক মই ধন্যবাদ জনালোহেতেন। মাননীয়

অধ্যক্ষ মহোদয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ যি শিশুসেৱা আঁচনি আছে। আজি ক'ভিড মহামাৰিৰ দৰে এই যে যি আজি গোটেই বিশ্বই মহামাৰীৰ সন্মুখীন হ'ব লগা হৈছে। অসমৰ প্ৰতিটো ক্ষেত্ৰত আমি যেতিয়া নিজৰ জিলালৈ যাওঁ নিজৰ সমষ্টি লৈ যাওঁ, তেতিয়া অনধাৱন কৰিব পাৰো, দ্বিতীয়টো ঢৌ ইমান মানুহৰ মৃত্যুবৰণ হৈছে, প্ৰথমটো ঢৌ আমি কবই নোৱাৰিলো কোনফালে গ'ল। কিন্তু দ্বিতীয় ঢৌত যেতিয়া আমাৰ নিজৰ চিনাকি জনৰ মৃত্যু হয়, আত্মীয়ৰ যেতিয়া মৃত্যু হয় সেই কথা উপলব্ধি আমি কৰিব পাৰো। সেই কাৰণে মুখ্য মন্ত্ৰী মহোদয়ক এই বাজেটত ধন্যবাদ জনাব লাগিব। মুখ্য মন্ত্ৰী মহোদয়ে যি শিশুসেৱা আঁচনি আনিছে, বিধৱা সাহৰ্য্য আঁচনি যি আনিছে, ক'ভিডত মৃতপ্ৰায় পৰিয়ালক যি সুবিধা কৰি দিছে, আমি নিজে গম পাওঁ। যোৱা ১ সপ্তাহ আগত আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ লগত আমি একেলগে নগাওঁত সেই সকল মৃতপায় বিধৱা লোকৰ ঘৰত আমি চেক প্ৰদান কৰিছিলো, আঢ়ৈলাখকৈ টকা তেওঁলোকে পায় দুখত ভাগি পৰিছিল। তেখেতসকলে ইমান দুখৰ মাজত তেখেত সকলে যি আনন্দৰ কথা শুনিছিল, যে এনেকুৱা সহায় সুবিধা আমি কোনো চৰকাৰৰ দিনত আজিলৈকে পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমি এইখন বাজেটত যি সমূহ প্ৰপোজ কৰিছে, মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই, আমি সম্পুৰ্ণ ভাবে সমৰ্থন জনাইছো আৰু ইয়াত বাজেট কৰ্ত্তনৰটো কথাই নাহে। আমি বাজেট সংযোগ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক দুটা কথা ক'ব বিচাৰিছো। আমাৰ মেক্সিমাম যি কেইটা সমষ্টি আছে, অসমত বহু জিলাত আজি স্বাস্থ্যৰ ক্ষেত্ৰত যি infrastructure আছে, কিছুমান ঠাইত স্বাস্থ্য উপ কেন্দ্ৰও আছে, য'ত ভালকৈ ডাক্তৰ নাই। কিছুমান ঠাইত বিল্ডিংটো আছে, কিন্তু বিল্ডিংটো ভালকৈ maintenance হোৱা নাই আৰু কিছুমান ক্ষেত্ৰত মোৰ নিজৰ বঢ়মপুৰ সমষ্টিত মধ্য অসমৰ এটা বহু পুৰণি সমষ্টি। তাতে maximum হস্পিতালৰ infrastructure আছে। হস্পিতালৰ infrastructure বিলাকত ডাক্তৰ নাই কাৰণে তাত ইউটিলাইজ হোৱা নাই। মই মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ক এই পবিত্ৰ সদনত এটা কথা ক'ব বিচাৰিম যে যি সমূহ স্বাস্থ্য কেন্দ্ৰ আমাৰ দৰকাৰী আছে যে এই খিনি স্বাস্থ্য কেন্দ্ৰ এইটোৰ কাৰণে দৰকাৰী আছে আৰু যি সমূহ দৰকাৰী নাই সেই স্বাস্থ্যকেন্দ্ৰ সমূহ আমি যদি allied service ৰ ক্ষেত্ৰত কৰিব পাৰো, সেই বিল্ডিং বিলাক পৰি ভাঙি যাব সেই বিল্ডিংবিলাক আমি বেলেগ ক্ষেত্ৰটো ব্যৱহাৰ কৰিব পাৰো। যদি ক'ৰবাত নাৰ্চিং ট্ৰেইনিং বা পেৰা মেডিকেল ক'ৰ্চ কৰিবলগীয়া হয় তেনেহ'লে এই ঘৰবিলাক ব্যৱহাৰ কৰক। যদি এইবিলাক ব্যৱহাৰ কৰিবলৈ অসুবিধা হয় চৰকাৰে প্ৰাইভেট পাৰ্টিক দিয়ক। অন্তত আন্তগাঁথনিবিলাক ধুনীয়া হৈ থাকিব। যিবিলাক ঘৰ মাটি এনেয়ে পৰি আছে খুব সুন্দৰকৈ ব্যৱহৃত হ'ব। অধ্যক্ষ মহোদয় , মই আপোনাৰ জৰিয়তে এটা পৰামৰ্শ আগবঢ়াইছো। অধ্যক্ষ মহোদয় কেৱল স্বাস্থ্য কেন্দ্ৰই নহয় এই ২০২১-২২ ৰ যিখন ঐতিহাসিক বাজেট ইয়াত ১ লাখ নিবনুৱাক নিযুক্তিকৰণৰ কথা কোৱা হৈছে। ইয়াতকৈ ডাঙৰ এমপ্লইমেন্ট কি হ'ব পাৰে। আজি বাজেটত গাওঁ- চহৰৰ নিবনুৱা ৰ কাৰণে যি এক লাখ বাজেট প্ৰভিজন ৰাখিছে তাৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আৰু এটা কথা ক'ব বিচাৰিছো যে আমি যি এক লাখ নিযুক্তিৰ কথা কৈছো তাৰ ভিতৰত ৪ টা নতুন বেটেলিয়ন কৰাৰ কথা কৈছো। ৪ টাকৈ ফৰেনচিক লেব'ৰেটৰী কৰাৰ কথা কৈছো। এইবিলাক আদৰি লওঁক কাৰণ বেটেলিয়নত বহু নিযুক্তি পাব। তাৰোপৰি এই পবিত্ৰ সদনত মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আৰু এটা কথা অৱগত কৰিব খুজিছো যিহেতু 'অৰুণোদয়' দৰে আঁচনি আমি সদায় ৰাখিম, এই আঁচনিখন আমাৰ পাৰ্মানেন্টলী চলি থাকিব, অসমৰ জনাতাই এই আঁচনিখন অন্তৰেৰে

আদৰি লৈছে, অৰুণোদয় আঁচনি প্ৰৱৰ্ত্তন কৰাৰ আগতে আমাৰ জিলাসমূহত অৰুণোদয় সহায়ক হিচাপে কিছুমান ল'ৰাক নিযুক্তি দিয়া হৈছিল। প্ৰায় ৫০৪ জন 'অৰুণোদয় সহায়ক ' গোটেই অসমত নিযুক্ত হৈছিল। অৰুণোদয় আঁচনি হোৱাৰ পিছত সেই যুবকসকলৰ চাকৰি নোহোৱা হ'ল। এই স্কীমটো যিহেতু থাকিব, , মই এই পবিত্ৰ সদনত মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাওঁ যে এই যুৱকসকলক ১লাখ নিযুক্তিৰ ভিতৰতে সামৰি ল'ব লাগে। আৰু তেওলোকৰ চাকৰিটো কনটিনিউ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় আমি এই বাজেটখনত এটা আশাৰ ৰেঙণি দেখিছো। অসমৰ গ্ৰামাঞ্চলৰ যিসকল মহিলাই ক্ষুদ্ৰ ক্ষুদ্ৰ ঋণ লৈ ধাৰত পোত গৈছিল তেওলোকক ঋণমুক্ত কৰাৰ বাবে ক্ষুদ্ৰ বিত্তীয় দানৰ যি সকাহ আঁচনি তাৰ জৰিয়তে লক্ষ লক্ষ মহিলা ৰাতি ভালকৈ শুব পাৰিব। তাৰ কাৰণে মই মুখ্য মন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাইছো। এনেধৰণৰ যিটো আঁচনি লৈছে তাৰ দ্বাৰা তেওলোকৰ জীৱনত এটা নতুন আশাৰ সঞ্চাৰ হৈছে। অধ্যক্ষ মহোদয় আমাৰ এই বাজেটখনত যিসমূহ প্ৰপ'জেল আনিছে সেইসমূহৰ কোনো ক্ষেত্ৰতে কৰ্তনৰ কথাই নুঠে আৰু সংযোগ কৰাৰ কথাহে আমি প্ৰস্তাৱ কৰিছো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, শ্ৰীদুৰ্গা দাস বড়ো।

**শ্ৰীদুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী পক্ষৰ বিধায়কসকলে কৰ্তন প্ৰস্তাৱ অনাৰ কাৰণে বেয়া পাইছে। কৰ্তন প্ৰস্তাৱ নানিলে আমি বেয়া পাইছো বুলি ক'বলৈ সুবিধা নাপালেহেঁতেন। কৰ্তন প্ৰস্তাৱ আনা বাবে আপোনালোকে সুবিধা পাইছে। কৰ্তন প্ৰস্তাৱ অনা বিৰোধীদলৰ দলপতিয়ে এষাৰ কথা কৈছে যে আমি কৰ্তন প্ৰস্তাৱ আনি কৰ্তন কৰিব খোজা নাই। বৰঞ্চ আমি প্ৰয়োজন সাপেক্ষে বাজেট বৃদ্ধি কৰিবলৈহে কৰ্তন প্ৰস্তাৱ আনিছো। সেই কাৰণে মই এই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰিছো। আৰু ইয়াৰ ওপৰত দুটামান কথা ক'ব বিচাৰিছো। সমগ্ৰ অসমৰ কথা নকৈ মই বি টি ছিৰ কথাকে ক'ব বিচাৰিছো। মাননীয় স্বাস্থ্য মন্ত্ৰী সদনত আছে। ইনফ্ৰাচষ্ট্ৰাকচাৰ চেক্টৰত স্বাস্থ্য বিভাগত যথেষ্ট কাম হৈছে। সেইটো কোনেও নুই কৰিব নোৱাৰে । মেডিকেল কলেজৰ পৰা আৰম্ভ কৰি ২০০ বেডেড, ৪০০ বেডেড বহু হস্পিটেল কৰাৰ ক্ষেত্ৰত চৰকাৰ সক্ষম হৈছে। তাত কোনো সন্দেহ নাই। ক'ভিডৰ সময়ত আমাৰ বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী , স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই দিনে ৰাতি বিভিন্ন শিতানৰ পৰা ধন লৈ ক'ভিডৰ কামত জড়িত হৈ মোকাবিলা কৰি আহি আজি এই পৰ্য্যায় পাইছে। তাৰ বাবে স্বাস্থ্য বিভাগ ধন্যবাদৰ পাত্ৰ। মাননীয় অধ্যক্ষ মহোদয় মই বি টি ডি এৰিয়াৰ দুটামান কথা ক'ব বিচাৰিছো। বি টি চি এৰিয়াতো আপোনালোক নতুন নতুন আঁচনি লৈছে। কিন্তু বি টি ছি এৰিয়াৰ যিগৰাকী গাৰ্ডিয়েন মন্ত্ৰী তেখেতে তাত গৈ উপলব্ধি কৰিলে ওদালগুৰি জিলা হস্পিটেলত এটাও আই চি ইউ নাই। এতিয়াও আজি হ'ব কালি হ'ব বুলি কৈ আছে। এখন জিলাৰ মুখ্য হস্পিটেলত এটাও আই চি উ নাই। এইটো দুখৰ কথা। বেমাৰ সকলোতে সমান ভাবে হ'ব ওদালগুৰি বা বি টি চি এৰিয়া বুলি ৰেহাই নিদিয়ে। সেই কাৰণে মই ভাবো বি টি চি এৰিয়াতো হস্পিটেলবিলাকৰ এই ফেচিলিটি থাকিব লাগে। চৰকাৰে ধুনীয়া ধুনীয়া ইনফ্ৰাচষ্ট্ৰাকচাৰ কৰিছে, সুন্দৰ হস্পিটেল বনাইছে কিন্তু তাত যিখিনি ডক্টৰ- নাৰ্চ আৰু টেকনিকেল ষ্টাফ লাগে সেইবোৰৰ কিন্তু অভাৱ আছে। মই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক কেইবাখনো হস্পিটেলৰ কথা ইতিমধ্যে লিখিতভাবে জনাইছো। তাৰ মাজতো আপোনালোকে আপগ্ৰেডেশ্যনৰ বাবে যিটো সিদ্ধান্ত লৈছে সেইটো ভাল হৈছে। যিটো পেনডেমিক হৈছে এখন দেশৰ বাহিৰে গোটেই বিশ্বৰ হেল্থ চেক্টৰত হাহাকাৰ হৈছে।

এইটো সময়ত সমগ্ৰ বিশ্বৰ লগতে আমাৰ ৰাজ্যই উপলব্ধি কৰিছে যে স্বাস্থ্য খণ্ডক গুৰুত্ব দিয়াটো কিমান প্ৰয়োজন। সেই কাৰণে আজিৰ দিনটো নতুন নতুন মেডিকেল কলেজ বনাইছে। এই মেজিকেল কলেজৰ বাবে শিক্ষকৰ প্ৰয়োজন কিন্তু শিক্ষকৰ আমাৰ অভাৱ আছে। মই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বনাই থকা এইমছখন চাবলৈ গৈছিলো। দ্ৰুতগতিত কাম তাত চলি আছে। মই আশা কৰিছো এইখন সময়ৰ আগতে হৈ উঠিব। এইখন হৈ উঠিলে উত্তৰ পাৰৰ ৰোগীসকলোকে ধৰি বি টি চি অঞ্চলৰ ৰোগীসকলে ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিটেললৈ আহিব লগীয়া নহ'ব। উত্তৰ পাৰৰ ৰোগী পোনপটীয়াভাবে এটা ডাঙৰ অসুবিধাৰ পৰা ৰেহাই পাব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ যিটো ভিৰ সেইটো আধা কমি যাব। সেই ভিৰটো divide হ'ব। Divide হোৱা কাৰণে যিবিলাক Seat থাকিব সেই Seat সমূহত ৰোগী থাকিবৰ বাবে সুবিধা পাব। হস্পিতাল এখনত ৰোগী বেছি হ'লে যিটো কষ্ট পাব লাগে সেই কষ্টৰ পৰা সমগ্ৰ উত্তৰ অঞ্চল বিশেষকৈ আমাৰ বি টি চি অঞ্চল ৰেহাই পাব। কলাইগাওঁৰ লগতে আপোনালোকে জানে যে মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টিৰ অন্তৰ্গত ভেৰগাওঁত হস্পিতাল বনাইছে। কিন্তু সেই ভেৰগাওঁ হস্পিতালখনত যিবিলাক কৰ্মচাৰী আছে তেওঁলোকে তাত নাথাকি অন্য ঠাইৰ পৰা ডিউটি কৰে। যাৰ কাৰণে সন্ধিয়া সময়ৰ পিছত তাত চিকিৎসা পাবৰ বাবে হাহাকাৰ কৰিবলগীয়া হয়। কলাইগাওঁত যিখন হস্পিতাল আছে তাতো একেই অৱস্থা। তেওঁলোকৰ যিমানখিনি Technical staff লাগে তাত নাই। গতিকে আমাৰ যিসমূহ যাৱতীয় সমস্যা আছে মই আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ আগত দাঙি ধৰিম। লগতে আৰু এটা কথা ক'ব বিচাৰিছো যে বায়ু-পানীৰ নিচিনাকৈ সঁচাকৈয়ে স্বাস্থ্যও যেন **১** নং বিষয় হৈ পৰিছে পৃথিৱীখনত। গতিকে মই ভাৱো যে আমাৰ চিকিৎসাৰ ক্ষেত্ৰত 'অটল অমৃত অভিযানৰ' যি সুবিধা পাইছে তদুপৰি আমি এটা বয়সলৈকে মানুহ চিকিৎসাৰ বাবে অষ্ট্ৰেলিয়া বা উন্নত দেশসমূহত যাবলগীয়া হয়। নিজৰ স্বাস্থ্যৰ চিকিৎসাৰ কাৰণে একো কৰিবলগীয়া নাথাকে। তেনেকুৱা পৰ্য্যায়লৈ লৈ যাবৰ বাবে গোটেই ভাৰতবৰ্ষৰ  লগতে অসমেও প্ৰচেষ্টা চলাব লাগে। অসমে সুকীয়াকৈ বহুত আগুৱাই যাব মই সেই কথাটো কোৱা নাই। কিন্তু গুৰুত্বটোৰ কথা কৈছো। স্বাস্থ্যৰ ক্ষেত্ৰত তেনে এক গুৰুত্ব দিয়াৰ প্ৰয়োজন আহিছে। বাক্সা, চিৰাং  আদি এই জিলাসমূহত স্বাস্থ্যৰ ক্ষেত্ৰত সুন্দৰ আন্তঃগাঁথনি আছে। মোৰ এনেকুৱা মন যায় যে মই যদি স্বাস্থ্য বিভাগত কাম কৰিলোহেঁতেন আৰু ইমান ইমন সুন্দৰ সুন্দৰ হস্পিতাল বনাই থৈ দিছে যে মোৰ তাত থাকি কাম কৰিবৰ মন যায়। কিন্তু তাত কৰ্মচাৰীৰ অভাৱ। অলপ আগতে এজন মাননীয় বিধায়ক ডাঙৰীয়াই এক লাখ চাকৰিৰ কথা কৈছে। তেওঁ কথাখিনি কওঁতে গোটেই সামৰি ল'লে। সেইকাৰণে অলপ Contradiction হ'ল। Health Department Appointment ৰ ক্ষেত্ৰত এক লাখ চাকৰি, তাৰ মানে আপোনালোকক যিখিনি Technical support লাগে, আপুনি কেতিয়াও এক ৰাতিত তৈয়াৰ কৰি দিব নোৱাৰে। কিন্তু ব্যক্তিগত শিক্ষানুষ্ঠানত পাছ কৰি থকা অজস্ৰ GNM, ANM নাৰ্চ আছে। ডাক্তৰৰ বাহিৰে বাকী Technical Line ৰ অভাৱ আছে বুলি নাভাৱো। মোৰ মতে স্বাস্থ্য বিভাগ গুৰুত্বপূৰ্ণ। সেয়েহে শিক্ষা বা পুলিচ বিভাগে ৩৫,০০০ পোষ্ট আনিছে। ঠিক তেনেদৰে স্বাস্থ্য বিভাগেও সকলো লোকৰ স্বাস্থ্য ৰক্ষাৰ স্বাৰ্থত আপুনি Maximum post creat কৰি এই এক লাখৰ ভিতৰত সোমাব চেষ্টা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ২০২১-২২ বৰ্ষৰ বাজেটত স্বাস্থ্য

বিভাগৰ বাবে ৭,৩৩০.০১ লাখ টকা যি পুঁজি নিৰ্ধাৰণ কৰিছে, সেই নিৰ্ধাৰিত বাজেটৰ ওপৰত আমাৰ বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ মই সম্পূৰ্ণ বিৰোধীতা কৰিছো। তাৰ বিপৰীতে আজি মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি আহ্বান জনাব বিচাৰিছো যে আৰু এই বাজেট বৃদ্ধিহে কৰিব লাগে। আজি এই প্ৰস্তাৱৰ সপক্ষে কোৱাৰ সুযোগত অসম চৰকাৰৰ মাননীয় স্বাস্থ্য মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক অন্তৰৰ পৰা কৃতজ্ঞতা জনাইছো। অসমৰ ইতিহাসত যি সবল দৃষ্টিভঙ্গী আৰু যি সবল ভূমিকা পালন কৰিছে সেইখিনি হয়তো অসমৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। কাৰণ আমি বিগত দিনবোৰত যোৱা দুটা বছৰে ক'ভিডৰ লগত যুঁজি আছো আৰু বিভিন্ন ৰোগ-ব্যাধিৰ লগত যুঁজ কৰি আছো। কিন্তু মহামাৰীৰূপে ক'ভিড আহি যোৱাৰ পিছত আমি দেখিবলৈ পাইছো যে মাননীয় স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে নিশা তিনি বজাতো গৈ ৰোগী আৰু স্বাস্থ্য কৰ্মীৰ লগতে যিধৰণে বাৰ্তালাপ কৰিছে এইখিনিয়ে আমাক আৰু অসমৰ ৰাইজক অনুপ্ৰাণিত কৰিছে। সেই কাৰণে তেখেতসকলৰ আগত আমাৰ মূৰ দোঁ খাই গৈছে। তেখেতসকলে জনসাধাৰণৰ বাবে ইমান কষ্ট কৰিছে আৰু এই স্বাস্থ্য বিভাগটোত বৈজ্ঞানিকে আৱিষ্কাৰ কৰা নতুন নতুন স্বাস্থ্য সম্পৰ্কীয় যন্ত্ৰ-পাতি এই হস্পিতাল সমূহত ইতিমধ্যে সংযোজন ঘটাবৰ বাবে আৰম্ভ কৰিছে। নতুন নতুন যন্ত্ৰপাতি আহিছে আৰু এইবোৰ আমাৰ অসমবাসী ৰাইজে ব্যৱহাৰ কৰিছে বা উপভোগ কৰিছে। চৰকাৰী আঁচনিৰ বহুখিনি সুবিধা বিনামূলীয়াভাৱে পাবলৈ সক্ষম হৈছে। গতিকে এনে অৱস্থাত আমি নিশ্চিতভাৱে ক'ব পাৰো যে আমাৰ স্বাস্থ্য বিভাগক আৰু পুঁজিৰ আৱণ্টন দিব লাগে যাতে আৰু অধিক ৰাইজৰ মাজত সুবিধা আগবঢ়াব পাৰো। এটা সময় আছিল যেতিয়া ক'ভিড নামৰ এই মহামাৰীয়ে অসমত দেখা দিছিল। তেতিয়া অসমত মাত্ৰ ১০০ খন ICU Bed আছিল। কিন্তু আজি যদি সমগ্ৰ অসমত চাওঁ প্ৰায় ১০০০ তকৈ অধিক ICU Bed ৰোগীৰ কাৰণে আগবঢ়াবলৈ সক্ষম হৈছে। ডিব্ৰুগড়ত যি অসম মেডিকেল কলেজ আছে, তাতো নতুনকৈ ৫০ খন ICU Bed সংযোজন ঘটাবলৈ সক্ষম হৈছে। Super Speciality যি হস্পিতাল কৰিছে তাত নতুনকৈ সংযোজন ঘটাইছে। গতিকে স্বাস্থ্য সম্পৰ্কে গুৰু দায়িত্ব গ্ৰহণ কৰি ৰাইজৰ মংগলৰ হকে যি ধৰণে কাম কৰি গৈছে সেই কথাখিনি সদায় প্ৰশংসনীয় আৰু আমি বাজেটত আৰু ধন বিচাৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক জনাব লাগিব বা আমি সেই কথাবোৰ আলোচনা কৰিব লাগিব। বিধায়ক সকলৰ বক্তব্যত আমি কিছু কিছু কথা শুনিবলৈ পাইছো। Vaccine সম্পৰ্কেও তেখেতসকলে প্ৰশ্ন কৰিছে। সৌ-সিদিনা এজন বিধায়কে বিধান সভাৰ বাহিৰত সংবাদ মেলত কোৱা শুনিলো যে এতিয়া হেনো Vaccine ৰ বিষয়টো অসম চৰকাৰে, স্বাস্থ্য বিভাগে পাহৰি গ'ল। এতিয়া আমি হেনো মিজোৰামৰ লগত সীমা যুঁজতহে লাগি আছো। কিন্তু তেখেতসকলক আমি অৱগত কৰিব বিচাৰো যে অসম চৰকাৰে কেৱলমাত্ৰ এটা সীমা-বিবাদত লাগি থকা নাই। এই সীমা-বিবাদ কালি পৰহিৰ সৃষ্ট নহয়। এই সীমা-বিবাদ বহু বছৰ বছৰ ধৰি আছে। গতিকে সীমা বিবাদটোৰ বাবে নতুনকৈ লাগি থাকিবলগীয়া একো নাই। কিন্তু ছজনকৈ আৰক্ষীৰ লোক যেতিয়া গুলীবিদ্ধ হৈ মৃত্যুমুখত পৰিবলগীয়া হ'ল, সেইটোলৈহে আমি চিন্তিত হৈছো। সীমা বিবাদটো লৈ অকল লাগি থকা নাই কাৰণ অসম চৰকাৰৰ বহু বিভাগ আছে। সেইকাৰণে সদনৰ মজিয়াতে আজি আলোচনা হৈছে এক কোটিতকৈ অধিক লোকক ইতিমধ্যে Covid Vaccine প্ৰদান কৰা হৈছে। আজি যিসকল মানুহে ক'ভিড ভেকচিন দিব পৰা নাই বুলি সমালোচনা কৰি আছে তেওঁলোকক আমি আহ্বান জনাইছো যে তেওঁলোকে গাঁৱৰ মাজলৈ যাওঁক, সমাজ খনৰ মাজলৈ যাওঁক আৰু মানুহৰ মাজত ক'ভিড ভেকচিন ল'লে বন্ধ্যাকৰণ কৰা হয়, অন্য কিবা হয়

বুলি যিবিলাক ভ্ৰান্ত ধাৰণা সোমাই গৈছে সেই ধাৰণা বিলাক আঁতৰাই তেওঁলোকক ভেকচিন ল'বৰ বাবে উৎসাহিত কৰক। তেতিয়াহে আমাৰ চৰকাৰৰ এই আঁচনি ফলপ্ৰসু হ'ব। তাৰ বিপৰীতে যদি আমি কেৱল চৰকাৰৰ সমালোচনা কৰি থাকো তেতিয়হ'লে আমি প্ৰকৃতাৰ্থত আঁচনিবিলাক কাৰ্য্যকৰী কৰিব নোৱাৰিম। এই মূহুৰ্তত মই মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক দুটামান সমস্যাৰ কথাও অৱগত কৰিব বিচাৰিছো, কাৰণ আপোনাক পইচা দিবৰ বাবে আমি সদনত সজোৰে দাবী উত্থাপন কৰিছো যে স্বাস্থ্যবিভাগত আৰু পইচা দিব লাগে আৰু ইয়াৰ যোগেদি কিছু সেৰা আমি আমাৰ সমষ্টি বিলাক নতুনকৈ সংযোজন ঘটাব লাগে আৰু এটা কথা আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াৰ নিশ্চয়কৈ অৱগত যে আমাৰ সমষ্টিবিলাকত Trauma Centre নাই। আজিকালি সঘনে মটৰ-বাইক এক্সিডেণ্ট, গাড়ী এক্সিডেণ্ট হোৱাৰ পিছত সেই ব্যক্তিজনৰ চিকিৎসা কৰিবৰ বাবে আমি হয়তো ডিব্ৰুগড়, যোৰহাট লৈ প্ৰায় ৫০-৬০ কিলোমিটাৰ দূৰনিলৈ যাবলগীয়া হয় আৰু কেতিয়াবা আকৌ গুৱাহাটী পোৱাবহি লাগে। যদি সমষ্টিয়ে সমষ্টিয়ে আমি এটা এটাকৈ Trauma Centre পাতি দিব পাৰো নিশ্চিতভাৱে দুৰ্ঘটনাগ্ৰস্ত মানুহখিনিয়ে অতি সোনকালে চিকিৎসা ল'বলৈ সুযোগ পাব আৰু বহু মানুহ মৃত্যু মুখৰ পৰা বাচিব বুলিও আশা কৰিব পাৰো। গতিকে মৰাণত আমাৰ যিখিনি SD আছে সেইখিনি যদি আমি Trauma Centreলৈ ৰূপান্তৰ ঘটাব পাৰো নিশ্চয় মৰাণ নগৰৰ আশে-পাশে থকা গোটেই এলেকাটোৰ ঘটনাৰ লগতে চৰাইদেউ জিলাৰো বহু লোক আহি এই SD ত চিকিৎসা গ্ৰহণ কৰিব পাৰিব। তাৰোপৰি স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অৱগত কৰিব বিচাৰিছো যে আমাৰ সমষ্টিবিলাকত ডায়েলাইচিচৰ বিনামূলীয়াকৈ ব্যৱস্থা কৰিব লাগে। এতিয়াও ডায়েলাইচিচৰ ব্যৱস্থা সমষ্টি ভিত্তিত হোৱা নাই। সমষ্টিত থকা CHC বা Model Hospital বিলাকত বিনামূলীয়াকৈ ডায়েলাইচিচ চেণ্টাৰ দিব পাৰি নেকি এই কথাবিলাক আগন্তুক দিনত ভাবিবৰ বাবে মই স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। তদুপৰি আমাৰ চৰকাৰী হস্পিতাল বিলাকক চৰকাৰৰ ফালৰ পৰা যিটো বছেৰেকীয়া ফাণ্ড দিয়া হয়, এই ফাণ্ডটোৰ ক'ভিডৰ সংকটৰ সময়ত যথেষ্ট কম হৈছিল। কাৰণ বেছি মানুহ নিয়োগ কৰিব লগীয়া হৈছে, যাৰ ফলত বেছি পইচা লাগে। গতিকে, য'ত ১ লাখ টকা দিয়া হৈছিল, তাক ১.৫ বা ২ লাখ টকালৈকে বঢ়াব পাৰি নেকি যাতে পুঁজি বৃদ্ধি কৰিলে তেওঁলোকৰ কৰ্মীখিনিক এটা উচিত দৰমহা দি চলাব পাৰে। কাৰণ এতিয়াও কৰ্মীসকলক মাহেকত ১ হাজাৰ টকাকৈ দি আমি হস্পিতাল বিলাক চলাই আছো। কাৰণ Moran State Dispensary ত মই জানো, আমাৰ Tiloi C.H.Cতো তেনেকুৱা ধৰণৰ হৈছে। গতিকে, চৰকাৰী সাহায্যটো পাৰিলে অলপ বৃদ্ধি কৰিব লাগে আৰু এই চৰকাৰী চিকিৎসালয়বিলাকত থকা ৪ৰ্থ বৰ্গৰ যিবোৰ চাকৰিয়াল বা ৭০০/ ৮০০/১০০০ টকাৰ সামান্য পাৰিতোষিকেৰে একেবাৰে ৮-১৫ বছৰ ধৰি যি সকলে খাটি আছে, তেওঁলোকক, এইবাৰ যি ১ লাখ চাকৰি দিয়া হ'ব তাত সাঙুৰি লৈ যোগ্যতাৰ ভিত্তিত যদি দিব পৰা যায়, মই ভাৱো তেওঁলোক উপকৃত হ'ব আৰু ৰাইজেও আমাক আশীৰ্বাদ প্ৰদান কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক এটা কথা উল্লেখ কৰিব খুজিছো যে বহু চিকিৎসালয়ত যন্ত্ৰ-পাতি আছে কিন্তু, লেবৰটৰী টেক্‌নিচিয়ান নাই। ভাল X-Ray Machine,Ultrasound, Sonography আনি দিয়া হৈছে, Radiology বিভাগৰ পৰা কিবা মেচিন অনা হৈছে, কিন্তু তাত Radiographer জন নাই। X-Ray কৰা মানুহজন নাই। ক'ৰবাত এজন লেবৰটৰী টেক্‌নিচিয়ানে দুখন চিকিৎসালয়লৈ দৌৰা-দৌৰি কৰিব লাগে। গতিকে, এই মেচিনসমূহ যাতে ভালদৰে চলি থাকে তাৰ কাৰণে ঠায়ে ঠায়ে লেবৰটৰী টেক্‌নিচিয়ান বিলাক

যদি দিব পৰা যায়, তাৰ ফলত ৰাইজ নিশ্চয় উপকৃত হ'ব আৰু আমি ৰাইজক যে ভাল সুবিধা দিব পাৰিছো সেই কথা আমি সজোৰে ক'ব পাৰিম । গতিকে, এই ক্ষেত্ৰত, আমি স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াৰ সহযোগিতা কামনা কৰিছো আৰু ভৱিষ্যতৰ দিনবিলাকত আমাৰ স্বাস্থ্য বিভাগে যিখিনি আঁচনিৰ যোগেদি আমাৰ ৰোগীসকলক ধন যোগান ধৰি আছে, সেইখিনি বাহাল ৰাখিবলৈ মই অনুৰোধ জনাইছো। এই ক্ষেত্ৰত মই 'Suhrid' আঁচনিৰ কথা ক'ব নিবিচাৰো, কাৰণ এই আঁচনিত বহু মানুহে ভুৱা কাগজ-পত্ৰ দিও ক'ৰবাত পইচা লোৱা আমি দেখিবলৈ পাইছো। লগতে, officiallyও hassle হৈ যায়। আমাৰ ডিব্ৰুগড় জিলাত ৭ টা সমষ্টি, গতিকে জিলা উপায়ুক্তৰ কাৰ্যালয়ত ৭ জন বিধায়কৰ কাম কৰিব লাগে যাৰ ফলত এটা এটাকৈ কাম কৰোতে ৩ মাহ পৰ্যন্ত আমি পইচা দিব নোৱাৰো। গতিকে, ইয়াত যথেষ্ট অসুবিধা আছে। সেইকাৰণে, 'Suhrid'ৰ বিপৰীতে 'মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য' পুঁজিৰ যোগেদি কিছু বচা বচা লোকক যদি দিব পাৰে, আমি নিশ্চয় আনন্দিত হ'ম। আনহাতে, 'আৰোগ্য নিধি' ৰ যোগেদিও ইতিমধ্যে পইচা দিবলৈ আৰম্ভ কৰিছে, আমিও কেইবাগৰাকীও কেন্সাৰ ৰোগীৰ বাবে ইতিমধ্যে আবেদন কৰিছো, সেইবিলাক নিশ্চয় sanction কৰিব। গতিকে, আগন্তুক দিনবিলাকত আমি স্বাস্থ্য বিভাগৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছো আৰু ভৱিষ্যতে আমি সকলো বিধায়কে আন্তৰিকতাৰে স্বাস্থ্য বিভাগৰ প্ৰত্যেকখন চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সহযোগিতা প্ৰদান কৰিম বুলি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী ভূপেন বড়ো।

**শ্ৰী ভূপেন বড়ো (বৰমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ স্বাস্থ্য খণ্ডত আমাৰ চৰকাৰখনে যি প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱ কৰ্তন কৰাৰ বাবে বিৰোধীয়ে যি প্ৰস্তাৱ আগবঢ়াইছে সেইটো উঠাই লৈ চৰকাৰী পক্ষৰ লগত যাতে সমভাৱে কাম কৰি যায় তাৰ বাবে মই আহ্বান জনাইছো। অধ্যক্ষ মহোদয়, আমি ইউ.পি.পি.এল দলৰ পৰা নথৈ সুখী হৈছো যে আমাৰ মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰীয়ে যোৱা কিছু দিন আগতে যি বাজেট দাঙি ধৰিলে, সেইটোৱে স্বাস্থ্য খণ্ডত আমাৰ বাবে সুখৰ বতৰা কঢ়িয়াই আনিছে। আমাৰ স্বাস্থ্য খণ্ডত অসমৰ বিভিন্ন সমষ্টিৰ লগতে মোৰ বাক্সা জিলাতো বহুতো কাম কৰিবলগীয়া আছে। আপোনাৰ দ্বাৰা মই অৱগত কৰিব বিচাৰো যে আমাৰ সমষ্টিটো ভূটানৰ লগত লাগি থকা বাক্সা জিলাৰ অন্তৰ্গত আৰু এই ক্ষেত্ৰত কিছু কথা উনুকিয়াব লাগিব। আমাৰ স্বাস্থ্য খণ্ডবোৰ কমেও ১৫-২০ কিঃমিঃ দূৰত্বত অৱস্থিত। আমি যদি মেডিকেল লিংকবোৰ ল'ব বিচাৰো, তেন্তে ডেৰ-দুই ঘণ্টা সময় লাগে। আমাৰ সমষ্টিত স্বাস্থ্য খণ্ডটো যিহেতু ভাল নহয়, সেয়েহে তাত আমাৰ কৰিবলগীয়া বহুতো কাম আছে। এইবাৰ যি বাজেট ধাৰ্য্য কৰিছে, সেইখিনিৰ দ্বাৰা আমাৰ সমষ্টিৰ স্বাস্থ্য খণ্ডৰ ক্ষেত্ৰত যাতে অলপ কাম কৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ক বিনম্ৰ ভাৱে অনুৰোধ জনাইছো। সমগ্ৰ বাক্সা জিলাৰ যিবোৰ অসুবিধা আছে, সেইবোৰ আমি ক'বলৈ গ'লে আজিৰ দিনটো পাৰ হৈ ৰাতি হ'ব আৰু ৰাতিটো পাৰ হৈ পুৱা হ'ব। গতিকে, ইমান সময় মই ল'ব বিচৰা নাই। এই সম্পৰ্কত মই স্বাস্থ্যখণ্ডৰ লগত কথা পাতিম। কিন্তু, যি পুঁজি আমাৰ চৰকাৰখনে ধাৰ্য্য কৰিছে, সেইখিনিৰ দ্বাৰা যাতে আমাৰ বাক্সা জিলাখনকো অকণমান নজৰ দি অনাগত দিনবোৰত আমাৰ সমষ্টিটোৰ উন্নতিকৰণৰ বাবে গুৰুত্ব দিয়ে তাৰ বাবে কামনা কৰি মই মোৰ বক্তব্যখিনিৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আজি আমাৰ সময় প্ৰায় শেষ হ'ল। এই বিষয়ত যিহেতু মন্ত্ৰীৰ উত্তৰ আছে আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ বিভিন্ন দলৰ দুজন মান বক্তাও আছে, গতিকে সেইখিনি

আমি অহাকালি কৰিম।

আমাৰ দুজন বিধায়কে ছুটি আবেদন কৰিছে। শ্ৰী ভাস্কৰ শৰ্মাৰ আত্মীয়ৰ মৃত্যু হোৱা বাবে বিশেষ অসুবিধাবশতঃ ইং ৪ আগষ্ট আৰু ৬ আগষ্ট তাৰিখত ছুটি বিচাৰিছে। আনহাতে, উৎপল বৰা ডাঙৰীয়াই ইং ৫, ৬ আৰু ৯ আগষ্ট তাৰিখে ঘৰুৱা সমস্যাৰ বাবে ছুটি বিচাৰিছে। গতিকে, তেওঁলোক দুজনৰ ছুটি মঞ্জুৰ কৰা হৈছে।

এতিয়া সদন অহা ইং ৫ আগষ্ট, ২০২১ তাৰিখৰ ৰাতিপুৱা ০৯-৩০ বজালৈ স্থগিত ৰখা হ'ল।

——oo——